# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখ ঃ ২৭/০৯/২০১৮ বৃহস্পতিবাৰ

**আজি ইংৰাজী ২৭-০৯-২০১৮ ইং তাৰিখে ৰাতিপুৰা ৯ঃ ৩০ বজাত মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ শৰৎ কালীন অধিৰেশনৰ কাৰ্য্যবিৰৰণী।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬১, শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী নৱ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'হাকিম সলনি হলেও হুকুম সলনি নহয়' মানে আমাৰ যোৱা চৰকাৰৰ দিনত এনেকুৱা এটা প্ৰস্তাৱ লোৱা হৈছিল যে আমাৰ যিখিনি AP,GP Jilla Parisad আছে, তেওঁলোকক আমি মাহিলি ৭ বা ১০ হাজাৰ কৈ টকা দিয়াৰ কথা কোৱা হৈছিল। Accordingly তেওঁলোকে ১১ মাহৰ দৰমহা পাইছিল 5th Assam Finance Comission পৰা। কিন্তু ৪৯ মাহৰ দৰমহা তেওঁলোকৰ pending আছে। যোৱা বিধানসভাতো এই বিষয়ে আলোচনা হৈছিল আৰু মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে আমাৰ চৰকাৰ তৎপৰ তেওঁলোকৰ দৰমহাখিনি release কৰি দিবলৈ। কিন্তু এতিয়া যিটো উত্তৰ পালো তাত কৈছে Own source ৰ পৰা কৰিব লাগিব। ultimately আমি পঞ্চায়ত প্ৰতিনিধি সকলক দৰমহা দিব পৰা নাই। আমাৰ MLA বিলাকৰ দৰমহা বাঢ়িল ভাল কথা। কিন্তু তেওঁলোকক দৰমহাটো দিব পাৰিব নে নাই আৰু কিমান দিনৰ ভিতৰত দিব পাৰিব মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী নৱ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত প্ৰতিনিধি সকলৰ পাৰিতোষিক মাননিৰ কিছু অংশ আমাৰ দিবলৈ বাকী আছে। এই মাননি সমূহ ২০১২ চনৰ যি ৰাজপত্ৰিকা ৫৪২ ৰ মতে Regulation Fund আৰু Own source ৰ পৰা দিব পৰা যায়। তাৰ উপৰিও বেতন বহি ভূৰ্ত non-salary component ৰ শিতানৰপৰা বিত্ত বিভাগৰ অনুমোদন সাপেক্ষে চতুৰ্থ আৰু পঞ্চম বিত্তীয় আয়োগৰ পুঁজিৰ পৰা যোগান ধৰা হৈছিল। সেইমৰ্মে পঞ্চায়ত প্ৰতিনিধি সকলৰ ৫ মাহৰ পৰিতোষিকৰ পঞ্চম বিত্তীয় আয়োগৰ Regulation Fund পৰা দিয়া হৈছিল আৰু বাকী মাহৰ পৰিতোষিকৰ বাবে বিত্ত বিভাগৰ অনুমোদন বিচৰা হৈছিল। এই সম্পৰ্কত বিত্ত বিভাগে পঞ্চম বিত্ত আয়োগৰ recommendation মতে Regulation Fund কেৱল asset creation ৰ বাবেহে ব্যৱহাৰ কৰিব লাগিব বুলি জনাইছিল। সেইবাবে আমাৰ বিভাগে জিলা মুখ্য কাৰ্য্যবাহী বিষয়াসকললৈ নিৰ্দেশ প্ৰেৰণ কৰিছো আৰু Own source ৰ পৰা পঞ্চায়ত প্ৰতিনিধি সকলৰ পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিছো। যিহেতু ২০১৮-১৯ ৰ যথেষ্ঠ পুঁজি জিলা সমূহত আছে, সেয়েহে আমি জিলা মুখ্য কাৰ্য্যবাহী বিষয়া সকলক পঞ্চায়ত কৰ্মচাৰী সকলৰ পাৰিতোষিকখিনি পুঁজি সাপেক্ষে দিবলৈ পৰামৰ্শ আগবঢ়াইছো।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে Own source ৰ পৰা কিন্তু Regulation Fund পৰাই Municipality ৰ কাৰণে টকা লোৱা হয়। যদি

Regulation Fund ৰ দিয়া নহয়েই আৰু Own source ৰ পৰাই দিয়া হয়, তেতিয়া তেওঁলোকক clearly কৈ দিব লাগে যে তেওঁলোকক monthly আমি দৰমহাটো নিদিওঁ। কাৰণ আমাৰ কৰিমগঞ্জ জিলাত Own source ৰ পৰা জিলা পৰিষদে দৰমহা দিব নোৱাৰিব। কাৰণ তেওঁলোকৰ ইমান source নাই। সেইকাৰণে আমি বিচাৰিছিলো যে যোৱাবাৰ যেনেকৈ 5th Assam Regulation Fund ৰ পৰা ১১ মাহৰ দৰমহা দিয়া হৈছিল তেনেকৈয়ে দিয়াৰ ব্যৱস্থা কৰক। যোৱা Assembly ত যিহেতু আপুনি assurance দিছিলে, গতিকে সেইমৰ্মে চৰকাৰে যাতে 5th Assam Finance বা 4th Assam Finance Commission ৰ পৰা টকাখিনি দিয়ে। তাৰবাবে মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো।

**শ্ৰী নৱ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান 5th Assam Finance Commission ৰ Regulation Fund খিনি asset creation ৰ বাবেহে পৰামৰ্শ আগবঢ়াইছে । Own source ৰ পৰা দিয়াত যদি কিবা অসুবিধা হয়, পৰবৰ্তী পৰ্য্যায়ত আমি তাৰ বিবেচনা কৰিম।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি বিচাৰো ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হওক। তিনি খলপীয়া পঞ্চায়ত ব্যৱস্থা আমাৰ হৈছে বা চলি আছে। যোৱা কেইদিনমান ধৰি দেখিলো যে High Court এ order টো verdict দিয়াৰ পাছতো চৰকাৰে সময় লৈ থাকে যে দুমাহৰ ভিতৰত কৰিম বা তিনি মাহৰ ভিতৰত কৰিম। এই ক্ষমতাৰ বিকেন্দ্ৰীকৰণটো কিয় নহয়? চৰকাৰে কেতিয়া পঞ্চায়ত নিৰ্বাচনটো কৰিব সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী নৱ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,পঞ্চায়ত নিৰ্বাচনটো ৰাজ্যিক নিৰ্বাচনী আয়োগৰ অধীনৰ বিষয়। তথাপিও ইতিমধ্যে আমি পঞ্চায়ত নিৰ্বাচনৰ বা বে যিখিনি পুঁজিৰ প্ৰয়োজন, আমাৰ বিভাগৰ ফালৰ পৰা দিয়াৰ ব্যৱস্থা কৰিছো। প্ৰায় ১৪৯ কোটি টকা নিৰ্বাচনী আয়োগ বা আৰক্ষী অধীক্ষক , প্ৰশাসন সকলোকে দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে মহামান্য আদালতে এই পঞ্চায়ত নিৰ্বাচনটো 15th September, 2018 তাৰিখৰ ভিতৰত পাতিবলৈ এটা নিৰ্দেশনা দিছিল। কিন্তু যিহেতু বহু কৰ্মচাৰী NRC ৰ লগত জড়িত হৈ থকা বাবে আৰু NRC ৰ খচৰা 30 June ৰ পৰিৱৰ্তে 30 July লৈ পিছুৱাই দিয়াৰ বাবে লগতে অসমত বানপানীৰ পৰিবেশ থকাৰ বাবে নিৰ্বাচনী আয়োগে আবেদন কৰিছিল নিৰ্বাচন ৩ মাহৰ পিছুত পতাৰ বাবে। আমি পঞ্চায়ত বিভাগেও ৩ মাহৰ সময় বিচাৰি মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰিছো। এই সময়খিনিৰ পাছতে নিৰ্বাচন পাতিব পৰা যাব বুলি আমি আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন শুধিব বিচাৰিছো। আমাৰ যিবিলাক গাওঁসভা হয়, গাওঁসভা হোৱাৰ পাছত যেতিয়া আমি ৰাইজৰ পৰা আবেদন গ্ৰহন কৰো , লগে-লগে গাওঁবাসীৰ মাজত সদায় এটা বিভ্ৰান্তি হয় যে আবেদনখন গাওঁসভাত লোৱা মানে এই আচঁনিটো ৰূপায়ন হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো related নহয়। মন্ত্ৰীৰ হাতত এই বিষয়ে তথ্য নাথাকিবও পাৰে।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়** ঃ- মাননীয় অধ্যক্ষ মহোদয়, গাওঁ সভাত আঁচনি বিলাক ৰূপায়ন কৰাৰ ক্ষেত্ৰত যথেষ্ট পূজিৰ আৱন্টন কৰিব লাগে, নহলে আচঁনি বিলাক ধৰা নহয়। কিন্তু গাঁৱৰ ৰাইজে এই কথাটোত অসন্তুষ্ট প্ৰকাশ কৰে, যে যিমান কেইটা আঁচনি দিয়া হয় তাৰে আধা আঁচনি থাকি যায়। এতিয়া অহা **২** অক্টোবৰৰ পৰা আকৌ আঁচনি লোৱা হ'ব। সেয়েহে গাঁৱৰ ৰাইজৰ মাজত

অসন্তুষ্ট যে হৈছে সেই কথাটো পৰিত্ৰাণ পাবলৈ মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লব নেকি ?

**শ্ৰী নৱ দলৈ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে গ্ৰাম সভাৰ আঁচনিসমূহ সকলোখিনি ৰূপায়ন কৰিব পৰা নহয়, তাৰে ভিতৰত যিখিনি priority, সেইখিনিৰ কাম কাজখিনি কৰিবৰ কাৰণে কমিটি এখন আছে, তাত মাননীয় বিধায়ক ডাঙৰীয়াও আছে। যিসমুহ ৰাইজৰ priority কাম থাকে পুঁজি সাপক্ষে, জিলাখনলৈ যিখিনি পুঁজি আৰন্টন দিয়া হয় বা খণ্ড উন্নয়ন বিভাগলৈ অনুমোদন দিয়া হয়। এই সপক্ষে মাননীয় বিধায়ক ডাঙৰীয়াই ৰাইজৰ সুবিধা অনুযায়ী আঁচনিসমূহ গ্ৰহণ কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ- selection টো তেখেতসকলৰ হাততে থাকে। এতিয়া মাননীয় বিধায়ক শ্ৰী কমলসিং নাৰ্জাৰী।

**শ্ৰী কমলসিং নাৰ্জাৰী, বিজনীঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত প্ৰতিনিধি সকলৰ যিটো দৰমহা, সেই দৰমহা যোৱা **২০১২** চনৰ **১০** ডিচেম্বৰত অসম গেজেটত উল্লেখ কৰিছে। সেই মতে দৰমহাটো দিবলৈ চৰকাৰ দায়বদ্ধ। কিন্তু কথাটো হৈছে যে তেওঁলোকৰ own source ৰ পৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি উল্লেখ আছে। own source ৰ পৰা দিবলগা যদি হয়, কিছুমান সৰু সৰু পঞ্চায়ত আছে সেই পঞ্চায়ত সমুহত কোনোধৰণৰ source নাই। সেই পঞ্চায়ত সমুহে কেনেকৈ নিজৰ পৰা দৰমহাটো দিব। গতিকে মই আজি সদনত আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিটো **২০১২** চনত পঞ্চায়ত বিল আনিছে, সেই বিলখন amendment কৰি চৰকাৰে যিখিনি দিম বুলি প্ৰতিস্তুতি দিছে, সেইটো নিজৰ source ৰ পৰা দিম বুলি নকৰি পেলাই চৰকাৰে তেওঁলোক দৰমহা দিয়াৰ ব্যৱস্থা কৰিলে খুব ভাল হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয় এই খিনি মন্ত্ৰী ডাঙৰীয়া পিছৰ অধিবেশনত হলেও বিলটো আনে, যাৰ ফলত এই সমস্যাটো সমধান হৈ যাব।

তাৰ পিছত চৰকাৰে যিটো প্ৰতিশ্ৰুতি দিয়ে, সেই প্ৰতিশ্ৰুতি বিলাক পৰা পক্ষত সমধান কৰিবৰ কাৰণে দায়বদ্ধতা ললে খুব ভাল হয়। আমাৰ মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়া কৈছে যে গাওঁ পঞ্চায়তৰ জৰিয়তে যিবিলাক আঁচনি লওঁ, সেই বিলাক সচৰাচৰ পাচঁ বছৰৰ কাৰণে লোৱা হয়। প্ৰতিবছৰৰ কাৰণে যিবিলাক কৰিব লগা হৈছে এই বিলাক কৰিলে বেছি ভাল হয়। আমাৰ PMGSY ৰ ঘৰ বিলাক দিয়া হৈছে সেই ঘৰ বিলাক দিওতে কেৱল beneficiary নামত account টো খুলিবলৈ দিয়া হৈছে। এইটো কৰাৰ ফলত আজি প্ৰায় 50% beneficiary য়ে ঘৰ নবনাই গাড়ী বা অন্যান্য ধৰণৰ বস্তু ক্ৰয় কৰিছে। গতিকে এইটো যদি কেন্দ্ৰীয় চৰকাৰৰ লগত takeup কৰি BDO বা JE ৰ লগত joint account খুলি দিয়ে....

**মাননীয় অধ্যক্ষ** ঃ দৰকাৰী কথা মই allow কৰিব নোৱাৰো। মন্ত্ৰী ডাঙৰীয়া সন্মানীয় বিধায়ক গৰাকীয়ে কৈছে দৰমহা খিনি দিয়াৰ ক্ষেত্ৰত আমাৰ এটা দায়বদ্ধতা যিহেতু আছে gazzette notification কৰিছো বুলি কৈছে। যিবিলাকে নোৱাৰে আমিতো কিবা এটা চিন্তা কৰিব লাগিব। কি কৰিম, সেইটো ক্ষেত্ৰত তেখেতে জানিব বিচাৰিছে।

**শ্ৰী নৱ দলৈ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এটা own source ৰ পৰা লোৱাৰ কাৰণে নিৰ্দেশনা দিয়া আছে। ইয়াৰ পিছৰ পৰ্য্যায়ত আমি সকলো জিলাত সমভাৱে own source ৰ যিহেতু কোনোবা খন জিলাৰ বেছি, কোনোবা খন জিলাৰ কম, এই বিষয়খিনিও আমি পৰ্য্যালোচনা কৰি পৰবৰ্তী সময়ত ইয়াৰ পদক্ষেপ গ্ৰহন কৰিম।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া last supplementary, মাননীয় সদস্য শ্ৰী আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক, জনিয়াঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমি সাংসদ বিধায়ক সকলে ৰাইজক সেৱা কৰোঁ, দৰমহা পাওঁ। গতিকে পঞ্চায়তৰ প্ৰতিনিধি সকলেও এটা সেৱা আগবঢ়াই, সেইটোও পূৰ্ণকালীন সেৱা। আৰু যিটো নিজৰ source ৰ পৰা সংগ্ৰহ কৰাৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়, নিজস্ব পুঁজিৰ পৰিবৰ্তে যিহেতু কিছুমান পঞ্চায়তৰ পুঁজি একেবাৰে কম, চৰকাৰে পৰ্য্যালোচনা কৰিব, চাব এইটো নকয়, চৰকাৰে বিত্ত বিভাগক প্ৰস্তাৱ দিব লাগে যে কেনেকৈ কৰিব। মাননীয় অধ্যক্ষ মহোদয় বানপানী, নাগৰিকপঞ্জীৰ অজুহাতত পঞ্চায়ত নিৰ্বাচন পিছুৱাই দিয়াতো যুক্তিসংগত নহয়। কাৰণ এতিয়া লোকসভা নিৰ্বাচন আহি আছে। নাগৰিকপঞ্জীৰ কাৰণে লোকসভা নিৰ্বাচন নহব নেকি? এই কাৰণে চৰকাৰৰ এই সদনৰ পৰা দাবী জনাইছো যে ৰাইজৰ ক্ষমতা বিকেন্দ্ৰীকৰণৰ স্বাৰ্থত পঞ্চায়ত নিৰ্বাচনতো যাতে চৰকাৰে সোনকালে পতাৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে নিৰ্বাচন চৰকাৰে নাপাতে, নিৰ্বাচনী আয়োগে পাতে।

এতিয়া প্ৰশ্ন নং **৬২**, শ্ৰীমতী ৰ'জলীনা তিৰ্কী।

তেখেত অনুপস্থিত।

ইয়াৰ পিছৰ প্ৰশ্ন নং **৬৩**, শ্ৰী পবিন্দ্ৰ ডেকা।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ-মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী পবিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো। মই এটা চিধা চিধি প্ৰশ্ন কৰিছিলো যে Advantage Assam হৈ গ'ল, প্ৰায় তিনিশ বিনিয়োগকাৰীৰ লগত চুক্তি হৈ গ'ল। এই তিনিশ বিনিয়োগকাৰীৰ কিমান বিনিয়োগকাৰী ইতিমধ্যে অসমত উদ্যোগ স্থাপন কৰিলে ? এই প্ৰশ্নটো সুধিছিলো, কিন্তু উত্তৰটো অহা নাই। এতিয়া মই সুধিছো মাননীয় উদ্যোগমন্ত্ৰী ডাঙৰীয়াক কিমান বিনিয়োগকাৰী আহি অসমত উদ্যোগ স্থাপন কৰিলে?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ-মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Advantage Assam ত প্ৰায় **২০৭** খন বুজা বুজিৰ চুক্তি হৈছে। তাৰে ভিতৰত এতিয়ালৈকে **৩৪** জন বিনিয়োগকাৰী অসমত বিনিয়োগৰ আগ্ৰহ প্ৰকাশ কৰি উদ্যোগ বিভাগক প্ৰস্তাৱ দিছে। তাৰ ওপৰিও Advantage Assam ত সৰ্বমুঠ **৫,৬০০** প্ৰতিনিধিয়ে অংশগ্ৰহন কৰিছিল আৰু অংশগ্ৰহণ কৰি তেওঁলোকে নিজৰ নিজৰ MoU sign কৰিছে প্ৰায় **৭৯** হাজাৰ কোটি টকাৰ। আৰু TATA আৰু আদানি গ্ৰুপে মৌখিকভাৱে আকৌ **২০** হাজাৰ কোটি টকাৰ প্ৰতিস্তুতি দিছে। সেই মতে আদানিগ্ৰুপে ইতিমধ্যে আমাৰ লগত যোগাযোগ কৰিছে যে তেওঁলোকক মাটি লাগে, এখন logistic park with railway line and all বনাবলৈ। তেওঁলোকে **২৪** হাজাৰ বিঘা মাটি বিচাৰিছে। উত্তৰ-পূৰ্ব্বঞ্চলৰ ভিতৰত আটাইতকৈ best multimodel logistic park হ'ব আৰু Advantage Assam হৈ যোৱাৰ পিছত প্ৰায় **৮,৫০০** কোটি টকাৰ উদ্যোগ বিভাগৰ লগত তেওঁলোকে মাটি আৰু অন্যান্য বস্তুৰ ব্যৱস্থা গ্ৰহণ কৰিছে, this ground type। আমাৰ বিভিন্ন কোম্পানিৰ এখন লিষ্ট দিয়া হৈছে। তেওঁলোকে আমাক প্ৰস্তাৱ দিছে **৩৯,৯৫১.৬৫** কোটি টকা। এইখিনিৰ কাৰণে তেওঁলোকে আমাৰ লগত যোগাযোগ কৰিছে। এই গোটেই Advantage Assam ৰ কথাটো হ'ল আমাৰ অসম ৰাজ্যখন যে investment destination হয়, সেইটো পৃথিৱীৰ মানুহকজনাব লাগে। পৃথিৱীৰ মানুহে অসম যে এখন destination place হয় সেইটো লক্ষ্য আমি আগত ৰাখি কৰিছিলো।

মাননীয় অধ্যক্ষ মহোদয়, মই সদনত জনাব বিচাৰিছো যে গুজৰাট এতিয়ালৈকে সাত বাৰ vibrant Gujarat হ'ল। প্ৰথম বাৰত vibrant Gujarat হৈছিল তাতএক হাজাৰতকৈ কম

প্ৰতিনিধিয়ে যোগদান কৰিছিলে। আৰু তাত আচলতে এক হাজাৰ কোটি টকা প্ৰথম অৱস্থাত হোৱা নাছিল। কিন্তু আজি গুজৰাটত চাৰি লাখ কোটি টকালৈকে এইটোৰ ব্যৱস্থা আছে। গতিকে vibrant Gujarat তেওঁলোকে সাত বাৰৰ কাৰণে কৰিছে। গতিকে গোটেই ঔদ্যোগিক বাতাবৰণ এটা সৃষ্টিৰ কৰাৰ বাবে য'ত অসমত ঔদ্যোগিক বাতাবৰণ নাছিলে এইটোৰ কাৰণে Advantage Assam আচলতে কৰা হৈছে। Advantage Assam ৰ কেইবাটাও ভাল দিশ আছে মাননীয় অধ্যক্ষ মহোদয় । ভাল দিশ এইটো আছে যে অসমত এটা পাইপ লাইন আছে। সেইটো পাইপ লাইন ইয়াৰ পৰা বাৰাওনিলৈকে গৈছে, তাত তেল শোধন হৈছে। এতিয়া যেতিয়া সেই পাইপ লাইনে তেল উলতি আহে বঙাইগাওঁ ৰিফাইনাৰী, গুৱাহাটী ৰিফাইনাৰীৰ কিছু অংশ আৰু নুমলিগড় ৰিফাইনাৰী এই বিলাক আমাৰ বাহিৰৰ তেলেৰে ৰিফাইনাৰী চলি আছে। গতিকে আজিৰ দিনত অসমত আটাইতকৈ ডাঙৰ সমস্যা হৈছে গেছৰ। চাৰিটা ৰিফাইনেৰী গেছৰ ওপৰত চলে। তদুপৰি উদ্যোগ সমূহ গেছৰ ওপৰত চলিবলৈ লৈছে। তাৰোপৰি BCPL আছে, নামৰূপ থাৰ্মেল আছে, সাৰ কাৰখানা আছে। APL আছে। এতিয়া advantage Assam ৰ advantage কৈছো যে এইটো এটা Historic step যে এডাল গেছ পাইপ লাইন নি পেলাই বাৰাউনীৰ পৰা নি advantage Assam চাইন হৈছিল, Petrolium Ministry ৰ লগত in presence of our Honourable Chief Minister, ধৰ্মেন্দ্ৰ প্ৰধান। গতিকে এই গেছ পাইপ লাইন এডাল বাৰাউনীৰ পৰা অসমলৈ গেছ পাইপ লাইন এডাল আহিছে। ইতিমধ্যে Tender হৈ গ'ল আৰু ডেৰ বছৰৰ ভিতৰত এই পাইপ লাইন ডাল অসমত আহি যাব। প্ৰায় চাৰি হাজাৰ কোটি টকা গেছ পাইপ লাইন ডালত খৰছ হ'ব। গতিকে অধ্যক্ষ ডাঙৰীয়া, গেছ পাইপ লাইন ডাল যেতিয়া অসমত আহি যাব,তেতিয়া অসমৰ গোটেই entire scenario টো আচলতে সলনি হৈ যাব। কাৰণ আমাৰ থাৰ্মেল আছে, BCPL আছে, নামৰূপ সাৰকাৰখানা আছে। এতিয়া নামৰূপ সাৰ কাৰখানাৰ কাৰনে 4th unit এটা কৰিব লাগে। 4th unit টোৰ কাৰণে গেছৰ Shortage আছে। এতিয়া মিথানল আৰু ইথানল প্ৰস্তুত কৰিবৰ কাৰণে APL ক আমি গেছ দিব পৰা নাই। BCPL ভৰতৰ যিটো গেছ ক্ৰেকাৰ আছে, প্লাষ্টিকৰ যিটো raw meterial হব, তাতে গেছ দিব পৰা নাই। গতিকে আমাৰ এই গেছ পাইপ লাইন ডাল আটাইতকৈ ডাঙৰ আমাৰ উদ্যোগৰ কাৰনে Life line হ'ব। গতিকে অধ্যক্ষ ডাঙৰীয়া, তাৰ উপৰিও আমাৰ international connectivity ৰ ক্ষেত্ৰত যিবিলাক ব্যৱস্থা লোৱা হৈছে, ৬ খন কেপিটেল চিটি এইবাৰ connect হৈ যাব গুৱাহাটীৰ লগত under RCS policy. গতিকে এইবিলাক কিছু কিছু তাত advantage আছে। কিন্তু প্ৰথমখন advantage Assam আমি অনুষ্ঠিত কৰাৰ লগে লগে আমাৰ যে ১০০শতাংশ invest হব সেইটো নহয়। ইয়াতে ৩৯ হাজাৰ কোটিত কৈ বেছি আমাৰ লগত ইতিমধ্যে যোগাযোগ কৰিছে। ৮ হাজাৰ কোটিতকৈ বেছি ইতিমধ্যে Landing হৈ গৈছে। তেওঁলোকক মাটি দিব লগা হৈছে। এতিয়া এটা বহুত ডাঙৰ সমস্যা হৈছে মাটি। এতিয়া আমাৰ বিশেষ মাটি নাই। গতিকে আমি চেষ্টা কৰি আছো যাতে আমি মাটিৰ ব্যৱস্থা কৰিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ-Thank you.

**শ্ৰী পবিন্দ্ৰ ডেকাঃ**- অধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই কোৱা কথাখিনি আমি বুজি পাইছো। সুবিধা অসুবিধা বিলাক আমি সকলোৱে জানো। অসমত কিয় উদ্যোগীকৰণ হোৱা নাই সেইটোও জানো। ৬৬ ৰ কমিটিয়ে যি কৈছে সেই বিলাক আমাৰ হাতত তথ্য আছে। মই কৈছো যে চিধা চিধি যে এই ২০০ ৰো অধিক বিনিয়োগকাৰিৰ লগত চুক্তি হ'ল। ইয়াতে বহুত উদ্যোগ

ইতিমধ্যে আছেই। তেওঁলোকে হয়তো বিনিয়োগ কৰিব। নতুনকৈ কেইটা উদ্যোগ ইয়াত স্থাপন হ'ল।

**মাননীয় অধ্যক্ষ ঃ**-Landing হৈছে Annexure ত দিছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ**-Land বিছাৰিছেহে।

**মাননীয় অধ্যক্ষ ঃ**-Landing মানে Plane Landing কৰাৰ কথা কৈছে। সেইটোলৈকে তেখেত সকলে কাগজ দিছে। Annexure চাইছো। এতিয়া runway ত যাবৰ কাৰণে যিখিনি বস্তু লাগে, তেখেত সকলে ব্যৱস্থা কৰি আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মই কৈছো কিয়? নাথকুছিত ভাৰত চৰকাৰে বহুত ঘৰ বনাই দিলে। Mega Food Park. বহুত চুক্তি হ'ল বুলি কলে যে ইয়াত হাজাৰ হাজাৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাব। তাৰ পাচত মাত্ৰ এটা বিস্কুট ফেক্টৰীহে তালৈ আহিছে। তিনিশ মান ল'ৰাইহে 3rd grade, 4th grade এই বিলাকত কাম অলপ পাইছে। এতিয়া আমি সুধিছো, সঁচাকৈ তাত আহিছে নে নাই? উদ্যোগ হ'ল নে নাই? এবছৰৰ ভিতৰত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- অধ্যক্ষ ডাঙৰীয়া, মইতো কৈছো যে ৮৫০০ কোটি টকা ইতিমধ্যে Landing হৈছে, সেইখিনি নতুন। Mega Food Park. খন য'ত আছে তাত এটা বিস্কুটৰ কোম্পানী গৈছে। আৰু দুই তিনিটা কোম্পানী আহিছিল, সেইকেইটাক মই Mega Food Park. লৈকে পঠাইছো আৰু তাৰে কিছুমানে এতিয়ালৈকে Final Report দিয়া নাই। মইও চেষ্টাত আছো যে Mega Food Park. টিহুত যিখনহৈছে, সেই Food Park. খনত বাকী উদ্যোগ বিলাক যাওঁক। সেইটো কথা মই কৈছো। আৰু তেওঁলোকক মই বহুত বুজাইছো। আপুনি Local MLA, বাৰু interest আছে। মইও তেওঁলোকক ৰেল ষ্টেচন কিমান দূৰ তাৰ পৰা, হাইৱে কিমান দূৰ তাৰ পৰা কিমান সময় গুৱাহাটীলৈকে লাগিব ইত্যাদি বহুত কথা তেওঁলোকক বুজাইছো। বহুত গৈছেও তাত গৈ চাইছেও আৰু মাজতে এটা ডাঙৰ টেক্সটাইল কোম্পানী আহিছিল। সেইটোকো মই টিহুলৈকে পঠাইছো। তেওঁলোকক আমি কৈছো যে আমাৰ আগত যিটো টেক্সটাইল ইউনিট আছিল, টিহুত। গতিকে সেই মাটিখিনি আপোনালোকক আমি দি দিম, আপোনালোকে তাত কাম কৰক। তেওঁলোকে কৈছে যে আমাৰ যদি সেইটো পচন্দ হয় আমি জনাম। সেইটো এটা ডাঙৰ multi national Company, তেওঁলোককো আমি পঠিয়ালো তাতে, এতিয়ালৈকে আমি ৪ টা ডাঙৰ পাৰ্টী তালৈকে পঠাইছো। কোম্পানী বিলাকে তাত কাম আৰম্ভ কৰাৰ লগে লগে ৮-১০ হাজাৰ ল'ৰা-ছোৱালীৰ নিযুক্তি হৈ যাব। এতিয়া লৈকে গোটেই কথাখিনি ভালকৈ আমাক জনোৱা নাই। ঠিক তেনেধৰণে আৰু নতুন নতুন কোম্পানী কিছুমান আহিছে। যেনে আমাৰ মৰাপাটৰ Prospect টো ভাল আছে। টিহুলৈকেও পঠাইছিলো। আপুনি মোক সুধিব নালাগে মই জানোৱেই। মই ইয়াক ধিংলৈও পঠাইছো। ধিংত চিকাৰীয়া গ্ৰুপ বুলি এটা ডাঙৰ গ্ৰুপ আছে, মৰাপাটৰ উদ্যোগৰ। ধিংৰ মাটিখিনি তেওঁলোকে পচন্দ নকৰিলে। নকৰাত তেওঁলোকক মাটি দিলো ছয়গাঁৱত। ছয়গাঁৱত এতিয়া তেওঁলোকে আৰম্ভ কৰিছে। টিহুৰ কথাটো আমাৰ Knowledge ত আছে। এই ক্ষেত্ৰত কিবা এটা কৰাৰ কাৰণে চেষ্টা কৰি আছো। আমাক অলপ সময় দিয়ক।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে, সঞ্জয় কিষাণ।

**শ্ৰী সঞ্জয় কিষাণ ঃ**- অধ্যক্ষ ডাঙৰীয়া, উদ্যোগ স্থাপন কৰিবৰ কাৰণে ৩ বছৰ মান আগতে তিনিচুকীয়া জিলাৰ গেলাপুখুৰী চাহ বাগিচাত প্ৰায় ১৫০০ বিঘা মাটি আৱন্টন লোৱা হ'ল। তাৰে ইতিমধ্যে ৫০০ বিঘা মাটিত Boundary wall কৰা হ'ল নলা নিৰ্মান কৰা হ'ল, ৰাস্তা বনোৱা হ'ল। কাৰেণ্টৰ

ব্যৱস্থা কৰা হ'ল। কিন্তু দুখৰ কথা আজিলৈকে এটাও উদ্যোগ স্থাপন হোৱা নাই। মোৰ কথা হ'ল যদি advantage Assam ৰ জৰিয়তে যদি কোনো উদ্যোগপতি আহিছে, তেতিয়াহলে নিশ্চয় তাতে প্ৰায় ১৫০০ বিঘা মাটি এনেই পৰি আছে। গতিকে তাত অতি শীঘ্ৰে তাত প্লাষ্টিক উদ্যোগ কৰাত কিবা বাধা আছে, তেতিয়া হলে অন্য কিবা উদ্যোগ স্থাপন কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কাৰণ তাত ধুনীয়াকৈ সকলো ব্যৱস্থা কৰা আছে, একো অসুবিধা নাই তাতে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, গেলাপুখুৰীত যিখন আমাৰ প্লাষ্টিক পাৰ্ক আছে, সেই পাৰ্কখন প্ৰায় সম্পূৰ্ণ হৈছে। ৰাস্তাৰ কাম সম্পূৰ্ণ হৈছে, ইলেক্টিচিটিৰ কাম সম্পূৰ্ণ হৈছে। এইকাৰণে মুকলি কৰি ৰাখিছো যে কোনোবা যদি প্লাষ্টিক মেনুফেক্সাৰে বা প্লাষ্টিক উদ্যোগ তাত আহে তেতিয়া হলে তেওঁলোকক তাত মাটি দিম। কিছু পৰিমানে আমি মাটি দিছো। লগতে আমি মাজতে কিছুমান চেট বনাই দিছিলো, যেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলো মন্ত্ৰীকে কৈছিল যে বিভিন্ন বিভাগৰ ১০০ দিনৰ এটা Progress দিব লাগে, সেই Progress মতে আমি তাতে ১০,০০০ squar foot ৰ এটা চেলোবনাই দিছিলো, সেই হিচাবত আমি এতিয়া বহুত মানুহক কৈছো যে তাৰ পৰা প্লাষ্টিক লব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** কোনোবা পাইছেনে নাই তাত যোৱা মানুহ? তেখেতে সেইটোহে বিছাৰিছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৰৰী, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, তাতে আমি বহুত মানুহক কোৱাৰ পাচটো তেওঁলোকৰ এতিয়ালৈকে তাতে কিছু মানুহে মাটি লৈছে। কিন্তু উদ্যোগ এতিয়ালৈকে আৰম্ভ কৰা নাই। আমাৰ ভাৰতবৰ্ষৰ এটা প্লাষ্টিক কোম্পানী হৈছে স্কীপাৰ বুলি। 4th biggest Company in India গতিকে স্কীপাৰৰ যিজন মালিক বাঞ্চাল, বাঞ্চালক মই কৈছিলো যে তেওঁলোকে তিনিচুকীয়াত কৰা। আজি কালি আমাৰ বাহিৰৰ পৰা যি সকল উদ্যোগ পতি আহিছে তেওঁলোকৰ মনত এটা ভাব হৈছে যে, আমি গুৱাহাটীৰ ওচৰে পাজৰেই কৰো। আমি ইমান দুৰলৈকে নাযাওঁ তেনেকুৱা এটা কথা কৈছে। গতিকে আমি বাঞ্চালকো কৈছো তেওঁলোকৰ স্কীপাৰ এটা ডাঙৰ কোম্পানী, প্লাষ্টিকৰ তেওঁলোকে এটা ব্যৱস্থা কৰিব লাগে। তেখেত সকলে চিন্তা-চৰ্চা কৰি আছে। গতিকে ডাঙৰ প্লাষ্টিক উদ্যোগ তাতে কৰাৰ কাৰণে প্ৰচেষ্টা আমি অব্যাহত ৰাখিছো। কাৰণ তাত প্লাষ্টিক পাৰ্কখন কৰা হৈছে যেতিয়া তাত BCPL টো কাষতে আছে। BCPL য়ে Raw meterial produce কৰে, কাষতে প্লাষ্টিক উদ্যোগটো হলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। অতুল বৰা ডাঙৰীয়া।

**শ্ৰী অতুল বৰা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, advantage Assam ৰ কথাটো কওঁতে মই কব খুজিছো বিনিয়োগকাৰী বিচৰা হৈছে আহিব। উদ্যোগ হব, ল'ৰা-ছোৱালীয়ে চাকৰি পাব। কিন্তু বৰ্তমান যিবোৰ উদ্যোগ আছে অসমত, সেই বিলাক যে এটা এটাকৈ মৰিব ওলাইছে, তাক জীৱিত কৰাৰ কাৰণে, উদ্ধাৰ কৰাৰ কাৰণে উদ্যোগ বিভাগে কি ব্যৱস্থা হাতত লৈছে। যেনে ১নং মোৰ সমষ্টিৰ চন্দ্ৰপুৰ সাৰ কাৰখানাটো বিৰাত লাভজনক। সেইটোত ৫০ কোটি টকা দিলেই ৰিভাইভ কৰিব পাৰো। লাভজনক হয় আৰু ২০০-৪০০ ল'ৰা-ছোৱালীৰ তাতে চাকৰি হয় আৰু এটা মই কব খুজিছো। জাগিৰোড পেপাৰ মিলটো। এই মিলটো উদ্ধাৰ কৰাৰ কাৰণে কি চেষ্টা কৰিছে এইটো ইণ্ডাষ্ট্ৰি তাৰ সন্মুখত থকা যিটো স্পান মিল জাগীৰোডৰ সেইটো প্ৰায় মৃতপ্ৰায় অৱস্থা। মাটিখিনি যে দখল হৈ আছে ২ বিঘা, ৪বিঘা মাটি দখল কৰিব লাগি গৈছে মানুহে। সেইটো ইণ্ডাষ্ট্ৰিয়ে চাব লাগে।

এতিয়া চাহ কেঁচা চাহ বিক্রি কৰি পেলাইছে। চাহ খেতিয়ক সকলক Advantage Assam নাপাতি সেই পইচাৰে চাহ খেতিয়কক চাৰি পাঁচটা কলঘৰ কিয় বনাই নিদিলে। বনাই দিয়া হ'লে সিহঁতেটো মূল্য পালেহেঁতেন। সেইখিনিয়ে কথা, মোৰ বেলেগ কথা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় উদ্যোগ মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, চন্দ্ৰপুৰৰ যিটো সাৰ কাৰখানাৰ কথা কৈছে, Associate Industry সেইটো শ্ৰী অতুল বৰা ডাঙৰীয়াই বহুদিন আগতে কৈছে। কিন্তু সেই AIDC ৰ closer ত লৈ গৈছিলে কাৰণ সেইটো এটা লষ্ট মেকিঙত গৈছিল আৰু গুৱাহাটী ৰিফাইনেৰীৰ পৰা পোৱা যিখিনি কেঁচা সামগ্ৰী, সেইখিনি পৰ্য্যাপ্ত পৰিমাণৰ পোৱা হোৱা নাছিল আৰু তাতে salford H2So4 এনেকুৰা ধৰণৰ দুটা সাৰ তাতে প্ৰস্তুত কৰে Accociate Industry ত। সেই Industry ৰ প্ৰতি মোৰো আন্তৰিকতা আছে। গতিকে সেইটো closer ত দিয়াৰ পাছত closer ত দিব দিয়া নাই মই এতিয়া ৰাখিছোআৰু তাত অচলতে কেনেকুৰা ধৰণৰ কামখিনি কৰিব পৰা যাব এতিয়াও মই কথাখিনি বিচাৰ বিবেচনা কৰি আছো। দ্বিতীয় কথা হ'ল যে, Govt.Level ত যিবিলাক টিহু স্পিনিং মিল হওঁক, বৈটামাৰী স্পিনিং মিল হওঁক আৰু জাগিৰোডৰ স্পিনিং মিলৰ কথা কৈছে। এই মিলবোৰ কিয় বন্ধ হ'ল। বন্ধ হোৱাৰ কাৰণেটো জানিব লাগিব যে চৰকাৰী মিল কিয় বন্ধ হ'ল। বন্ধ হ'ল এই কাৰণেই যে, বঙাইগাওঁ ৰিফাইনেৰীয়ে ইয়াৰে কেঁচা সামগ্ৰী উৎপাদন কৰিছিল। কেঁচা সামগ্ৰী উৎপাদন কৰোতে বঙাইগাওঁৰ সেই ইউনিটটো চাট ডাউন হৈ গ'ল। চাট ডাউন হোৱাৰ লাগে লগে বৈতামাৰী, নৰাপাৰা, টিহু চিনটেক্স, জাপজাপ কুছি, জাগিৰোড এই গোটেইবিলাক মিল বন্ধ হৈ গ'ল। যিটো viscose produce কৰিছিল বঙাইগাওঁ ৰিফাইনেৰী তেওঁলোকৰ ইউনিটটো চাট ডাউন হোৱাৰ ৫ টা মিল চাট ডাউন হৈ গ'ল। গতিকে viscose টো আমি গুজৰাটৰ পৰা আনিব পাৰো, কিন্তু viscose টো গুজৰাটৰ পৰা আনি ইয়াত সূতা তৈয়াৰ কৰি চাৰ্ট এটা তৈয়াৰ কৰা যায়। সেইটো চাৰ্টত ইয়াত ১২ শ টকা পৰিব। কিন্তু একেই টাৰ্টটো গুজৰাটৰ পৰা আহিলে ৩০০-৩৫০ টকাত পায়। গতিকে সেইটো ভায়েবল নহয়। গতিকে এটা ইউনিট চাট ডাউন হোৱাৰ লগে লগে গোটেইকেইটা মিল বন্ধ হৈ গ'ল। কিন্তু মিল কেইটাও বন্ধ হৈছে আমি মিলকেইটা এৰি নিদিও। এতিয়া নোৱাপাৰাত যিটো মিল আছে, বঙাইগাওঁৰ যিবিলাক Textile Mill বন্ধ হৈ গ'ল তাতে আমি APL ৰ এটা ইউনিট কৰিম অলপতে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক আধাৰশিলা স্থাপন কৰাৰ কাৰণে অনুৰোধ কৰিছো। গতিকে আমি এই মিলবিলাক যদিও বন্ধ হৈ গৈছে। কিন্তু বন্ধ হলেও তাৰ মাটিখিনিত নতুনকৈ APL ৰ তৰফৰ পৰা আমি তাতে মিল এটা কৰাৰ ব্যৱস্থা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬৪। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুছেইন চিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন চিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই এখন পত্ৰত যোগেদি ব্যক্তিগত আৰু ৰাজহুৱা পুখুৰী গোটক হিতাধিকাৰী নিৰ্বাচিত কৰাৰ কাৰণে আমাৰ পৰমৰ্শ দিছিল। আজি প্ৰায় দুবছৰ হ'ল। আমি হিতাধিকাৰী সকলক নিৰ্বাচিত কৰি দিলো। কিন্তু আজিৰ তাৰিখলৈকে মোৰ সৰুক্ষেত্ৰীৰ কথা কৈছো। আজিৰ তাৰিখলৈকে ২ বছৰ হ'ল কোনো হিতাধিকীৰীয়ে এটকাও নাপালে। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক জনাইছো আৰু তেখেতক আহ্বান জনাইছো। দুবছৰ হ'ল সেই হিতাধিকাৰীসকলে টকাকিনি পাব নে

নাই, আৰু যদি পাব ২ বছৰ কিয় লাগিল। প্ৰত্যেক দিনে হিতাধিকাৰীয়ে আমাৰ ওচৰলৈ আহি সদায় সোধে, টকাখিনি পাব নে নাই? গতিকে সেই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই এটা স্পষ্ট উত্তৰ দিবলৈ আপোনাৰ জৰিয়তে আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো সচাঁ যে, আমি মাননীয় বিধায়ক বন্ধু সকলক জনাইছিলো যে, প্ৰতিটো সমষ্টি RIDF ৰ অধীনত কিছুমান ব্যক্তিগত পুখুৰী আৰু ৰাজহুৱা পুখুৰী দিম। দিয়াৰ পাছতে বহু ঠাইৰ পৰা মাননীয় বিধায়ক সকলে forwardingly পঠালো। পঠিওৱাতে কোনো কোনো বিধায়কে আগতে পঠালে। কোনোবাই পাছত পঠালে। এইবিলাক কথাও আছে। কিন্তু আজি উত্তৰত হয়তো দেখিছে, মই কথাতো কৈছো যে, এতিয়ালৈকে কোনো হিতাধিকাৰীয়ে টকা পোৱা নাই। এই কথাটো ক'লো। লগতে এই কথাটোও কৈছো যে, তেওঁলোকৰ selection list টো লগতে গাঠি দিছো। যদি তেওঁলোকক selection হৈছে। কথাটো হ'ল যে, এই হিতাধিকাৰীৰ টকাটো আগতে হয়তো এনেকৈ নগদ টকাটো দিয়াৰ ব্যৱস্থা আছিল। এতিয়া DBT System ত গৈ আছো। বিভিন্ন ঠাইত দেখিছো যে, তেওঁলোকৰ হয়তো বেংক একাউণ্ট নাই। বেংক একাউণ্ট কৰিব লগা হ'ল। কোনো ঠাইত তেওঁলোকে পাবলগীয়া এটা ইচ্ছা আছে কাৰণে মাটি নাই। কিন্তু এপ্লাই  কৰি দিলে। এইখিনি গোটেই চাৰ্ভে কৰি ফাইনেলাইজ কৰোতে অলপ সময় লাগিছে। এতিয়া final list হোৱাৰ পাছতে উত্তৰত কৈছো যে, ৯ হাজাৰতকৈ অধিক ব্যক্তিগত খণ্ডত তেওঁলোকে পাব আৰু প্ৰায় ১৮১১.৩৩ হেক্টৰ মাটি ব্যক্তিগত আৰু community tank ৰ জৰিয়তে কৰিবলৈ আছে। কথাটো হৈছে যে, টকাখিনি মজুত আছে। কিন্তু এতিয়া আমি দেৰি কৰিম কিয়নো যে, পূজা আহি আছে। পূজাৰ আগতে যদি পৰোক্ষভাৱে টকাটো দিও,তেনেহ'লে দুখীয়া মানুহে হয়তো কোনো কাৰণত তেওঁলোকে পইচাতো পাব। তেতিয়া তেওঁলোকে খৰচো কৰিব পাৰে এই কেইদিনমানৰ সেই কাৰণে দিয়া নাই। বৰষুণ দি আছে। বৰষুণতটো পুখুৰী খুণ্ডাৰ কামটো নহয়। আমি এই কাৰণে আশ্বস্থ কৰিব বিচাৰিছো। মাননীয় বিধায়ক  শ্ৰী জাকিৰ হুছেইন চিকদাৰ ডাঙৰীয়া  আৰু লগতে গোটেই সদনক যে এই টকাটো মজুত হৈ আছে আৰু মই ভাৱো পূজাৰ পাছতে তেওঁলোকে DVT ৰ জৰিয়তে তেওঁলোকৰ যি প্ৰাপ্য টকাখিনি পাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী জাকিৰ হুছেইন চিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পূজাৰ কাৰণে হিতাধিকাৰী সকলে টকাখিনি বেলেগ কাম খটুৱাব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইটো নক'ব। তেখেতে কৈছে টকাখিনি পূজাৰ পাছত অক্টোৱৰত মুকলি কৰি দিব। যদি সচাঁকৈ মুকলি কৰি দিয়ে, তেখেতে কোৱাতো যদি সত্য হয়, মই ভাৱো, আমাৰ purpose টো serve হৈছে।

**শ্ৰী জাকিৰ হুছেইন চিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে কেৱল মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। দুইবছৰ পাৰ হ'ল যাতে এই পূজাৰ পাছত আৰু এটা পূজা বাট চাব লগা নহয়। তাৰ কাৰণে কৈছো অধ্যক্ষ ডাঙৰীয়া, কিছুদিন আগত আমাৰ ৰাজ্যখনত ফৰমেলিনযুক্ত মাছক লৈ উত্তাল হৈ পৰিছিল। অসমত প্ৰত্যেকদিন যিমান মাছৰ চাহিদা সেই অনুপাতে আমাৰ ইয়াত মাছ উৎপাদন নহয়, বাহিৰৰ পৰা মাছ আনিব লাগে। কিন্তু মীন বিবাগে ৰাজ্যখনত যথেষ্ট বৰপেটা জিলা, মোৰ সৰুক্ষেত্ৰী সমষ্টি বা প্ৰায় প্ৰত্যেক কিছু জিলাত মৎস্য উৎপাদন কৰাৰ কাৰণে

আমাৰ গাওঁৰ মানুহখিনি যিসকলে মৎস্য উৎপাদনৰ লগত জৰিত তেওঁলোকে বহুত কষ্ট কৰি মৎস্য উৎপাদন কৰি আছে। কিন্তু আজিৰ তাৰিখ পৰ্য্যন্ত আঢ়ৈ বছৰ হ'ল মীন বিভাগে কেনেকৈ মৎস্য উৎপাদন বৃদ্ধি কৰিব পাৰে, বাহিৰৰ মাছ যাতে বন্ধ কৰি অসমত উৎপাদন কৰি অসমৰ চাহিদা আমি পুৰণ কৰিব পাৰো। সেইক্ষেত্ৰত আমি মীন বিভাগে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। এতিয়ালৈকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা নাই। মীন বিভাগৰ বিষয়া সকলে কেতিয়াও গাওঁলৈ নাযায়। মাছৰ ব্যৱসায়ৰ লগত যিসকললোক তেওঁলোকৰ লগত কোনো ধৰণৰ কথা নাপাতে, কেৱল কেতিয়াবা চৰকাৰী স্কীম আহিলে তেওঁলোকৰ ওচৰত যায়। গতিকে এইক্ষেত্ৰত আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাহৰীয়াক অনুৰোধ কৰিব বিচাৰিচো যে, অসমত মাছৰ উৎপাদন কৰি আমাৰ যিখিনি চাহিদা, সেই চাহিদাখিনি যাতে পূৰণ কৰাৰ ব্যৱস্থা মন্ত্ৰী ডাঙৰীয়াই কেনেকৈ কি কৰিব সদনত তাৰ এটা স্পষ্ট ব্যাখ্যা দিব লাগে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে যেনেকৈ কৈছে যে, দুবছৰ পাৰ হৈ গ'ল, মই তেওঁক অনুৰোধ কৰিম যে, চিঠিখন অলপ চাই, তেনেহ'লে দেখিব যে দুইবছৰ পৰা হৈ যোৱা নাই। প্ৰথম কথা। দ্বিতীয় কথা হ'ল যে, আপুনি কৈছে ফৰ্মেলিনযুক্ত মাছৰ কথা। মীন বিভাগৰ দায়িত্বৰ আছো, কিন্তু মাছ বিলাক যে, আহে সেই মাছবিলাক আমাৰ বিভাগে নিয়ন্ত্ৰন নকৰে। যিকোনো ব্যৱসায়ীয়ে মাছ বাহিৰৰ পৰা আনে আৰু অনাৰ পাছতে এই মাছৰ ফৰ্মেলিন আছে নে নাই, সেইটো চোৱাৰ দায়িত্ব মোৰ নহয়। সেই স্বাস্থ্য বিভাগৰ হয়। স্বাস্থ্যবিভাগত কেইদিনমান আগতে দেখিছে. , আমি Health department ৰ লগত যোগাযোগ কৰিছো। হেলথে কিছুমান ঠাইত formalin পাইছে। তাৰ ফলত ১০ দিনৰ কাৰণে বাহিৰৰ পৰা মাছ অহা বন্ধ কৰা হৈছিল । কিন্তু মাছ অহা বন্ধ হোৱাৰ ফলত মাছ খাবলৈ নোপোৱা অৱস্থা হোৱা নাছিল। প্ৰতিখন ঠাইত মাছ পোৱা গৈছিল হয়তো ঠাইবিশেষে দামৰ অলপ তাৰতম্য হয়তো হৈছিল। আমাৰ স্থানীয়ভাবে মাছৰ উৎপাদন নোহোৱাহেতেঁন সেইখিনি সময়ত মাছ পোৱা নগ'লহেতেঁন। তৃতীয় কথাটো আপুনি কৈছে যে, আমাৰ চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় এই সদনত মই মাননীয় বিধায়ক গৰাকীক এটা কথা সুধিব বিচাৰিছো। লগতে আমাৰ ১২৬ গৰাকী সন্মানীয় বিধায়ক আছে। RIDF Loan ৰ বাবে আমি চেষ্টা চলাইছো যাতে আমি প্ৰায় ৯হাজাৰ পুখুৰী নিৰ্মাণ কৰিব পাৰো। এই দুবছৰৰ ভিতৰত blue revolution ৰ জৰিয়তে আপোনালোকে স্বীকাৰ কৰিব যে প্ৰতিটো সমষ্টিত ১০-১২ টাকৈ কাম হৈছে আপোনালোকৰ জৰিয়তে। পুখুৰী খান্দি মাছৰ উৎপাদন হৈছে আৰু আমি লাহে লাহে আগবাঢ়ি গৈ আছো। গতিকে চৰকাৰে যে আঢ়ৈ বছৰ বহি থাকিল এনেকুৱা নহয়। আঢ়ৈ বছৰ আগতে মাছৰ যি উৎপাদন আছিল এতিয়া অসমত মাছৰ উৎপাদন বাঢ়িছে। আৰু আহিব লগা দিনবিলাকত আমি মাছ উৎপাদনত স্বাৱলম্বী হ'বলৈ গৈ আছো। এই কথাটো আমি আপোনাৰ জৰিয়তে জনালো।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** ডাঃ নোমল মোমিন .....

**ডাঃনোমল মোমিন ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। ২০১৬-১৭ চনত যি ১৬ টা ফিচাৰী দিছিলে আজিৰ দিনত ডেৰ কি.জিকৈ মাছৰ উৎপাদন হৈছে আমাৰ সমষ্টিত । এইটো এটা ভাল কথা । আৰু এটা কথা হ'ল আমাৰ তাত যিটো comunity fisharies দিছিলে , তাৰে আধা কাম কৰি নলবাৰী এজন ঠিকাদাৰে বিল উলিয়াবলৈ চেষ্টা কৰিছে। গতিকে technical expart পঠিয়াই কাম ভালকৈ হৈছেনে নাই চাই মেলি বিল দিয়াৰ ব্যৱস্থা কৰি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্রীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, মীন, বন ইত্যাদি ঃ** মাননীয় বিধায়ক ডাঙৰীয়াই যিটো কথা কৈছে যদি কমিউনিটি পুখুৰীৰ কাম আধা কৰি বিল উলিয়াবলৈ চেষ্টা কৰিছে আমি চালি জাৰি চাম । এতিয়ালৈকে বিল দিয়া হোৱা নাই। পুখুৰী সম্পূৰ্ণ হোৱাৰ পিছতহে বিল দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম ......

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন সমষ্টিত RIDF Scheme ৰ ওপৰত যিটো লিষ্ট দিয়া হৈছে আমি দেখিছো যিবিলাক সমষ্টিৰ এৰিয়াত বেছি মাছৰ উৎপাদন হয় বা পানীৰ এৰিয়া আছে বা Hills District আছে তাত মাছৰ উৎপাদন অনুযায়ী পুঁজি দিয়াটো ভাল । RIDF ৰ Scheme বিলাক implement কৰোতে মৎস মিত্ৰসকলৰ চাকৰী ৰেগুলাৰ নোহোৱা বাবে problem হৈ আছে। মৎস মিত্ৰ সকলৰ চাকৰী ৰেগুলাৰ কৰিলে মই ভাবো আঁচনি ৰূপায়ণৰ কাৰনে ভাল হ'ব । গতিকে কিমান দিনৰ ভিতৰত কৰিব পাৰিব জনালে ভাল পাম।

**শ্ৰীপৰিমল শুক্লবৈদ্য , মীন ইত্যাদি ঃ** গোটেই অসমত মৎস উৎপাদনৰ বাবে এখন ভাল ঠাই হ'ব পাৰে। আমাৰ ইয়াত পানী আছে। ৰেদাৰটোৰে ফেভাৰ কৰে। মাটিও আছে, মানুহো আছে। গতিকে য'ত বা যিটো সমষ্টিত মাছ বেছি উৎপাদন তাত বেছিকৈ পুঁজি দিব লাগে এনেকুৱা কোনো কথা নহয়। প্ৰতিখন ঠাই যদি আমি মাছ উৎপাদনৰ ব্যৱস্থা নকৰো তেন্তে আমি স্থানীয় চাহিদা মিট আপ কৰিব নোৱাৰিম। আৰু মৎস মিত্ৰক কথাটো আপুনি কৈছে। হয় মৎস মিত্ৰসকলক কনট্ৰেকটুৱেল বেচিচত দিয়া আছে তেওলোকে মৎসমিত্ৰ হিচাপে যোগাযোগ কৰে । আমাৰ চৰকাৰ অহাৰ পিছত এজনকৈ field officer প্ৰতিটো সমষ্টিত আমি দিছো। ৯০০০ পুখুৰীৰ suggestion আপোনালোকে দিলে । এতিয়া field officer গৈ survey কৰিব লাগিছিল প্ৰতিটো সমষ্টিত যাব লাগিছিল। আপোনালোকে মাছৰ কথাটো হয়তো আপোনালোকে গুৰুত্ব নিদিয়ে বা তেওলোকেও গৈ নাপায় কিন্তু কাম চলি আছে । মই ভাবো কাম যদি চলি থাকে মাছৰ ক্ষেত্ৰত আমি এদিন স্বাৱলম্বী হ'ব পাৰিম ।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলি আহমেদ ।

**শ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয় ।মন্ত্ৰী দিয়া তথ্যমতে যিখিনি কথা কৈছে । আমাৰ ব্যাক্তিগত পুখুৰী গোটেই অসমতে ৯০২৬ টা আৰু কমিউনিটি ফিচাৰী ৩৬৮ টা । এইটো নিশ্চয় আমাৰ মৎস উৎপাদনৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ এই চৰকাৰে লৈছে তাৰ কাৰনে মই প্ৰথমে ধন্যবাদ জনাইছো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি LAC wise যদি আবন্টনটো চাওঁ মই ৪ টা উদাহৰণ দিছো। ধেমাজী -১০২, ধলাই-১৫৩, চিদলী-১৫৬, কমলপুৰ-১২০, সৰু পথাৰ -১৫৬, নৰ্থ অভয়াপুৰ-৪২, বাঘবৰ-৪৬, কমিউনিটি ফিচাৰীৰ ক্ষেত্ৰত- তেজপুৰ-১২,বৰচলা-১৩, জনীয়া -১, বাঘবৰ-২টা এতিয়া কথা হ'ল এই চৰকাৰখনে চব্‌কা চাথ চব্‌কা বিকাশৰ কথা কয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে টীম আচামৰ কথা কয়। গতিকে এই বৈশাদৃশ্য কিয় দেখিবলৈ পাইছো। উত্তৰ দিলে ভাল হয় ছাৰ ।discrimination কিয় হৈছে।

( শাসকীয় দলৰ ফালৰ পৰা হুলস্থুল, কটাক্ষ )

**মাননীয় সদস্য ঃ** Not required , Iam telling you not required। question no -৬৫ । কোনো discrimination ৰ কথা নহয়।---- প্লিছ-- বহক, বহক । it doesn't mean। বহক। আপুনি গৈ কথাটো শুধি ল'ব।

**শ্ৰীৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়। উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

উৎপল দত্ত ঃ অধ্যক্ষ ডাঙৰীয়া , মোৰ প্ৰশ্নৰ উত্তৰ পাইছো। (ক) নম্বৰ উত্তৰত কৈছে যে, নিৰ্মীয়মান

অৱস্থাত ১২৯৮ খন আঁচনি আছে। লক্ষিমপুৰত ৩০ খন আঁচনি নিৰ্মীয়মান অৱস্থাত আছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, এটা আঁচনি অনুমোদন দিলে সেই আচনিটো কেই বছৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগে? এই আঁচনিখিনি- লক্ষিমপুৰত ৩০ টা আঁচনি আঢ়ৈ বছৰ আগতে দিছে। চেংশ্যন দিছে, টেণ্ডাৰ দিছে। কাম start দিছে। আজি আঢ়ৈ বছৰলৈ কাম সম্পূৰ্ণ হোৱা নাই আৰু হয়তো ৬-৭ বছৰলৈ আৰু সম্পূৰ্ণ নহ'ব । এটা আঁচনি অনুমোদন দিয়াৰ পিচত কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিবলৈ বিচাৰিম। লগতে লক্ষিমপুৰৰ ৩০ খন নিৰ্মীয়মান অৱস্থাত থকা আঁচনি কেতিয়া সম্পূৰ্ণ কৰিব মন্ত্ৰী ডাঙৰীয়াই সদনত এটা স্পষ্ট উত্তৰ দিলে সুখী হ'ম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰীৰিহণ দৈমাৰী , মন্ত্ৰী ,জনস্বাস্থ্য কাৰিকৰী ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, আমাৰ আঁচনি এখন অৰ্ডাৰ দিয়াৰ পিচত কেতিয়া সম্পূৰ্ণ হ'ব সেইটো আঁচনিৰ ডাঙৰ- সৰুৰ ওপৰত নিৰ্ভৰ কৰে। কিছু ডাঙৰ আঁচনি ৩ বছৰলৈ থাকে আৰু সৰু হ'লে সময়টো কম হ'ব। লক্ষিমপুৰ জিলাত ৩০ খন আঁচনি নিৰ্মীয়মান অৱস্থাত আছে। কোনটো আঁচনি কি অৱস্থাত আছে এই মুহুৰ্ত্তত মই আপোনাক দিব নোৱাৰিম। যদি আপোনাক প্ৰয়োজন হয় মই সেই তথ্য সোনকালে দিয়াৰ ব্যৱস্থা কৰিম। যিবিলাক নিৰ্মিয়মান আঁচনি আছে সেইখিনি সম্পূৰ্ণ কৰাৰ বাবে আমি চেষ্টা কৰিছো। আমাৰ এটা সমস্যা হৈছে - যোৱা চৰকাৰৰ দিনত প্ৰায় ১৪০০তকৈ অধক আঁচনি অসমৰ বিভিন্ন ঠাইত লোৱা হৈছিল । ইয়াৰে প্ৰায়খিনি আঁচনি সম্পূৰ্ণ হোৱা নাই। কিছুমান এতিয়া জিৰো পাৰ্চেন্ট হৈ আছে, কিছু ২০ পাৰ্চেন্টৰ তলত আছে, কিছু ৪০ পাৰ্চেন্ট বা ৫০পাৰ্চেন্ট তেনে অৱস্থাত আছে। এটা সমস্যাটো হৈছে ছাৰ, কেন্দ্ৰীয় চৰকাৰৰ নতুন নীতি নিৰ্দ্দেশনামতে যিবিলাক আঁচনি ২৫ পাৰ্চেন্টৰ তলত আছে সেইবিলাক abandoned কৰিবলৈ আমাক কৈছে আৰু যিবিলাক আঁচনি ৭৫ পাৰ্চেন্টৰ ওপৰত হৈছে সেইবিলাক আঁচনিত আমি পেমেন্ট কৰিব পাৰো। এতিয়া এনেকুৱাধৰনৰ আঁচনিবিলাক লোৱা হৈছিলে আৰু এনেকুৱাধৰনৰ contractor লোৱা হৈছিলে এতিয়া এই কনট্ৰেক্টৰসকলে কাম নকৰে কাৰণ তেওঁলোকে সময়মতে বিলবিলাক নাপালে। গতিকে এনেধৰনৰ সমস্যাৰ সন্মুখীন আমি হৈছো। আৰু যিবিলাক ২০ পাৰ্চেন্টৰ তলত প্ৰগ্ৰেছ হৈছে সেই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আমাক কৈছে যে এবানগুনড কৰিব লাগে কিন্তু অধ্যক্ষ মহোদয় সেইটো আমি abandoned কৰিব নোৱাৰো কাৰণ Scheme টো লোৱাৰ লগে লগে তেওলোকে pipeটো লগে লগে লৈ লৈছে। pipeৰ against payment হৈছে গতিকে আমি এবাণ্ডনড কৰিব নোৱাৰো। সেয়েহে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো যাতে এইটো আমাকconsider কৰে আৰু বাকী যিখিনি অলপ progess হৈছে সেইটো সোনকালে সম্পূৰ্ণ কৰিবৰ কাৰণে আমি চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী উৎপল দত্ত ঃ** এতিয়া কি সিদ্ধান্ত হ'ল মন্ত্ৰীয়ে জানিব যে মোৰতাত যিকেইটা আঁচনি, তাৰে আধাও হোৱা নাই। কৰবাত ৩০ শতাংশ হৈছে, ৪০ শতাংশ হৈছে, তাত আকৌ আইৰণ যুক্ত পানী, মানুহৰ যথেষ্ট অসুবিধা হৈছে। মই ভাৱো তেখেতে নিশ্চয় লক্ষীমপুৰৰ আঁচনিকেইটাৰ ক্ষেত্ৰত এটা বিশেষ পদক্ষেপ ল'ব। দ্বিতীয়তে, মই এটা কথা জানিব বিচাৰিছো, লক্ষীমপুৰত ১৯৮ খন আঁচনি আছে, তাৰে ১১২ খন আঁচনি চলি আৰু ৫৬ খন আঁচনি বন্ধ হৈ আছে আৰু যি ১১২ খন আঁচনি কাৰ্য্যক্ষম হৈ আছে বুলি কৈছে, তাতো কৰোবাত ১২ টা টেপৰ ঠাইত ৫ টা টেপত পানী ওলাইছে,

কৰবাত ৩ টা টেপত পানী ওলাইছে, পাইপ বেয়া হৈ আছে। অলপ দিনৰ আগত যোৱাবাৰ আপুনি আমাক ৩৪ লাখ দিছিল, মই ৬ টা আঁচনি নিৰ্মাণ কৰিবলৈ দিলো, আজি কেইদিনমানৰ আগত সেইখিনিও ফাতিলে। যে সেই ৬ টা আঁচনি ৩৪ লাখ টকাৰ কামখিনিও সম্পূৰ্ণ হৈ উঠা নাই। কৰি আছে, কৰি আছো বুলি কৈ আছে। আকৌ এবাৰ আপুনি ৫০ লাখ টকা দিছে। মই মন্ত্ৰী ডাঙৰীয়াক এটা কথা অনুৰোধ কৰিছো Public Health বিভাগৰ দায়িত্বত তেখেত আছে, তেখেতে sanitation ৰ ওপৰত যিমান জোৰ দিছে, খোৱা পানীৰ ক্ষেত্ৰতো সম পৰিমাণৰ জোৰ যদি দিয়ে, মই ভাৱো ৰাইজৰ খোৱা পানীৰ provision আছে এই ক্ষেত্ৰত তেখেতে এটা ব্যৱস্থা লব লাগে আৰু যিবিলাক এৰিয়াত পানী নাই, খোৱা পানীৰ অভাৱ তাত নতুনকৈ পাইপ পানী যোগান আঁচনি নিদি কিছু Tubwell দিয়াৰ ব্যৱস্থা কৰিব নেকি ? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি যিখিনি আঁচনি নিৰ্মাণৰত অৱস্থাত আছে, বিশেষকৈ লক্ষীমপুৰত ৩০ খন আঁচনিৰ নিৰ্মাণৰ অৱস্থাত আছে, সেইটো কি পৰ্য্যায়ত আছে মই চাম আৰু সোনকালে সেইটো সম্পূৰ্ণ কৰাৰ কাৰণে আমি ব্যৱস্থা লম। ইতিমধ্যে ১১২ খন আঁচনি কাৰ্য্যক্ষম হৈ আছে। অধ্যক্ষ ডাঙৰীয়া, আমি স্বীকাৰ কৰিছো যে কিছুমান আঁচনিত যিমানখিনি পানী দিব লাগে সিমানখিনি পানী আমি দিব পৰা নাই। কথাটো সত্য। আমি চেষ্টা কৰিছো, আঁচনি খনৰ কাৰণে যিমানখিনি পানী দিব লাগে সেইখিনি দিবৰ কাৰণে আমি চেষ্টা কৰিছো আৰু যোৱা বিত্তীয় বৰ্ষত প্ৰতিটো বিধান সভা সমষ্টিত আমি ৩৪ লাখ টকাকৈ বিকল হৈ থকা আঁচনিবোৰ মেৰামতি কৰিবৰ কাৰণে আমি লৈছিলো। বিভিন্ন কাৰণত কিছুমান সমষ্টিত এতিয়ালৈকে আমি সম্পূৰ্ণ কৰিব পৰা নাই, এতিয়াও নিৰ্মাণৰ অৱস্থাত আছে। কিছুমান বিধায়কে বহুত পলমকৈ দিছে, বাৰিষা আহিল সেইকাৰণে আমি কৰিব নোৱাৰিলো। এতিয়া কামবিলাক সম্পূৰ্ণ fullswing ত চলি আছে। আমি লক্ষ্য এটা নিৰ্ধাৰণ কৰিছো, অহা ডিচেম্বৰ মাহৰ ভিতৰত এই বিকল আঁচনিবোৰ, যোৱা বিত্তীয় বৰ্ষত আমি যিখিনি দিছিলো অহা ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। এইটো বিত্তীয় বৰ্ষত এই বিকল হৈ থকা আঁচনি সমূহ মেৰামতি কৰিবৰ কাৰণে প্ৰতিটো বিধান সভা সমষ্টিত ৫০ লাখ টকাকৈ এইবাৰ নিৰ্ধাৰণ কৰা হৈছে। মই ভাৱো আমাৰ বিধায়ক সকলে তেওঁলোকৰ নিজৰ নিজৰ সমষ্টিত যি আঁচনিৰ priority, য'ত খোৱা পানীৰ সমস্যা আছে সেইবিলাক আঁচনি তেওঁলোকে হয়তো দি দিব। আৰু যিবিলাক অঞ্চলত খোৱা পানীৰ ব্যৱস্থা নাই, তাত আমি চেষ্টা কৰিছো কিন্তু আমাৰ অলপ পুঁজিৰ সমস্যা হৈছে, সেইকাৰণে আমি ভাৱিছিলো আৰু বহুত বিধায়কে মোক অনুৰোধ কৰিছিল যে অন্ততঃ এটা দমকল আমাক দি দিয়ক। আমি চেষ্টা কৰিছো আৰু যদি পুঁজিৰ আৱন্টন আমি পাওঁ তেতিয়াহলে দমকল দিয়াৰ ব্যৱস্থা আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পানীৰ যোগান আঁচনিৰ অচল হোৱাৰ যিটো কথা, এইটো চাৰ বহুত পুৰণা কথা আৰু ইয়াৰ এটা ডাঙৰ।

**মাননীয় অধ্যক্ষ ঃ** অলপ short, কমকৈ লৈ কওঁক। কাৰণ মই দেখিছো আজিও ৪ টা, ৫ টা মাত্ৰ গলো। Question.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** কাৰেন্ট আৰু ৰাস্তা সম্পৰ্কে চাৰ, সৰ্বসাধাৰণ মানুহ যিমান সজাগ, এই পানীযোগান আঁচনিৰ বাবে সিমান সজাগ নহয়। এইটো মোৰ ব্যক্তিগত অভিজ্ঞতাৰ ফালৰ পৰা কৈছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। প্ৰশ্নটো।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** প্ৰশ্নটো কৈ আছো। গতিকে চাৰ, কাৰেণ্ট যেনেকৈ মানুহৰ ঘৰে ঘৰে সংযোগ কৰাৰ কাৰণে চৰকাৰে আঁচনি লৈছে, পানীটো যদি মানুহৰ ঘৰে ঘৰে সংযোগ কৰা আঁচনি লয় তেতিয়াহে চাৰ আঁচনিবোৰ কাৰ্য্যক্ষম হ'ব। তেনেকুৱা এটা প্ৰশ্ন মই Unstarredত আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই। Please, Put the question. ঘৰে ঘৰে দিয়াৰ বাবে ব্যৱস্থা লোৱাটো উচিত, ঠিক আছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** চাৰ, মোৰ শেষ হোৱা নাই, আধা মিনিট লাগিব। ইয়াত এটা প্ৰশ্নত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ ঠিকে দিছে। ১২৪৮১৮ টা ঘৰত পানীৰ সংযোগ তেওঁলোকে দিছে ঘৰে ঘৰে আৰু নাওঁবৈচা সমষ্টিত মাত্ৰ ১৩৩ টা। কম হৈছে নে বেছি হৈছে মই মাননীয় মন্ত্ৰীলৈ এৰিলো। গতিকে আপোনাক অনুৰোধ কৰিছো এই আঁচনিটো widely spread কৰে, তেতিয়াহে আঁচনি বিলাক কাৰ্য্যক্ষম হ'ব বুলি মোৰ বিশ্বাস। এইখিনিয়ে মোৰ কবলগীয়া।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য ডাঙৰীয়াই যিটো প্ৰস্তাৱ আগবঢ়াইছে, House connectionৰ কথা। ইতিমধ্যে সেইটোৰ আমি ব্যৱস্থা লৈছো। অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ যোগেদি আজি এই পবিত্ৰ সদনত আমাৰ বিধায়ক সকলক অনুৰোধ কৰিব বিচাৰিছো যদি এই আঁচনিবোৰ আমি কাৰ্য্যক্ষম কৰি ৰাখিব লাগে তেতিয়াহলে প্ৰতিটো আঁচনিত আমি user কমিটি গঠন কৰিব লাগে। সেই কাৰণে সন্মানীয় সদস্য সকলে তেওঁলোকৰ নিজৰ নিজৰ সমষ্টিৰ আঁচনি বিলাকত user কমিটি গঠন কৰাৰ কাৰণে ব্যৱস্থা লব লাগে আৰু প্ৰতিটো আঁচনি যাতে House connection কৰি দিব পাৰো সেই বাবে user কমিটি গঠন কৰিব লাগিব। এই ক্ষেত্ৰত যদি আমাৰ বিধায়ক সকলে অলপ সহযোগ কৰে মই ভাৱো আমি প্ৰতিটো ঘৰে ঘৰে House connection কৰি দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কৈছে, যে যোৱা বছৰ আমাৰ যিটো ৩৪ লাখ টকা দিছিল, সেই ৩৪ লাখ টকাৰ আমাক অনুমোদনো দিলে তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ দিলো আৰু ইতিমধ্যে মোৰ সমষ্টিত কাম কৰা শেষ হ'ল। কিন্তু ঠিকাদাৰ সকলে এতিয়া পেমেন্ট পোৱা নাই। পেমেন্ট দিয়াত ইমান delay হ'লে আজি ৪ মাহ, ৫ মাহ আগত কাম কৰিছে, সেই কাম কৰা শেষ হ'ল কিয় পোৱা নাই সেই ব্যৱস্থাটো কৰিব লাগে। এইবাৰ ৫০ লাখ টকা দিয়াৰ কাৰণে ধন্যবাদ জনাইছো, কিন্তু লগতে পেমেন্টবিলাক সোনকালে release কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, পেমেন্ট কিছুমান divisionত দিবৰ কাৰণে আমি ইতিমধ্যে সক্ষম হৈছো আৰু কিছুমান divisionনে যথেষ্টপলমকৈ আহিছে আৰু এতিয়া আমাৰ বিত্ত বিভাগৰ নতুন নীতি নিৰ্দেশনা হোৱাৰ হেতুকে পেমেন্ট দিওতে যথেষ্ট পলম হৈছে, আমি সেইটো স্বীকাৰ কৰিছো। কিন্তু এতিয়া সম্পূৰ্ণ প্ৰক্ৰিয়াটো চলি আছে। সেইকাৰণে মই আশা কৰিছো খুব সোনকালে পেমেন্টবিলাক আমি দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীসত্যব্ৰত কলিতা। একদম Brief, I went to the next queastion atleast.

**শ্ৰীসত্যব্ৰত কলিতা ঃ** অধ্যক্ষ মহোদয়, ষ্টাৰ প্ৰশ্ন ৮০ নম্বৰত মোৰ এটা প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** Please, Put the question.

**শ্ৰীসত্যব্ৰত কলিতা ঃ** ইয়াত মোৰ লিখা আছে যে ১১৮ টা মোৰ তাত আঁচনি আছে, তাৰ ভিতৰত ৯৮ টা আঁচনি বৰ্তমান কাৰ্য্যাক্ষম হৈ আছে আৰু ৩৬ টা আঁচনি এতিয়া বিকল হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন।

**শ্ৰীসত্যব্ৰত কলিতা ঃ** প্ৰশ্নটো হ'ল, যে এই বিকল আঁচনিৰ যোৱাবাৰৰ কাৰণে পইচা দিয়া হৈছিলে, যদি আমি ৩৬ টা ভাল কৰিব লাগে ১ লাখকৈ টকা দিয়া যায়। গতিকে সেইটো সম্ভৱপৰ হৈ নুঠেগৈ আৰু আমাৰ শ্ৰীউৎপল দত্ত ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিলে যে এই ৫০ লাখ যে টকা দিছে, যি অঞ্চলত একেবাৰে খোৱা পানী নাই, মোৰ এটা পঞ্চায়তত একেবাৰে খোৱা পানী নাই তাত আমি ৫০ লক্ষৰ পৰা কিছুসংখ্যক Tubwell দিব পাৰো নেকি? যিহেতু আপোনালোকে ৫০ লাখকৈ টকা দিছে।

**মাননীয় অধ্যক্ষ ঃ** He will examine it. Next question 66, Nizanur Rahman.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** চাৰ, চাৰ এক মিনিট। বিৰোধীক আজি দিয়াই নাই sir, supplementory।

**মাননীয় অধ্যক্ষ ঃ** Please, please, don't say on this stage, I am trying to very much accommodation, Please, please, don't shout. বিৰোধীক দিয়া নাই, Please, তেনেকৈ কথা নকব। Nizanur Rahman. Minister Please.

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ supplementory এটা কৰক।

**শ্ৰীনিজানুৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধুবুৰী জিলাত চড়াঘাট আৰু শ'লমাৰীত মহল এতিয়ালৈকে বন্ধ হৈ আছে। এইটো কিমান দিনৰ ভিতৰত মহলটো চালু কৰা হ'ব, এইটো এক নম্বৰ, দুই নম্বৰত এটা মোৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে, এজন মানুহৰ নামত Permit দিয়া নাই। আমাৰ ধুবুৰী জিলাৰ উন্নতিৰ ক্ষেত্ৰত গোটেই কাম কাজ বিলাক স্থবিৰ হৈ গৈছে, শিল-বালি যথেষ্ট নথকাৰ বাবে আৰু মহলৰ বাবে এজন মানুহৰ নামত Permit দি থকা হৈছে আৰু উন্নতিৰ কামৰ বাবে আমি যদি DFOৰ ওচৰত শিল-বালিৰ কাৰণে আৱেদন দিওঁ তেতিয়া মহল চালু নথকাৰ উজুহাত দেখুৱাই তাত আমাৰ আৱেদন বিলাক reject কৰি দিয়া হয়। গতিকে এজন মানুহৰ নামত Permit দিয়াৰ কাৰণে monopoly ভাৱে দাম বঢ়াই আমাৰ মানুহখিনিৰ উন্নতিৰ কামত এটা জটিলতাৰ সৃষ্টি কৰিছে। এইখিনিৰ মই স্পষ্টতা বিচাৰিছো মন্ত্ৰী মহোদয়ৰ পৰা।

**মাননীয় অধ্যক্ষ ঃ** Please.

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় দুটা মহল বন্ধ হৈ আছে আৰু আমি এইটো আমাৰ মাননীয় বিধায়ক ডাঙৰীয়া ক জনাইছো যে কি কাৰণে বন্ধ হৈছে। আমাৰ মহামান্য উচ্চ ন্যায়ালয়ত দুটা গোচৰ চলিছিল ২০০৯ চনত। আমি গোটেইখিনি তথ্য আপোনাক দিছো, আপুনি চাব পাৰে। গতিকে সেই কাৰণে বন্ধ আছিল কিন্তু অলপতে মহামান্য ন্যায়লয়ে আমাক এটা অনুমতি দিছিল, যে আমি এইটো Settle কৰিব লাগে। সেই কাৰণে যোৱা ১৫ তাৰিখ আমি দুটা মহল আমাৰ BTC ৰ কৰ্তৃপক্ষই তেওঁলোকে কৰিব আৰু দুটা ধুবুৰী জিলাই কৰিব সেই কাৰণে আমাৰ বিভাগৰ ফালৰ পৰা Already order দিয়া আছে। Order ৰ Copy ইয়াত গাঠি দিয়া আছে, মই ভাবো অতি সোনকালে এই ৪টা মহল প্ৰকৃয়া গত ভাবে আমি কৰি দিম ।

**माननीय अध्यक्ष ঃ** Point of order সুধিছো বেলেগ কথা নকব।

**ডঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Star Question 68 Number ত তাত প্ৰশ্ন কৰা হৈছিল তাত যি বিলাক সুৰাৰ দোকান মোৰ সমষ্টিত চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ মতে ৫০০ মিটাৰ National Highway লৈ যাব লাগে। তাত ৮ টা সুৰাৰ দোকান লৈ যোৱাৰ পিছত আকৌ পুনৰবাৰ যেতিয়া চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ release কৰিলে নতুনকৈ তেখেত সকলে Permission নলোৱাকৈ আকৌ পুৰণা Wine shops বোৰ খোলা আৰম্ভ কৰিলে।

**माननीय अध्यक्ष ঃ** আপোনাৰ Question টোত কিবা Problem আছে যদি কওঁক।

**ডঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত Question ৰ উত্তৰটো আছে, State Subject যিটো Permission দিয়ে, তাতে Deputy Commissioner ৰ অৰ্ডাৰটো লিখিছে State Govt. কোনো reference নাই।

**माननीय अध्यक्ष ঃ** 68 ৰ কোনটো Part A, B , C & D.

**ডঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, C ।

**माननीय अध्यक्ष ঃ** আপুনি যিটো কথা ক'লে বিসংগতিটো মোক এখন কাগজ দিব।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question Number 169 এই প্ৰশ্নটো কেইবাৰো মই বিধান সভাৰ মজিয়াত আনিলো।

**माननीय अध्यक्ष ঃ** আপোনাৰ Point of order টো কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যি ধৰণৰ প্ৰশ্নৰ উত্তৰ দিয়া হৈছে, Industryটো নহোৱাৰ কাৰণে ইমান দিনে দুখত আছিলো, আজি আৰু আছলতে গভীৰ দুখ পালো আমি । সেই কাৰণে আপুনি ক উত্তৰৰ ২ নম্বৰ লাইনটো অকমান চাব।

**माननीय अध्यक्ष ঃ** আপুনি উত্তৰটো শুদ্ধ পাইছে নে অশুদ্ধ পাইছে মোক সেইটো কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভুল তথ্য পাইছো। মই (ক) দুই নম্বৰ লাইনটো পঢ়ি দিছো, অত্যাধিক বৰষুণ আৰু বানপানীৰ ফলত প্ৰকল্প ক্ষেত্ৰলৈ যোৱা পথ আৰু দলং নিৰ্মাণত অসুবিধাৰ বাবে SAIL ১৯৯৯ চনত প্ৰকল্পটোৰ কাম পুনৰীক্ষণৰ ব্যৱস্থা কৰে। তাত এখন প্ৰকাণ্ড দলং উলমি আছে, কোনো কাৰণত কমলপুৰ সমষ্টিত এনেকুৱা ৰাস্তা বা ঠাই নাই য'ত বানপানীৰ কাৰণে আৰু দলং নাই। দ্বিতীয়তে, SAIL কেন্দ্ৰীয় চৰকাৰৰ তীখা মন্ত্ৰনালয়ৰ অধিনস্থ এটি প্ৰতিষ্ঠান, সেয়ে অসম চৰকাৰৰ ইয়াৰ অগ্ৰগতিৰ বাবে কৰণীয় নাই।

**माननीय अध्यक्ष ঃ** আপোনাৰ প্ৰত্যকটো Point ত কোন কেইটা কথা অশুদ্ধ তথ্য পাইছে, মোক এখন পেজত লিখি মোক দি দিব, মোলৈ কোনো Formal Address কৰিব নালাগে। এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Starred Question No. 63 ত ইয়াত Annexure ১,২,৩ আৰু ৪ চিডি হিচাপে দিছে। আমাৰ Assembly টো এতিয়াও Digital হোৱা নাই। আমি কেনেকৈ চাম চাৰ।

**माननीय अध्यक्ष ঃ** In this table you can get it.

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, I wrote to the Principal Secretary about this matter.

**माननीय अध्यक्ष ঃ** I am telling you lots of Annexure which are bulky, those have been not provided to the members but a copy was made

avilable, any interested mambers after comming to this Assembly, you can check it & you can gate a copy of that.I am telling you get you come to my office, I am explain you about this.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয়। মই সুধিছিলো এই যে আমাৰ Brand Ambassador প্ৰিয়ংকা চপ্ৰা যিটো চুক্তি হৈছিল, চুক্তিৰ কপি ক'ত?

**মাননীয় অধ্যক্ষ** ঃ কোনটো Question।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয় ২১।

**মাননীয় অধ্যক্ষ** ঃ আজিৰটো এইটো Question নহয়।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ** ঃ নহয় চাৰ।

**মাননীয় অধ্যক্ষ** ঃ আগৰটো নকব, আগৰটো মোক দি দিব। What is your Point of Order ?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৬১ নম্বৰ এটা তৰাবিহীন প্ৰশ্নত চাৰি বছৰত বহি ঃৰাজ্যলৈ কিমান টকা উলাই যায়। ইয়াত দিছে তথ্য নাই, যোৱা বিধান সভাত আগৰ কেইবছৰৰ তথ্য দিছিলে, কিমান টকাৰ মাছ বাহিৰলৈ গৈছে। এইবাৰ কৈছে কোনো তথ্য নাই।

**মাননীয় অধ্যক্ষ** ঃ This is a gross violation মন্ত্ৰী ডাঙৰীয়া আপুনি এইটোৰ এটা তাৎক্ষণিক ব্যৱস্থা লওঁক। যদি যোৱাবাৰ বিধান সভাত এইটো দিছিলে, এইবাৰ অফিচে আপোনাক একো তথ্য নাই বুলি কিয় কব। আপুনি আজিয়ে আফিচাৰ সকলক মাতি আনিব। Next গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো পৰহি দিনা আমাৰ মথাউৰি ভাঙি পেলাই প্ৰায় ১০০০ হাজাৰ মান পথাৰত পানী ভৰ্তি হৈ গৈছে, আৰু বহুত খেতি পথাৰ তলত ডুবি গৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ে যাতে ক্ষতি পুৰণটো যাতে অতি সোনকালে দিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ This not a Point of Order.

**শ্ৰী গুৰুজ্যোতি দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দষ্টি গোচৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ দৃষ্টি গোচৰ কৰিব নোৱাৰে তেনেকৈ। তাৰ কাৰণে ৩০১ Notice ৰ ব্যৱস্থা আছে।

**শ্ৰী আব্দুল ৰচিদ মণ্ডল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা Unstarred Question Number 167 Public Health Deptt. ৰ উত্তৰ এনেকুৱা লাগিছে।

**মাননীয় অধ্যক্ষ** ঃ Department য়ে কিবা অশুদ্ধ তথ্য দিছে নেকি ?

**শ্ৰী আব্দুল ৰচিদ মণ্ডল** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেইখিনি ভূল মই তথ্য সহকাৰে দিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ আপুনি গোটেই তথ্যখিনি মোৰ তাত দি দিব।

**শ্ৰী আব্দুল ৰচিদ মণ্ডল** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিব বিচাৰিছো যে তেখেতক বিভাগে যিটো তথ্য দিছে, তেওঁলোকে নিজে Enquiry কৰি চাওঁক। কিমান ভূল দিছে ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি Record টো দি দিব মই মন্ত্ৰীক কম।

**শ্ৰী আব্দুল ৰচিদ মণ্ডল** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান কেছ থানত ও গৈছে, DC ৰ তাতো গৈছে, মই নিজে ব্যক্তিগতভাৱে Chief Engineer, Executive Engineer ক এই কথাখিনি

১ বছৰৰ পৰা কৈ আছো, আপোনালোকৰ টকা বিলাক আত্মসাৎ কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** এই কথাটোৰ Discussion ৰ কোনো কথা নাহে, আপোনালোকৰ এনেকুৱা ধৰণৰ Important issue থাকিলে Why you don't should bring this matter to the Assembly through other devices ? মই এইটো Allow কৰিম, কাৰণ বহুত devices আছে। মই এতিয়া Zero Hour লৈ যাব বিচাৰিছো, প্ৰথম Zero Hour টো হৈছে শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আৰু ৰেকিবুদ্দিন আহমেদ কোনোৱা এজনে কওঁক।

**কমলাক্ষ দে পুরকায়স্থ :-** মাননীয় অধ্যক্ষ মহোদয়, গত ২৬ তারিখ দৈনিক সাময়িক প্রসঙ্গে- প্রকাশিত -"আজ ৬ ও ৩৭ নং জাতীয় সড়ক অবরোধ।" এই বিষয়টি সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাই। আমাদের অসমে দুটো পেপারমিল কাছাড় পেপার মিল ও নগাঁও পেপার মিল। কাছাড় পেপার মিল ২০১৬ অক্টোবর মাস থেকে বন্ধ এবং নগাও পেপার মিল ২০১৭ সালের মার্চ মাস থেকে বন্ধ। ২০০৮-০৯ সালে কাছাড় পেপারমিল একটা লাভজনক ইণ্ডাস্ট্রি ছিল। এই ইণ্ডাস্ট্রি মূখ্য উদ্দেশ্য ছিল আত্ম সামাজিক উন্নয়ন করা । এলাকার যুবকদের কর্মসংস্থানের ব্যবস্থা করা। নগাওঁ পেপার মিলের ঠিক একই উদ্দেশ্য ছিল। কিন্তু অধ্যক্ষ মহোদয়, এই দুটো পেপারমিল বন্ধ হওয়ার জন্য লক্ষ লক্ষ যুবক কর্মসংস্থান থেকে বঞ্চিত হচ্ছে। যদিও মন্ত্রী মহোদয় বলেছেন রো- মেটেরিয়েলের সমস্যা। কিন্ত সেই রো- মেটেরিয়েলের প্রবলেম ২০১৪ সালে সমাধান হয়। আমাদের আগে যে পরিবহণের সমস্যা ছিল সেই সমস্যা ২০১৪ সালে যখন ব্রডগেজ লাইন হয়, তখন সেই পরিবহণ সমস্যার সমাধান হয়। আমি বিধানসভার প্রথম অধিবেশনে মন্ত্রী মহোদয়কে প্রশ্ন করেছিলাম, তখন মন্ত্রী মহোদয় বললেন ৭০০ কোটি লাগবে, আবার পরবর্তী বিধানসভার অধিবেশনে বললেন ৯০০ কোটি এবং বর্তমানে দেখতে পারলাম ১৯০০ কোটি টাকার প্রকল্প পাঠানো হয়েছে এবং কাজ চলছে। কিন্তু দেখা যাচ্ছে যে যখনই প্রশ্ন করা হয় তখনই বলা হয় যে under consideration, আলোচনা চলছে। সরকারের সাথে আলোচনা হচ্ছে। অতি সত্বর এই পেপার মিলগুলো খোলা হবে। কোনওদিন আশাহত করা হয়নি। কিন্তু আমরা জানি যে দুই জন কর্মী আত্মহত্যা করছেন। ৩৭ জন চিকিৎসার অভাবে মৃত্যু বরণ করলেন। তার মানে কি দাঁড়ালো যে ৩৭ আর ২ জন মিলে ৩৯ জন চিকিৎসার অভাবে মৃত্যু বরণ করলেন। এই কারণে অনেকে চিকিৎসা করাতে পারছেন না, আবার অনেকে ছেলে-মেয়েদের ঠিকমত পড়াশোনা করাতে পারছেন না। কিছু দিন আগে সেন্ট্রাল হলে ছাত্রছাত্রীদের নিয়ে একটি মিটিং ডাকা হয়েছিল। সেখানে পাঁচগ্রাম পেপার মিলের একটি ছাত্রী কেঁদে কেঁদে মুখ্যমন্ত্রীর কাছে বলেছিল যে আমরা বাবার মুখের দিকে তাকাতে পারছি না, আপনি কিছু একটা ব্যবস্থা করুন। কেন্দ্রীয় সরকারের সাথে দেখা করে এসে আমাদের ইণ্ডাস্ট্রি মিনিস্টার বলেছিলেন যে কিছু দিনের মধ্যেই আমরা পেপার মিল খুলব। অধ্যক্ষ মহোদয় আমাদের অসমে অ্যাডভানটেজ অসম হয়েছিল। আমাদের মন্ত্রী মহোদয় উত্তরে বললেন যে ২০৭টি এগ্রিমেন্ট হয়। ৩৪জন সম্মতি প্রকাশ করেছে ওরা আসবে বলে। অধ্যক্ষ মহোদয় এডভানটেজ অসমের মানে কি এটাই? জাগিরোড পেপার মিল ও কাছাড় পেপার মিল বন্ধ হয়ে যাবে? অ্যাডভানটেজ অসমে ৪০ থেকে ৫০ কোটি টাকা খরচ হয়েছে। কিন্তু আমরা আমাদের স্থায়ী ইণ্ডাস্ট্রির কর্মসংস্থানের ব্যবস্থা দিতে পারছি না। ২১ মাস থেকে কর্মচারীদের বেতন দেওয়া হচ্ছে না। অধ্যক্ষ মহোদয়, এই বিধানসভায় মাননীয় মুখ্যমন্ত্রী বলেছিলেন যে,আমরা এডভানটেজ অসম এই কারণেই করছি যে আমরা দেখি আমাদের ছেলেমেয়েরা বেঙ্গালোরে যায়, বাইরে বিভিন্ন স্থানে যায় কর্মসংস্থানের জন্য। তাই আমরা চাই ৫-১০ হাজার টাকা উপার্জনের

জন্য যে আমাদের ছেলেমেয়েরা যাতে বাইরে না যায় এবং আমাদের এই রাজ্যেই যাতে ছেলেমেয়েরা কর্মসংস্থানের ব্যবস্থা হয়।

অধ্যক্ষ মহোদয়, গতকালের কথা , নয়াটিল্লার শহিদুল ইসলাম চৌধুৰী এবং নগাওঁয়ের বিক্রম বরা বেঙ্গালোর থাকে কর্মসংস্থানের জন্য। ওদেরকে নৃশংসভাবে হত্যা করা হয় ওখানে। আমাদের মুখ্যমন্ত্রী যদিও বলেছিলেন তথাপি পক্ষান্তরে দেখা যাচ্ছে আমাদের রাজ্যের ছেলেদেরকে বেঙ্গালোরে হত্যা কৰা হচ্ছে। মাননীয় অধ্যক্ষ মহোদয়, উত্তরপ্রদেশে ইণ্ডাস্ট্রি ডেভেলপমেন্ট করার জন্য ৬০ হাজার কোটি টাকা প্রধানমন্ত্রী দিয়েছেন। ওড়িশাতে ফার্টিলাইজাৰ ইণ্ডাস্ট্রি করার জন্য ২০ হাজার কোটি টাকা দিয়েছেন। টেক্সটাইল ইণ্ডাস্ট্রি রিভাইভেল করার জন্য ৫ হাজার কোটি টাকার অনুদান দেওয়া হয়েছে। আমাদের অসমের সম্পদ যে দুটো ইণ্ডাস্ট্রি, সেই দুটোকে কেন পুনরুজ্জীবিত করা হচ্ছে না?

অধ্যক্ষ মহোদয় আমার এখনও মনে আছে ২৭-০২-২০১৬ তে প্রধানমন্ত্রী পাঁচগ্রামের কালিনগরে গিয়েছিলেন। সেখানে গিয়ে বলেছিলেন আপনারা কি পাঁচগ্রাম পেপার মিল চালু করতে চান? আমরা সবাই বলেছিলাম হ্যা, আমৰা সবাই চাই। ঠিক একইভাবে রহাতে ০৮-০৪-২০১৬ তে প্রধানমন্ত্রী বলেছিলেন নগাঁও পেপার মিল আপনারা চালু করতে চান কি চান না? সবাই বলেছিলেন আমরা চাই। প্রধানমন্ত্রী নিজে বলে থাকেন ওনার বুক ৫৬ ইঞ্চি। প্রধানমন্ত্রীর বুক যদি ৬০ ইঞ্চিও হয়, আমদের কোনও আপত্তি নেই। আমরা সবাই খুশি। প্রধানমন্ত্রী বারবার কথা দেওয়া সত্বেও পেপারমিলগুলি চালু হচ্ছে না। অধ্যক্ষ মহোদয় বাঙালিদের জতীয় উৎসব দুর্গাপূজা। আমরা সবাই সেই পূজায় নতুন জামা-কাপড় কিনি। কিন্তু আমাদের পাঁচগ্রাম পেপারমিলের কর্মীরা কিন্তু নতুন জামা কাপড় কিনতে পারবে না। আমরা কিনতে পারব। আমাদের তো বেতন বাড়ানো হয়েছে।

**মাননীয় অধ্যক্ষ ঃ** বেয়া পাইছে নেকি? তেতিয়া হলে কাটি দিউ । আপনি ভাল কথা কওঁক। কিয় এই বিলাক কথা কয়।

**কমলাক্ষ দে পুরকায়স্থ ঃ** গতকাল আমাদের জাতীয় সড়ক ৬ এবং ৩৭ নং অবরোধ করা হল। সেখানে একটা পরিবেশ সৃষ্টি করা হল। কারণটা কি? মানুষ রাস্তায় কোন সময় নামে? সেই সময় নামে যখন মানুষের ক্ষুধা থাকে, যখন অন্নসংস্থানের অভাব থাকে।

অধ্যক্ষ মহোদয়,ওই দুটো ইনডাস্ট্রির যুবকরা এখন বেঙ্গালোর যাচ্ছে, বাইরে বিভিন্ন জায়গায় যাচ্ছে। আমরা চাই মন্ত্রী মহোদয় এখানে আছেন, উনি বলেছিলেন যে ১৪ সালের আগে এই হয়েছিল, ওই হয়েছিল। আমরা পরিবর্তন চেয়েছি। সরকার পরিবর্তন হয়েছে কি জন্য? পরিবর্তন হয়েছে যে আপনারা কিছু একটা করবেন। কিন্তু আমরা যদি বুঝতে পারতাম যে পরিবর্তনের এই অবস্থা হবে তাহলে হয়তো বা মানুষ এই পরিবর্তন চাইত না। আমি পরিষ্কার করে জানতে চাই যে কবে থেকে এই দুটা ইনডাস্ট্রি চালু হবে। আমি মনে করি যে অসম সরকারের তরফ থেকে অন্তত ১ বছরের বেতন দেওয়া হোক কর্মীদের। অন্তত ওরা যাতে বেঁচে থাকতে পারে। না হলে আরও আত্মহত্যা হবে, অনেকে চিকিৎসার অভাবে মৃত্যু বরণ করবে। আপনাকে আমার শুভেচ্ছা জ্ঞাপন করছি। ছোট একটা জোকস বলব নাকি অধ্যক্ষ মহোদয়?

**মাননীয় অধ্যক্ষ ঃ** বল, জোকস বল।

**কমলাক্ষ দে পুরকায়স্থ ঃ** কিছু দিন আগে আমি দিল্লিতে গিয়েছিলাম অধ্যক্ষ মহোদয়। দিল্লিতে যখন ছিলাম তখন দো লড়কা মেরে পিছে যে। ও লোগ বল রেহে থে, দোস্ত বল তো ঘাও মে

নমক ছিড়না ক্যায়া হোতা হ্যায় ? দুসরে নে বলা ইসকা তো একই উদাহরণ হো সকতা হ্যায় ?- মে যব পেট্রোল পাম্প মে যাতা হুঁ অউর যব মোদিজী কা হাসতা হুয়া চেহেরা দেখতা হুঁ তো লাগতা হে কিসিনে ঘাওঁ পর নমক ছিড়া দিয়া।

**মাননীয় অধ্যক্ষ ঃ** মই অলপ আগতেও কৈছো যে কিছুমান প্ৰসঙ্গ যেতিয়াই তেতিয়াই দিয়া উচিত নহয়। যাহওক শ্ৰীৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া উপস্থিত নাই যিহেতু বৰাকৰ সদস্য হিচাবে চমূকৈ মিহিৰ কান্তি সোম কবলৈ অনুৰোধ জনালো। এইটো মই বিশেষভাবে অনুমতি দিছো যিহেতু জাননী দিয়া মাননীয় সদস্য ৰেকিবুদ্দিন আহমেদ উপস্থিত নাই।

**মিহির কান্তি সোম ঃ** মাননীয় অধ্যক্ষ মহোদয় দু চারটা বিষয় আমি উত্থাপন করছি। আমি বাংলায় বলি তাহলে সুবিধা হবে।

**মাননীয় অধ্যক্ষ ঃ** Bengali is allowed.

**মিহির কান্তি সোম ঃ** আমাদের এই বিধানসভা অধিবেশনে আমরা দেখছি যে এন আর সি নিয়ে যে সব কথা উঠেছে আমি সেই বিষয়ে আপনার কাছে কিছু বক্তব্য রাখতে চাই ।

**মাননীয় অধ্যক্ষ ঃ** কি বিষয়ে ?

**মিহির কান্তি সোম ঃ** নাগরিকত্ব বিল নিয়ে।

**মাননীয় অধ্যক্ষ ঃ** না না এটা তো নাগরিকত্ব বিল নিয়ে নয়, এটা হচ্ছে জাতীয় সড়ক অবরোধ ও পেপার মিল বন্ধ হওয়ার কারণে। মই মাননীয় সদস্যসকলৰ জ্ঞাতার্থে এটা কথা ক'ব বিচাৰিছো যে বৰ্তমান শূণ্যকালিন ঘন্টা চলি আছে। বিষয়টো আগতেও আলোচনা হৈছে যদিও বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি আজি আলোচনা কৰিবলৈ দিছো কাৰণ জাতীয় স্বাৰ্থৰ লগত জৰিত বিষয়। শূণ্যকালিন ঘন্টাৰ যিয়ে জাননী দাখিল কৰে তেওঁকহে কবলৈ দিয়া হয়। আপুনি হাত দাঙা দেখি ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া নাই কাৰণে আপোনাক ক'বলৈ দিছো । কাৰণ যিহেতু আপুনি বৰাকভেলিৰ বিষয়টো কিবা সংযোজন কৰিব বিচৰা বুলি ভাবিহে আপোনাক কবলৈ দিছো। আপুনি বেলেগ কথা ক'ব নোৱাৰে। শূণ্যকালিন ঘণ্টা মানে কি ? ৩০১ কি ? এই কথাখিনি আমি ভালদৰে আয়ত্ব কৰিব লাগিব, তেতিয়া ভাল হ'ব। মই আপোনালোকক সদায় সহায় কৰাৰ বাবে সদাই আছো। এতিয়া আপুনি এই মিল দুটা সম্পৰ্কত আ পুনি বক্তব্য ৰাখক।

**মিহির কান্তি সোম ঃ** জাতীয় সড়কের ব্যপারে আমাদের যে কণ্ডিশন আছে। আমাদের শিলং রোড যেটা আছে, আমাদের মুখ্যমন্ত্রীর ও একটা স্বপ্ন আছে এটাকে বাস্তব রূপ দেওয়ার। আর গৌহাটী থেকে যে রাস্তা আমাদের ফোর লাইন, সেই ফোর লাইনের অবস্থা এখনও ঠিক হয়নি। সেটার অনেক কিছু এখনও developed করার বাকী আছে। কাজ এখনও খুব ধীর গতিতে চলছে। আমি আরও কিছু কথা বলতে চাই , পেপার মিলের বিষয়ে। এটা সত্যি স্যার খুব দুর্ভাগ্যজনক। গতকাল আমাদের মন্ত্রী স্যারের কাছে যা শুনলাম সেটা শুনে এই পেপার মিল পুনরুজ্জীবিত হওয়ার আশা কম মনে হচ্ছে। আশা করছি কেন্দ্র সরকার এবং রাজ্য সরকার এই ব্যপারে এক সাথে আলোচনা করে একটা সু-ব্যবস্থা করবেন। আর এই মিল ধ্বংস হওয়ার পেছনে বিগত ইতিহাস আপনি যদি দেখেন তাহলে দেখবেন যে আমি আগের অধিবেশনে বলেছিলাম এক গাড়ীকে চার বার বোর্ড বদলিয়ে বদলিয়ে গাড়ীকে ওজন দিয়ে এই মিলটাকে ধ্বংস করা হয়েছে। এবং সেই সময়ের মন্ত্রী ও নেতারা নামে নামে টেণ্ডার নিয়ে ছিলেন। টেণ্ডার নিয়ে ট্রাকের সামনের নাম্বার প্লেট

টাকে বদলে দিয়ে এই কাজে জড়িত ছিলেন। এভাবে মিলের কাজ না করে এবং ভূয়ো বিল দিয়ে কোটি কোটি টাকা নষ্ট করে এই কাছাড় পেপার মিলকে ওরা ধ্বংস করেছেন। আজকে উনারা এসব কথা উঠাচ্ছেন এবং মানুষের সহানুভূতি আদায় করার চেষ্টা করছেন। আত্মহত্যা যদি করে থাকে কর্মীরা তাহলে তার জন্য দায়ী পূর্ববর্তী সরকার। এভাবে হরির লুঠ করে আমাদের বরাকের একটা মাত্র বড় শিল্পকে উনারা ধ্বংস করেছেন। পেপার মিলকে ধ্বংস করেছেন, চিনি কলকে ধ্বংস করেছেন। এই ব্যপারে তদন্ত হওয়ার দরকার ছিল, কিন্তু জানিনা কেন এই ব্যপারে এখন পর্যন্ত তদন্ত হচ্ছে না।

**মাননীয় অধ্যক্ষ ঃ** Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (উদ্যোগ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘণ্টাত আমাৰ দুগৰাকীকৈ বিধায়কে নগাওঁ আৰু কাছাৰ জিলাৰ পেপাৰ মিলৰ সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰিছে। এই জিলা দুখনৰ পেপাৰ মিল দুটাৰ উত্তৰত জনাব বিচাৰিছো যে - এই মিল দুটা লাভজনক ভাৱেই চলি আছিল, কিন্তু প্ৰশাসনৰ পৰিচালনা আৰু কেচা মাল যোগান সম্পৰ্কত হোৱা খেলি-মেলিৰ বাবে 2008 চনত মিল দুটা লোকচানৰ সন্মুখিন হব লগা হয়। তেতিয়া নগাওঁৰ পেপাৰ মিলটো অৱশ্যে Profitable Mill হিচাপেই চলি আছিল। আপোনালোক সকলোৱে জানে যে H.P.C. ৰ under ৰত চাৰিটাকৈ মিল আছিল। এই চাৰিটা মিলৰ ভিতৰত এটা আছিল কেৰেলা ৰাজ্যত আৰু বাকী তিনিটা N.E. Region ত আছে। এই তিনিটাৰ এটা আছে মেঘালয়ৰ টুলিত, নগাওঁৰ জাগিৰোডত আৰু আনটো আছে কাছাৰৰ পাঁচগ্ৰামত। ভাৰত চৰকাৰে ইতিমধ্যে কাছাৰৰ পেপাৰ মিলটো Closed-down কৰি দিছে।

আমাৰ ইয়াত থকা মিল কেইটাও তেনেকুৱা এটা অৱস্থা পাইছিলগৈ, কিন্তু আমাৰ অসম চৰকাৰে মিল কেইটা Dis-Industrialization কৰিব নিদিলে আৰু এই বিষয়টোত যথেষ্ট গুৰুত্ব প্ৰদান কৰি মিল কেইটাক চলমান অৱস্থালৈ আনিবলৈ চেষ্টা কৰিলে আৰু সেই মৰ্মে আমি চৰকাৰ গঠন কৰাৰ এমাহৰ পিচতেই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ফালৰ পৰা Heavy Industry Minister (Cabinet) Mr. Anant Geete ডাঙৰীয়ালৈ পত্ৰ প্ৰেৰণ কৰা হল, লগতে Secretary to the Govt. of Assam ৰ Level ত Additional Chief Secrtary, Shri Ravi Kapoor ডাঙৰীয়ায়ো সুকীয়াকৈ Minister, Heavy Industry লৈ পত্ৰ প্ৰেৰণ কৰিছিল। এই পেপাৰ মিলৰ সন্দৰ্ভত আমি পত্ৰ প্ৰেৰণ কৰাৰ উপৰিও ব্যক্তিগত ভাৱেও Minister, Heavy Industry, Mr. Anant Geete ডাঙৰীয়াক লগ কৰো। গতিকে আমি এই বিষয়টোৰ লগত ওতপ্ৰোত ভাৱে জড়িত হৈ আছো।

আমাৰ এই মিল কেইটা বন্ধ হোৱাৰ মূল ঘটনাটো হল এনেকুৱা - আচলতে এই মিল কেইটা অসম, মিজোৰাম আৰু ত্ৰিপুৰাৰ বাঁহ গছৰ ওপৰত নিৰ্ভৰ কৰি চলি আছিল। কিন্তু পিচত মিজোৰাম আৰু ত্ৰিপুৰাই বাঁহ যোগান ধৰিবলৈ অস্বীকাৰ কৰে আৰু তাৰ পিচত National Green Tribunel (NGT) ৰ ফালৰ পৰা বাধা প্ৰদান কৰাত মেঘালয়ৰ পৰাও কয়লা যোগান ধৰাত ব্যাঘাট জন্মে। তৎস্বত্বেও অন্ধ্ৰ প্ৰদেশৰ পৰা কাঠৰ Chipps আনি এই মিল কেইটা চলোৱাৰ বাবে ব্যৱস্থা কৰা হৈছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, জাগিৰোড পেপাৰ মিলটো ভালদৰে চলি আছিল আৰু কৰিবলৈও সক্ষম হৈছিল কিন্তু পিচলৈ এই মিলটোৱে যিমান কৰিলে সেই ৰে তিনিটা মিল চলাব লগা অৱস্থাৰ সৃষ্টি হল, লগতে তিনিটা মিলৰ কৰ্মচাৰীকে দৰমহা আদিও প্ৰদান কৰা হল। কিন্তু পিচলৈ টুলি মিলৰ দৰমহা দিব নোৱাৰা হল আৰু কাছাৰ পেপাৰ মিলৰো দৰমহা দিব নোৱাৰা

হল ফলত এই মিল দুটাও Closed-down কৰিব লগা হল। আমি ইতিমধ্যে মিল দুটা revive কৰাৰ কাৰণে Heavy Industry Minister, Mr. Anant Geete কথা পাতি আছো। আমি এই মিল কেইটা খোলাৰ বিষয়টো গুৰুত্বসহকাৰে লৈছো আৰু এই সম্পৰ্কত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও ভাৰতৰ প্ৰধান মন্ত্ৰীৰ লগত কথা পাতি আছে।

এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ জাগিৰোড পেপাৰ মিলটো revive ৰ বাবে প্ৰায় 1900.00 কোটি টকাৰ এটা প্ৰস্তাৱ প্ৰধান মন্ত্ৰীৰ অফিচলৈ পঠিওৱা হৈছিল in the form of Cabinet Memorendum. এই পইছাটো পালে কৰ্মচাৰীৰ দৰমহা দিয়াৰ লগতে ঠিকাদাৰৰ Outstanding Liability খিনিও Clear কৰিব পৰা যাব, Working Capital থাকিব আৰু Machinery Repearing ৰ কামখিনিও কৰিব পৰা যাব। সেয়েহে 19,000.00 কোটি টকাৰ Package এটা প্ৰধান মন্ত্ৰীৰ অফিচলৈ গল আৰু এইটো যোৱাৰ লগে লগে অসমৰ কোনোবা এজন ঠিকাদাৰে N.C.L.T. ত পাব লগীয়া পইছা বিচাৰি Case দি দিলে, তেতিয়া N.C.L.T.এ দিলে Order যে Status Report টো জনাব লাগে। তেতিয়া গোটেই কামবোৰ স্তব্ধ হৈ গল। এই সম্পৰ্কত H.P.C. ৰ লগত কথা পাতিলো, তেতিয়া H.P.C.ৰ কথামতে এই গোটেই 1900.00 কোটি টকাৰ Package ৰ কথাটো অবগত কৰি Counter Case এটা N.C.L.T. ত কৰা হল। এতিয়া যিজন ঠিকাদাৰে বিল পোৱা নাই বুলি কৈছে , তেওঁটো পাবই লগতে বাকী ঠিকাদাৰ সকলেও বিল পাই যাব। কেচটো এতিয়াও চলি আছে।

এই সম্পৰ্কত মই এখন চিঠি দিছিলো Heavy Industry Minister, Mr. Anant Geete লৈ, চিঠিখনৰ টো মই পৰহি পাইছো। তাত তেওঁ লিখিছে - Dear Patowary Ji, I am writing with reference to your D.O. Letter No. - - Dated 06-07-2018, regarding the issue of revival of Hindustan Paper Corporation Limited **2.** Proposal regarding revival of Hindustan Paper Corporation Limited which also includes providing Budgetary support for payment of ourstanding Salary of the employees is under consideration. **3.** As we aware that the N.C.L.T. has ordered insolvency resolution proceedings under IBC on 13-06-2018 resolution professional has been appointed and Committee of Capitals has been constituted an appeal been filed in the NCLT and therefore further action will be guided by the provison of IBC.

এতিয়া কথাটো হল যদি N.C.L.T. ত ঠিকাদাৰ জনে Case নকৰিলেহেঁতেন, তেতিয়া হ'লে এই গোটেই কামখিনি ইতিমধ্যে আমাৰ হৈয়েই গ'লহেঁতেন। আমাৰ চেষ্টা এতিয়াও অব্যাহত আছে। এতিয়া যি পৰ্য্যায়তে নাথাকক কিয় এই মিল দুটা revive কৰিবলৈ আমি চেষ্টা কৰি আছো। ভাৰত চৰকাৰকো কৈছো Outstanding Liability যিখিনি আছে সেইখিনি দিয়ক আৰু মিল দুটা চলোৱাৰ ব্যৱস্থা কৰক।

কৰ্মচাৰীৰ দৰমহাখিনি দিয়ক। কৰ্মচাৰীক দৰমহা দিয়াৰ পিছত যিখিনি আউট ষ্টেনডিং লাইবিলিটি আছে সেইখিনিৰে মিল কেইটা চলাওঁক। আমাৰ অপিনিয়ন মতে কৈছো যে যদি দৰকাৰ হয় ইউ আই ফ্ল'ড কৰক আৰু ইউ আই ফ্ল'ড কৰি থাৰ্ড পাৰ্টী মেনেজমেণ্টত দি দিয়ক যে গোটেই

মিলটো থাৰ্ড পাৰ্টী মেনেজমেণ্টত চলক। নহ'লে কলিকতাত যিটো হেড অফিচ আছে। এই হেড অফিচটোৱে গোটেই মিল কেইটা ধ্বংস কৰিছে। এই হেড অফিচত তিনিজন মানুহ বহে আৰু তেওঁলোকে এই গোটেই পলিচী বিলাক গণ্ডগোল কৰিছে। মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটো সত্য যে হয় তাত এখন গাড়ী এফালেদি সোমাই আনফালেদি ওলাই আহে। মাল বিলাক কিন্তু আনলোড নকৰে। মাল বিলাক আনলোড নকৰি অলপ পিছত আকৌ সেইখন গাড়ীৰেই নাম্বাৰ প্লেট সলাই আকৌ সেইখনেই সোমাই। এইদৰে এখন গাড়ীয়ে চল্লিশ বাৰ মান ঘূৰি থাকে। এইটো হৈছে গোটেই ব্যৱস্থাটো। গতিকে এই ব্যৱস্থাটো হ'লে এটা মিল কেনেকৈ চলিব? আমি এইটো কথাও কৈছো যে আপোনালোকে মিলটো পুনৰ্জীৱিত কৰাৰ পিছত এটা উচ্চ পৰ্য্যায়ৰ অনুসন্ধান হ'ব লাগে যে ইয়াত কিমান দুৰ্নীতি হৈছে। মই এইখিনিতে এটা সৰু কথা ক'বলৈ ওলাইছো। আপোনালোকে কৈছে যে অসম চৰকাৰে দৰমহাটো দিয়ক। মাজতে বৃহৎ উদ্যোগ মন্ত্ৰীক অনুৰোধ কৰিছিলো যে আপোনালোকে আমাক বিশ কোটি মান টকা দি দিয়ক আমি দুই মাহৰ দৰমহা দি দিওঁ আৰু নগাওঁৰ পেপাৰ মিলটোত আমি পেপাৰ উৎপাদন কৰো। মই তেতিয়াৰ আমাৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগত আলোচনা কৰিলো। তেতিয়া তেখেতে ক'লে যে মিল কেইটা চলিলে ভাল হ'ব আৰু তেখেতে ৩৫ কোটি টকা হিন্দুস্তান পেপাৰ ক'ৰপৰেশ্যনক দিলে আৰু ক'লে যে তোমালোকে যি পেপাৰ তৈয়াৰ কৰিবা সেই পেপাৰখিনি আমাক দি দিয়া যাতে আমি পাঠ্যপুথি চপোৱাত ব্যৱহাৰ কৰিব পাৰো। ৩৫ কোটি টকা দিয়াৰ লগে লগে তেওঁ দৰমহাও দিলে, পেপাৰও উৎপাদন হ'ল। তেওঁলোকে পেপাৰ প্ৰডাকশ্যন কৰি গাজিয়াবাদৰ পাৰ্টী এটাক দি দিলে। আমাৰ ইয়াত নিদিলে। সেই কথাটোত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বেয়া পাইছে। সেইকাৰণে পাঠ্যপুথি উৎপাদনত পেপাৰ দিব পৰা নাই আৰু যাৰ ফলত পাঠ্যপুঠি উৎপাদনত আমাৰ পলম হৈ গৈছে। আপোনালোকক সহানুভূতি হিচাবে ৩৫ কোটি টকা দিয়া হ'ল কিন্তু আপোনালোকে পেপাৰ উৎপাদন কৰি ইয়াত নিদি গাজিয়াবাদৰ পাৰ্টী এটাক কিয় দিব লগীয়া হ'ল। মই কৈছো যে পেপাৰখিনি অসমক দিয়ক নহ'লে কমিটমেণ্টটো নহ'ব। তাৰপিছত তেওঁলোকে কোনোবা এটা অৰগেনাইজেশ্যনৰ পৰা ২০ কোটি টকা লৈ আমাৰ ইয়াৰ মিলত দি পেপাৰ তৈয়াৰ কৰিছে। তাৰপিছতহে আমাক পেপাৰ দিছে। গতিকে তেওঁলোকৰ এনেকুৱা ধৰণৰ মিচ মেনেজমেণ্ট কৰিছে। সেইকাৰণে এই মিল কেইটা ৰিভাইভেল কৰিবৰ কাৰণে আমি মানুহ বিলাক ইকুৱেলি কনচাৰ্ণ। কিছুমান মানুহৰ এতিয়া ল'ৰা-ছোৱালী তথা তেওঁলোকে নিজে চলাত বহুখিনি অসুবিধা হৈছে। এই কথাটো আমিও জানো। কিন্তু প্ৰশ্নটো হৈছে এইটো ভাৰত চৰকাৰৰ মিল অসম চৰকাৰৰ নহয়। যদি অসম চৰকাৰৰ মিল হ'ল হয় আমি নিশ্চয় সিদ্ধান্ত এটা ললো হেতেঁন। এইটো যিহেতু ভাৰত চৰকাৰৰ হেভী ইণ্ড্ৰাষ্ট্ৰী মিনিষ্ট্ৰিৰ অধীনৰ মিল সেইকাৰণে আমি একো সিদ্ধান্ত লব নোৱাৰো। কিন্তু তথাপিও আমি এইটো উদ্যোগ বিভাগে নিজৰ মিল হিচাবে ট্ৰিট কৰি আমি তেওঁলোকৰ কামখিনি যিমান পাৰো কৰি দিবলৈ চেষ্টা কৰি আছো আৰু এই পি পি মডেল পেকেজত সকলোৱে দৰমহাও পাব, ঠিকাদাৰে বিলও পাব, উৎপাদনো আৰম্ভ হ'ব।

**শ্ৰী আমিনুল ইছলাম ঃ** যিজন ঠিকাদাৰে কেচ কৰিছে তেওঁ কেচটো উঠাই ললে সকলোৱে বাচি যাব। এজনৰ কাৰণে যিহেতু সকলোৱে অসুবিধা হৈছে, গতিকে তেখেতক ক'লে তেখেত বাধ্য হ'ব।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** উপাধ্যক্ষ মহোদয় মই এটা পৰামৰ্শ দিব বিচাৰিছিলো আমি নগাওঁ আৰু কাছাৰ পেপাৰ মিলৰ কাৰণে বিধান সভাত কিবা এটা ৰিজ'লিউশ্যন লৈ পঠাব পাৰি নেকি?

পঠালে কিবা লাভ হ'ব নেকি?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ৰিজ'লিউশ্যন লৈ পঠাবৰ দৰকাৰ নাই কাৰণ ইতিমধ্যে আমি ভাৰত চৰকাৰক এই বিষয়ে অৱগত কৰিছো। এই সম্পৰ্কত আমাৰ ইণ্ড্ৰাষ্ট্ৰীৰ এডিশ্যনেল চিফ চেক্ৰেটাৰী ৰবি কাপুৰ ডাঙৰীয়াই যোৱা সপ্তাহত তেওঁ হেভী ইণ্ড্ৰাষ্ট্ৰীৰ চেক্ৰেটাৰীক লগ কৰি আহিছে। মইও গৈ Mr. Anant Geete, Union Cabinet Minister for Heavy Industries ক লগ কৰি আহিছো।

(সদনত হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম ঃ** উপাধ্যক্ষ মহোদয় আজি প্ৰথম বাৰৰ কাৰণে বহিছে। তেওঁৰ সন্মানৰ কাৰণে আমি সকলোৱে যাতে হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি নকৰো। তেখেত আজি প্ৰথম বাৰ বহিছে কাৰণে তেখেতে ৰুলিং দিয়া নাই।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** যিহেতু দিল্লীতো আমাৰ চৰকাৰ আৰু ইয়াতো আমাৰ চৰকাৰ থকাৰ কাৰণে এইখিনি পৰ্য্যায়লৈকে আমি মিল দুটা আগবঢ়াই নিব পাৰিছো। মুঠতে আমি যিকোনো প্ৰকাৰে মিল দুটা চলাই নিব লাগে।

**শ্ৰী পদ্ম হাজৰিকা ঃ** উপাধ্যক্ষ মহোদয় তেওঁলোকৰ দিনত মিল দুটা চলাই নিবৰ কাৰণে কোনো ব্যৱস্থা হাতত নললে। তেওঁলোকৰ চৰকাৰৰ দিনত মিল বন্ধ হৈ গ'ল। গতিকে আমাৰ চৰকাৰে মিল দুটা চলাই নিবলৈ প্ৰচেষ্টা হাতত লৈছে, চেষ্টা কৰিছে গতিকে তাত সহযোগ আগবঢ়াব লাগে।

(সদনত হুলস্থুল)

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয় গতিকে আমি এতিয়া মিল দুটা চলাবলৈ চেষ্টা অব্যাহত ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** আমি মিলৰ বিষয়ে বহুবাৰ আলোচনা কৰিছো। সেয়েহে এই বিষয়টো আৰু দীঘলীয়া নকৰি সিদ্ধান্ত ল'লে ভাল হয়। মামুন ইমদাদুল হক চৌধুৰীয়ে ডাঙৰীয়াই কওঁক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ শূণ্য কালীন ঘণ্টাত **'অসম সমবায় মৰাপাট কলতমৃত্যু ঘণ্টা'** এই বিষয়টো উত্থাপন কৰিব দিয়া বাবে আমি আপোনাক ধন্যবাদ জনাইছো। এই বাতৰিটো ওলাইছিল ২৫ চেপ্তেম্বৰ, ২০১৮ তাৰিখে দৈনিক অগ্ৰদূত বাতৰিকাকতত। অলপ আগতে আমাৰ সন্মানীয় দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰা ডাঙৰীয়াদেৱে খুব সুন্দৰকৈ কৈছে যে আমাৰ অসমত বহু চলি থকা মিল বন্ধ হৈ গৈছে। অলপ আগতে মিহিৰ কান্তি সোম ডাঙৰীয়াই কৈছে যে যেনে- ডেৰ গাওঁৰ বৰুৱা বামুনগাওঁ চেনী কল, নগাওঁৰ কামপুৰ চেনী কল, দুটা কাগজ কলকে ধৰি বহু ডাঙৰ ডাঙৰ মিল বন্ধ হৈ গৈছে। ঠিক এইদৰে আৰু এটা মিল বন্ধ হোৱাৰ উপক্ৰম হৈছে। সেইটো হৈছে শিলঘাটত থকা মৰাপাটৰ মিল। এই মৰাপাটৰ মিলৰ সম্পৰ্কত মই এটা কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এইটো ভাৰতবৰ্ষত সমবায় ভিত্তিত প্ৰতিষ্ঠিত হোৱা প্ৰথম আৰু একমাত্ৰ মৰাপাটৰ মিল। এই মৰাপাট মিলটোৰ লগত গাওঁ অঞ্চলৰ মানুহখিনিৰ অতি আন্তৰিক সম্পৰ্ক আছে কাৰণ মৰাপাটৰ লগত বহু মানুহৰ জীৱন-জীৱিকা নিৰ্ভৰ কৰে। প্ৰথমতে এই মিলটোৰ আধাৰশিলা স্থাপন কৰিছিল ১৯৬৭ চনৰ ১৪ আগষ্টত তেতিয়াৰ বিত্ত মন্ত্ৰী মাননীয় ফকৰুদ্দিন আলী আহমেদ ডাঙৰীয়াই। এই মিলটো স্থাপনৰ যিজন Brain behind আছিল তেওঁ আছিল তেতিয়াৰ কলিয়াবৰৰ বিধায়ক মাননীয় লীলা কান্ত বৰুৱা। অৰ্থাৎ লীলা কান্ত বৰুৱাৰ প্ৰচেষ্টাত এই মিলটো গঢ়ি উঠিছিল। মই আগতেও অনুকিয়াই গৈছো যে ১৯৬৭ চনৰ এই মিলটো স্থাপনৰ এটা ঐতিহাসিক সিদ্ধান্ত কাৰণ

সমবায় ভিত্তিত প্ৰথম বাৰৰ বাবে এনেকুৱা মিল স্থাপন হৈছিল্। ১৯৭০ চনৰ ১ জানুৱাৰী তাৰিখে তেতিয়াৰ বিত্ত মন্ত্ৰী মাননীয় ফকৰুদ্দিন আলী আহমেদ ডাঙৰীয়াই মিলটোৰ কাম আৰম্ভ কৰে। আৰম্ভ কৰাৰ সময়ত মিলটোত ৯০০ কৰ্মচাৰী আৰু ১৫০ খন তাঁতশাল আছিল। ১৯৭০ চনৰ পৰা ১৯৮৪ চনলৈ এই মিলটোৰ কাম ভালকৈ চলিছিল। কিন্তু ১৯৮৪ত মিলটো প্ৰথম বাৰৰ বাবে বন্ধ হৈ গ'ল। কিন্তু তেতিয়াৰ মাননীয় প্ৰফুল্ল কুমাৰ ডাঙৰীয়াৰ সভাপতিত্বত আৰু আছুৰ নেতৃত্বত যেতিয়া অসম চুক্তি হ'ল তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক এটা Condition দিলে যে এই মিলটো পুনৰ Reviveকৰিব লাগে। সেইমতে ১৯৮৬ চনৰ ১ জনুৱাৰী তাৰিখে As per Assam accord এই মিলটো পুনৰ আৰম্ভ কৰা হয়। এতিয়ালৈকে কোনোমতে মিলটো চলি আছে। ১৯৮৬ চনত মিলটো পুনৰ আৰম্ভ হোৱাৰ পিছত ৮০ শতাংশলৈ উৎপাদন ক্ষমতা বাঢ়ি গ'ল। কিন্তু উৎপাদন ক্ষমতা লাহে লাহে কমিবলৈ ধৰিলে। মই যোৱা ৩-৪ বছৰৰ হিচাপটো দিবলৈ ওলাইছো। ২০১৫ চনত মিলটোৱে লাভ কৰিলে ২০ লাখ ৮৪ হাজাৰ টকা। ২০১৬ চনত মিলটোৰ লাভ কমি আহিল ১১লাখ ৭৮ হাজাৰলৈ। ২০১৭ চনত মিলটোৰ লাভ কমি আহিল ৪লাখ ৯ হাজাৰ টকালৈ। ২০১৮ চনত মিলটোৰ লাভ কমি আহিল ২ লাখ টকালৈ। অৰ্থাৎ ২ লাখ টকাৰ তললৈ আহিল। এতিয়া কথাটো হৈছে, যে মিলটোৰ উৎপাদন ক্ষমতা আৰু লাভ তললৈ গৈ আছে। কিন্তু এই মিলটো সমবায় ভিত্তিৰ মিল ।তাত ৰাজ্য চৰকাৰৰ ৯৯.৯৬ শতাংশ শ্বেয়াৰ আছে। অৰ্থাৎ লোকচানটো ৰাজ্য চৰকাৰৰে হৈ আছে। ইয়াত ৰাইজৰ লগতে ৰাজ্য চৰকাৰৰো লোকচান হৈছে। অলপ আগতে অন্য এটা বিষয়ত আমাৰ মাননীয় উদ্যোগ মন্ত্ৰীয়ে এটা কথা খুব ভালকৈ কৈছে যে 'Mismanagement' ।এই Mismanagement হোৱাৰ কাৰণে বহু ডাঙৰ ডাঙৰ উদ্যোগ বন্ধ হৈ গৈ আছে। মই আপোনাৰ জৰিয়তে মোৰ চৰকাৰৰ ওচৰত অনুৰোধ থাকিল যে মই অলপ আগতে কোৱা ডাঙৰ ডাঙৰ মিলবোৰৰ দৰে এই মিলটো যাতে বন্ধ হৈ নাযায়। এই মিলটোৰ লাভ বছৰে বছৰে কমি গৈ আছে আৰু ২০১৮ চনত ২ লাখ টকাৰ তললৈ আহিল। এই মিলটোও মৃত্যু মুখত পৰিব, কাৰণ ইমান এটা ডাঙৰ মিল ২ লাখ টকাত চলিব নোৱাৰে। আমি এইটো হোৱাৰ পৰা ৰখাব লাগে। এই লাভ তললৈ যোৱাৰ কাৰণবোৰ যদি আমি ফঁহিয়াই চাওঁ আমি দেখিম যে- তাঁতশালবোৰৰ মেৰামতিৰ বৃহৎ হেৰফেৰ। তাৰ মানে Management য়ে যিমান টকা খৰছ কৰিব নালাগে তাতকৈ বহু বেছি টকা ব্যয় কৰি এইবোৰ মেৰামতি কৰে। এইটো এটা মুখ্য কাৰণ। তাৰ পিছত পাটোৱাৰী ডাঙৰীয়াই এটা কথা বিষয়া সকলৰ সম্পৰ্কত কৈছে যে অপৰিপক্ক বিষয়া। যিসকলে Manage কৰে তেওঁলোকৰ Mismanagement, এইটো এটা অন্য এটা ডাঙৰ কাৰণ। আন এটা কাৰণ হৈছে- যিমান আয় হয়,এই Management য়ে তাতকৈ বেছি ব্যয় দেখুৱাই। সেয়েহে যিকোনো এটা উদ্যোগ পুনৰ জীৱিত কৰোতে আমি এইবোৰ কাৰণ চাব লাগে। ১৯৭১ চনত পোন প্ৰথম বাৰৰ বাবে মিলটোৰ কাম আৰম্ভ হৈছিল আৰু এতিয়া ২০১৮ চন। সেয়েহে তেতিয়াৰ যন্ত্ৰ-পাতিৰে এতিয়া মিল চলোৱাটো অসম্ভৱ। তাৰ বাবে অত্যাধুনিক যন্ত্ৰ-পাতিৰ দৰকাৰ, কিন্তু এইবোৰৰ মিলটোত অভাৱ আছে। এইবোৰ কাৰণৰ বাবে মিলটো উৎপাদন ক্ষমতা কমি গৈছে। অন্য এটা ডাঙৰ কাৰণ হ'ল- মিলটোৰ মেচিনবোৰ কলিকতাৰ পৰা অনা হয়,যাৰ কাৰণে Transportation Cost টো বহুত বেছি হয়। যিটো শেষত গৈ Management য়ে বহন কৰিব নোৱাৰে। এই মিলটোৰ সৈতে অসমৰ গ্ৰম্য জীৱনৰ জীৱিকা জড়িত হৈ আছে। তেওঁলোকে মৰাপাট উৎপাদন কৰে, সেই মৰাপাটৰ পৰা মিলত বস্তুৰ উৎপাদন হয় আৰু সেই বস্তুবোৰ বজাৰত বিক্ৰী হয়। এই মিলটোৰ লগত দুখীয়া মনুহখিনি পোন-পটীয়াভাৱে জড়িত হৈ আছে। সেয়েহে মোৰ চৰকাৰৰ ওচৰত অনুৰোধ থাকিল যে এই

মিলটো সম্পূৰ্ণৰূপে বন্ধ হোৱাৰ আগতে পুনৰ্জ্জীৱিত কৰে যেন।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰিহন দৈমাৰী, মাননীয় মন্ত্ৰী, সমবায় ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি শূন্যকালীন ঘণ্টাত মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই ২৫ চেপ্তেম্বৰ, ২০১৮ তাৰিখে দৈনিক অগ্ৰদূত বাতৰিকাকতত প্ৰকাশিত বাতৰিটো **'অসম সমবায় মৰাপাট কলত মৃত্যু ঘণ্টা'** এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ বাবে ধন্যবাদ জনাইছো। অৱশ্যে বাতৰিত উল্লেখ কৰা ধৰণে শিলঘাটৰ অসম সমবায় মৰাপাট কলটোৰ মৃত্যু ঘণ্টা বজা নাই। বৰঞ্চ এই উদ্যোগটো সম্প্ৰসাৰণ কৰাৰ বাবেহে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। আমি স্বীকাৰ কৰিছো যে, যোৱা ২০১৭-১৮ বিত্তীয় বৰ্ষত কলটোৰ লাভাংশ ১.০৭ লাখ টকালৈ হ্ৰাস পাইছে। ইয়াৰ উল্লেখযোগ্য কাৰণ সমূহ হ'ল- কেঁচা সামগ্ৰীৰ মূল্যবৃদ্ধি, পৰিবহণ ব্যয় বৃদ্ধি, পুৰণি যন্ত্ৰপাতিৰ মেৰামতিৰ খৰচ তথা কৰ্মচাৰী সকলৰ বেতন বৃদ্ধি। কিন্তু এই সমস্যাসমূহৰ মাজতো মৰাপাট কলটোৱে বৰ্তমানেও দৈনিক ২১ মেট্ৰিক টন মৰাপাটজাত সামগ্ৰী উৎপাদন কৰি আছে।

সদনত মই জনাবলৈ পাই সুখী হৈছো যে, সমবায় বিভাগৰ বাবে আৱণ্টিত তাকৰীয়া পুঁজিৰ পৰাই ৩৭ লাখ ৫০ হাজাৰ টকা মৰাপাট কলটোৰ যন্ত্ৰ-পাতিৰ মেৰামতিৰ বাবে ধাৰ্য্য কৰা হৈছে। উক্ত ধন খৰচ কৰাৰ উদ্দেশ্যে ইতিমধ্যে DPR প্ৰস্তুত কৰা হৈছে। মেৰামতিৰ কামখিনি সম্পূৰ্ণ হোৱাৰ পাছত কলটোৰ উৎপাদন ক্ষমতা পুনৰ বৃদ্ধি পাব আৰু নিৰ্ধাৰিত দৈনিক ২৫ মেট্ৰিক টনলৈ বৃদ্ধি পাব। প্ৰয়োজন সাপেক্ষে, অহা বিত্তীয় বৰ্ষতো পুঁজি ধাৰ্য্য কৰা হ'ব।

আগতে কোৱা মতে মিলটোৰ সম্প্ৰসাৰণৰ বাবে National Co-operative Development Corporation (NCDC) ৰ পৰা ঋণ গ্ৰহণ কৰি মুঠ ৪৬ কোটি ৭ লাখ ৮৫ হাজাৰ টকা ব্যয় সাপেক্ষে এটা Composite Jute Mill প্ৰতিস্থা কৰাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰকল্পটো নগাওঁ জিলাৰ কলিয়াবৰ মহকুমাৰ বিহুডুবি গাঁৱত ২০ বিঘা মাটিত স্থাপন কৰা হ'ব। ইতিমধ্যে বিত্ত বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা NCDC ৰ ঋণ গ্ৰহণ কৰাৰ যাৱতীয় অনুমতি লাভ কৰিছে। বিত্ত বিভাগে ৰাজ্যিক মন্ত্ৰী সভাৰ অনুমোদন লোৱাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত প্ৰকল্পটো সম্পূৰ্ণ হ'লে দৈনিক উৎপাদন ৩০ মেট্ৰিক টন হ'ব। গতিকে চলি থকা শিলঘাটৰ মৰাপাট কল আৰু ৩ কিঃমিঃ দূৰৰ বিহুডুবিৰ নতুন প্ৰকল্পটো মিলি দৈনিক ৫৫ মেট্ৰিক টন উৎপাদন লাভ কৰিম বুলি আমি আশা কৰিছো। এই নতুন প্ৰকল্পটো সম্পূৰ্ণ হ'লে ৬০০ ৰো অধিক নিবনুৱাই নিযুক্তি পাব।

গতিকে মই আশা কৰিছো অনাগত দিনত এই মৰাপাটৰ মিলটোৱে এতিয়াতকৈ বেছি ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ব।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী উৎপল দত্তক তেখেতৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় শ্ৰী উৎপল দত্ত (লখিমপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই যোৱা ২৪ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতৰ এটা বাতৰি জলপৰিবহণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে, "আকৌ প্ৰকট হ'ল জল পৰিবহণ বিভাগৰ দায়িত্বহীনতা"। যোৱা এটা মাহত জল পৰিবহণ বিভাগৰ ফেৰী দুৰ্ঘটনা অকল গুৱাহাটীতে ঘটা নাই, অসমৰ বিভিন্ন ঠাইত ঘটি আছে। লখিমপুৰ জিলাত লুইতখাপলৈ ঘুণাসুঁতিৰ যিখন ফেৰী, সেই ফেৰী খন যোৱা ২৪ তাৰিখৰ দিনা ৩০ জন যাত্ৰীসহ ১৬ খন মটৰ চাইকেল চাইকেল লৈ গৈ থকা অৱস্থাত মেচিনটো বিকল হৈ পৰে আৰু গৈ

নিৰ্দিষ্ট এটা ঠাইত ৰৈ যায়। তেতিয়া গোটেই লখিমপুৰতে এটা হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। জিলা উপায়ুক্ত, জল-পৰিবহন বিভাগৰ বিষয়া সকলৰ বহুত চেষ্টাৰ অন্তত ৰাতি বেলেগ এখন ফেৰী গৈ মানুহখিনি উদ্ধাৰ কৰে। এই ঘটনাটো গুৱাহাটীৰ নিচিনা ঠাইত হোৱাহেঁতেন আৰু ই যদি ক'ৰবাত খুন্দা মাৰিল হেঁতেন তেন্তে তাত থকা যাত্ৰী তথা মটৰ চাইকেল, চাইকেল এই সকলোখিনি ধংস হ'লহেঁতেন আৰু নতুনকৈ এটা ঘটনাৰ সৃষ্টি হ'লহেঁতেন। এই বিভাগৰ মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াক যোৱাবাৰো মই এই বিষয়টো দৃষ্টি গোচৰ কৰিছিলো যে লখিমপুৰ জিলাৰ খাবলু আৰু লুইতত যি কেইখন ফেৰী আছে, সেই কেইখন প্ৰায় ৩০বছৰ পুৰণি ফেৰী। তাত মাত্ৰ এখন ফেৰী। ঠিকাদাৰে তাত এটা মেচিনেৰে চলা মাত্ৰ এখন ফেৰী বনাই থৈছে। আনহাতে, ৰক্ষা-কৱচ হিচাপে যি জেকেট ব্যৱহাৰ কৰা হয়, সেই ফেৰীখনত এটা জেকেটৰো ব্যৱস্থা আজিলৈকে হোৱা দেখা নাই। যোৱাকালিৰ বাতৰি কাকতত মন্ত্ৰী ডাঙৰীয়াই statement দিছে যে এখন সমিতি গঠন কৰা হৈছে আৰু সমিতিখনে গোটেই বস্তু খিনি চোৱা-চিতা কৰিব। কিন্তু, অতি পৰিতাপৰ বিষয় যে, মই ৩০ বছৰীয়া পুৰণি ফেৰীখন নতুনকৈ দিয়াৰ বাবে কেইবাখনো চিঠি মন্ত্ৰী ডাঙৰীয়াক দিছিলো আৰু তেওঁ মোক আশ্বাসো দিছিল যে তাত অতি সোনকালে নতুন ফেৰী দিয়াৰ ব্যৱস্থা কৰিব। কিন্তু তাত আজিলৈকে ফেৰীখন নিদিলে আৰু নতুন ফেৰী নিদিয়াৰ বাবে এনে ধৰণৰ ঘটনা ঘটি আছে। আজি পৰিবহণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধান সভাৰ ১৫২ নং প্ৰশ্নৰ উত্তৰত জনাইছে যে খাবলু আৰু ঘাগৰ এই দুইটা পাৰঘাটত ফেৰী চলি আছে। খাবলুৰ ক্ষেত্ৰত কৈছে যে আঢ়ৈ বছৰ আগত tender হৈছিল কিন্তু কোনোৱে নিদিলে। গতিকে, এই আঢ়ৈ বছৰ সময় ধৰি ঘাটটো কেনেকৈ চলি আছে? আৰু মাননীয় মন্ত্ৰী মহোদয়ে তাত ফেৰী চলি থকা বুলি মোক লিখিত ভাৱে জনাইছে। খাবলু ঘাটত Govt. ৰ tender হৈছিল যদিও নচলিল কিন্তু এতিয়া তাত Mising Autonomous Council য়ে ফেৰী চলাই আছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে ঘাগৰ ঘাটত দুখনকৈ ফেৰী দিব নেকি? মন্ত্ৰী ডাঙৰীয়াৰ কাৰ্যকাল আঢ়ৈ বছৰ কাল হ'ল, মই ভাৱো যে, অসমৰ মন্ত্ৰী হিচাপে লখিমপুৰৰ এই ঘাট কেইটাৰ কি অৱস্থা হৈ আছে, সেই বিষয়ে মন্ত্ৰী মহোদয়ে এবাৰ চাব নেকি? মন্ত্ৰী মহোদয়ে ইয়াত জনাইছে যে ঘাটত ফেৰীৰে মানুহ পাৰ কৰিলে ৫ টকা, মটৰ চাইকেল পাৰ কৰিলে ১৪ টকা ল'ব লাগে কিন্তু তাত Mising Autonomous Council য়ে মানুহ পাৰ কৰিলে ৫ টকাৰ সলনি ১০ টকা লয় আৰু মটৰ চাইকেল পাৰ কৰিলে ১৪ টকাৰ সলনি ৩০ টকা লয়। গতিকে এই অনিয়মবোৰ যে ঘটি আছে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব সেই বিষয়ে মোক যাতে জনায়। সোৱণশিৰি নদীৰ ওপৰত খাবলু আৰু লুইত ঘাটৰ পৰা এনেধৰণে ফেৰী চলি আছে য'ত মানুহ গ'লে সদায় মৃত্যুক আগত লৈ যাব লাগে। মই নিজেও যেতিয়া তিনি-চাৰি মাহৰ মূৰত যেতিয়া পাৰ হ'বলৈ যাওঁ তেতিয়া দেখো যে তাত বহিবলৈ কোনো ব্যৱস্থা নাই। ২৪ ছেপ্টেম্বৰৰ দিনা যিখন ফেৰীৰ ঘটনাটো ঘটিছিল সেই ফেৰী খনে ২৩ ছেপ্টেম্বৰৰ দিনা আধা ঘণ্টা চলাৰ পিছত মাজতে মেচিনটো বিকল হৈ পৰিছিল। তাৰ পিছত আনখন ফেৰীয়ে উদ্ধাৰ কৰিছিল। ২৪ ছেপ্টেম্বৰৰ দিনাই ফেৰীখনৰ যাত্ৰী সমূহে প্ৰায় তিনি ঘণ্টা সময় ধৰি এখন ঠাইত আৱদ্ধ হৈ থাকিবলগীয়া হৈছিল। জিলা প্ৰশাসনৰ তৰফৰ পৰা বেলেগ এখন নাওঁ দিহে মানুহখিনিক উদ্ধাৰ কৰিব লগীয়া হৈছিল। সেই কাৰণে বিভাগীয় মন্ত্ৰী হিচাপে তেখেতৰ নিশ্চয় দায়িত্ব আছে। মই শুনিবলৈ পাইছো যে, ব্ৰহ্মপুত্ৰত ৫ খন নতুন ফেৰী যোগান ধৰিছে, বাতৰি কাকতত দেখা পোৱা গ'ল।

**(Hon'ble Deputy Speaker on the Chair)**

**শ্ৰী উৎপল দত্ত ঃ** ......ক্ৰমশ.....বাতৰি কাকতত দেখা পোৱা গল, তাৰে দুখন নাওঁ বিকল লৈ আছে। মাত্ৰ দুখনহে নাওঁ চলি থাকিল। মই ভাৰো মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা পদক্ষেপ গ্ৰহণ কৰক আৰু লক্ষীমপুৰলৈ গৈ এই ঘাট দুটাৰ সম্পৰ্কত এটা অনুসন্ধান কৰক আৰু তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক। লগতে কওঁ যে ফেৰী বন্ধ হৈ থকাৰ complain টো দিবলৈ আমি ডিব্ৰুগড়লৈ যাব লগা হয়। যদি লক্ষীমপুৰতো এটা Sub-Division Office থাকিলেহেঁতেন, আমি তেতিয়া বিভাগীয় বিষয়া সকলক এই খবৰখিনি দিব পাৰো আৰু ব্যৱস্থা লোৱাত যথেষ্ট সুবিধা হ'লহেঁতেন। এইটো মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিলো। দায়িত্বশীল মন্ত্ৰী হিচাপে তেখেত খাবলু আৰু ঘাগৰ ঘাটত যাতে নতুন ফেৰী যোগানৰ ব্যৱস্থা তৎকালীনভাৱে কৰে। তাকে মই মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰো এটা ক'বলগীয়া আছে ফেৰী সম্পৰ্কে। মোৰ সমষ্টিতো ফেৰী বন্ধ থকাৰ বাবে যথেষ্ট সমস্যা হৈছে। উত্তৰ গুৱাহাটীৰ দুৰ্ঘটনাৰ পাছত ভূট-ভূটীসমূহ বন্ধ হৈ আছে। আমাৰ এটা মূল ঘাট হৈছে নগৰবেৰাৰ জলজলী নদীৰ ওপৰত। মন্ত্ৰী মহোদয়ে ভালদৰে জানে যে নগৰবেৰা এটা বৰ গুৰুত্বপূৰ্ণ অঞ্চল য'ত Hospital আছে, College আছে, Higher secondary আছে, Block Office আছে। এই মানুহখিনিৰ বাবে হঠাৎ ভূট-ভূটী বন্ধ কৰি দিয়াৰ বাবে যথেষ্ট অসুবিধা হৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ অনুৰোধ কৰিম যাতে কিবা এটা বিকল্প ব্যৱস্থা কৰি মানুহখিনিৰ অহা-যোৱা কৰাৰ এটা ব্যৱস্থা কৰি দিয়ে। নাইবা ভূট-ভূটীত Life Jacket দি অহা যোৱাৰ ব্যৱস্থা কৰি দিয়ে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আৰু এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যিদিনা উত্তৰ গুৱাহাটীৰ ঘটনাটো ঘটিছিল সেইদিনা IWT ৰ ১২ জন কৰ্মচাৰী কাৰ্য্যালয়টোত উপস্থিত থাকিব লাগিছিল। কিন্তু সেইদিনা কাৰ্য্যালয়টোত এজনো কৰ্মচাৰী উপস্থিত নাছিল। তাৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াই কি পদক্ষেপ লয়, সদনত জনালে ভাল হয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, যিটো বিষয় উত্থাপন কৰিছে, সেইটোক লৈ আমি সকলো সচেতন। এই IWT বিভাগটো গঠন হোৱাৰ পৰাই তাত কোনো reform নহ'ল আৰু বিভাগৰ অধীনত যিবিলাক জাহাজ চলি আছে, সেইবিলাক যথেষ্ট পুৰণি। যাৰ ফলত বহু দুৰ্ঘটনা সংঘটিত হৈছে। সেইকাৰণে আজি যোৱা দুবছৰ ধৰি বিভিন্ন বিষয়ত চিন্তা-চৰ্চা কৰিছো যাতে এই বিভাগটোত এটা reform আনিব পাৰো। তাৰ বাবে আমি এখন আইন আনিব বিচাৰিছো। Inland Water Transport Regulatary Bill খন আমি আনিব বিচাৰিছো। জাহাজ বা ভূট-ভূটীবিলাকত Life Jacket নাথাকে। তেওঁলোকে প্ৰয়োজনতকৈ বেছি যাত্ৰী কঢ়িয়ায় আৰু ভাড়াও প্ৰয়োজনতকৈ বেছিকৈ লয়। কোনো regulation নাই। এই বিভাগত reform আনিবলৈ যিমান টকাৰ প্ৰয়োজন আমাৰ বিভাগৰ সিমান টকা নাই। যোৱা দুবছৰত আমি World Bank ৰ পৰা এটা scheme লৈছো। তেওঁলোকে আমাক ১০০০ কোটি টকা দিছে। সেই টকাৰে আমি নতুন জাহাজ আৰু অত্যাধুনিকভাৱে যিবিলাক সেৱা আগবঢ়াব লাগে, সেইবিলাক কৰিবলৈ লৈছো। উপাধ্যক্ষ ডাঙৰীয়া, এখন জাহাজ বনাবলৈ প্ৰায় ১০ মাহ সময় লাগে। যোৱা দুটা বছৰত আমি ৩ খন জাহাজ বৰাকত দিলো নমামি বৰাকৰ সময়ত। ৪ খন জাহাজ দিলো মাজুলীত, তিনিখন জাহাজ আমি অলপতে গুৱাহাটীত দিম। গাডকাৰী ডাঙৰীয়াই আমাক কেইখনমান Roro জাহাজ দিছে।

প্ৰথমখন Roro জাহাজ হাটশিঙিমাৰীত দিছো। এখন Roro জাহাজত প্ৰায় ২০০ যাত্ৰী আৰু ৮ খন ট্ৰাক যাব পাৰে। এইখন বহুত শক্তিশালী। এই সপ্তাহতে আমাৰ দ্বিতীয়খন Roro জাহাজ আহি পাব। এইখন আমি মাজুলীত দিম। নৱেম্বৰৰ পিছত এখন Roro জাহাজ আহিব, সেইখন আমি গুৱাহাটীত দিম। তাৰ পাছত আৰু তিনিখন Roro জাহাজ আহিব যিবোৰ আমি অসমৰ বিভিন্ন ঠাইত দিম।

এতিয়া আমাৰ আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে যে যিবিলাক নাওঁ চলি আছে সেইবিলাকত Double engine নাই। সেইকাৰণে এইবিলাক restrict কৰি দিছো। যিবিলাকত Double engine লগাব, সেইবিলাকহে চলিবলৈ permission দিয়া হ'ব। উৎপল দত্ত ডাঙৰীয়াই যিটো ঘটনাৰ কথা কলে যে ইঞ্জিন বিকল হৈ থকাৰ কাৰণে নাওঁখন ভট্টিয়াই গৈ থাকিলে আৰু আন এখন জাহাজে গৈ সেই নাওঁখনত থকা যাত্ৰী সকলক উদ্ধাৰ কৰিলে। উত্তৰ গুৱাহাটীৰ ঘটনাটোও অনুৰূপ। ইঞ্জিন বন্ধ হোৱাৰ বাবেই নাওঁখন ভটিয়াই গৈ জাইকাৰ pillar ত খুন্দা মৰাৰ ফলত ৪ জন মানুহৰ মৃত্যু হ'ল। এইকাৰণেই আমি এই বিভাগত reform আনিব বিচাৰিছো।

ইয়াৰ উপৰিও, আগতে অসমত বহুকেইটা জাহাজ বনোৱা company আছিল। কিন্তু এতিয়া এটাও জাহাজ বনোৱা company অসমত নাই। জাহাজ বনোৱাৰ কাৰণে আমি এতিয়া Cochin Shipyard ৰ লগত কথা পাতিছো। এইটো এটা ভাৰত চৰকাৰৰ অনুষ্ঠান। গতিকে World Bank ৰ এই ১০০০ কোটি টকাৰে আমি নতুন জাহাজ কিনিবলৈ ব্যৱস্থা হাতত লৈছো। নতুন জাহাজ কিনাৰ পাছত উৎপল দত্ত ডাঙৰীয়াৰ সমষ্টিত যিটো খাবলু ঘাট আছে তাত এখন দিব পাৰিম। কিন্তু তাৰ বাবে সময় লাগিব।

এইবাৰৰ পৰা মই strictly নিৰ্দেশ দিছো যে নাওঁবিলাকত Double engine থাকিব লাগিব আৰু যাত্ৰীৰ সংখ্যাৰ সমানে Life Jacket থাকিব লাগিব। ইয়াৰ উপৰিও Flight ত যেনেকে Life Jacket কেনেকে পিন্ধিব লাগে তাৰ এটা briefing থাকে, তেনেকুৱা briefing ৰ ব্যৱস্থাও নাওঁবিলাকত থাকিব লাগিব আৰু সকলো যাত্ৰীয়ে Life Jacket পিন্ধিব লাগিব। এই নতুন শিতানখিনি আমি এতিয়া হাতত লৈছো। পবিত্ৰ বিধান সভাত এইখন পাছ কৰি দিয়াৰ পাছত আমি এইবিলাক implement কৰিম।

আমাৰ আন এটা ডাঙৰ সমস্যা হৈছে, এই বিভাগটোত কোনো registration বা enforcement ৰ ব্যৱস্থা নাই। এই department ত reform আনিবলৈ কোনো চৰকাৰে একো ব্যৱস্থা গ্ৰহন নকৰিলে। যেতিয়া মেডাৰটাৰীত নাওঁ দুৰ্ঘটনা সংঘটিত হৈছিল তেতিয়া এখন Khosla Commission গঠন হৈছিল। ২০১৩ চনত তেওঁলোকে এটা report দিছিলে কিন্তু সেই report ৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহ'ল। কেনেকুৱা ধৰণৰ জাহাজ ব্ৰহ্মপুত্ৰত চলিব, বৰাকত কেনেকুৱা ধৰণৰ চলিব এই সম্পৰ্কে এটা জাৰ্মান company ক তেওঁলোকে nominate কৰিছে।

বৰাকত কেনেকৈ চলিব পাৰিব এই সম্পৰ্কত World Bank কে German Company ক ইতিমধ্যে নমিনেট কৰিছে আৰু German Company টোৱে ব্ৰহ্মপুত্ৰ, বৰাকৰ ১৫ খন national water ways আছে , সেই বিলাকৰ ওপৰত অধ্যয়ন কৰি report এটা দিব। গতিকে মই ভাৱো যে আমাৰ মাননীয় সদস্য শ্ৰী উৎপল দত্ত ডাঙৰীয়াই যিটো কথা কৈছে যে তাত জাহাজ এখন দিব লাগে। মই চাম, মই আজিয়ে নকওঁ, মই বিভাগৰ লগত কথা পাতি লম। নতুন জাহাজ আমাৰ কেইখন মান বনাই আছে। তিনিখন জাহাজ গুৱাহাটীত আনিব লাগিব, কাৰণ গুৱাহাটীৰ

ঘাটতো বহু ব্যস্ত ঘাট আৰু বহুত যাত্ৰীয়ে এইটো ঘাটৰ পৰা অহা যোৱা কৰে।গতিকে এই তিনিখন জাহাজ তাত দিব লাগিব। আৰু বেলেগ জাহাজ আছে নে নাই চাই লম। যদি double engine থকা ভাল জাহাজ আছে, তেতিয়া হ'লে মই দিয়াৰ ব্যৱস্থা কৰিম কিন্তু মই চাইহে কৰিব পাৰিম, প্ৰতিশ্ৰুতি দিয়া নাই এতিয়া। মই কথাটো গুৰুত্বসহকাৰে লৈছো। লক্ষীমপুৰত কেইবাটাও সমস্যা আছে, মই চাব যাম, DTO office ৰ এটা সমস্যা আছে লগতে ASTC station ৰ মাটি খিনি এনেই পৰি আছে। তাত কি কৰিব পৰা যাব সেইটো চাব লাগে। আমি তেজপুৰত ISBT আৰম্ভ কৰাৰ চিন্তা চৰ্চা কৰি আছো। construction ৰ কাম আৰম্ভ হব আৰু মই ভাৱো লক্ষীমপুৰতো ISBT এটা হ'ব লাগে । কিন্তু feasiblility চাইহে হব। এতিয়া ISBT হব বুলিয়ে কোৱা নাই। কিন্তু তাত এটা ISBT হোৱাতো মই অন্তৰে বিচাৰো। তেজপুৰত যিটো ISBT সেইটো অৰুণাচলৰ সৈতে connected হ'ব। তাত পইচা অনুমোদন হ'ল বোধকৰো প্ৰায় ৪০,৫০ কোটি টকা। গতিকে লক্ষীমপুৰত গৈ মই মাননীয় সদস্য শ্ৰী উৎপল দত্ত ডাঙৰীয়াৰ লগত গৈ এইখিনি কথাৰ লগত জাহাজৰ কথাটো আলোচনা কৰিম। জাহাজ বিলাক double engine থকা হ'ব লাগিব, নহলে কোনো ভুটভুটীক চলোৱা অনুমতি দিয়া নহ'ব। মোৰ কথাটো হ'ল double engine নথকা কাৰণে গুৱাহাটীত এই ঘটনাটো ঘটিল। লক্ষীমপুৰৰ ঘটনা double engine নোহোৱাৰ কাৰণে ঘটিল। ভগৱানৰ ইচ্ছাত সেইখন কোনোৱা এটা ঠাইত বৈ গ'ল অন্য এখন জাহাজে উদ্ধাৰ কৰিলে। যিমানে নহওঁক এই বিলাক বৰ দুখৰ কথা। ব্ৰহ্মপুত্ৰ এনেকুৱা এটা নদী যিখনত without study, without research জাহাজ নমোৱাটো সহজ কথা নহয়। যিবিলাক জাহাজ চলি আছে সেই বিলাক ৭৪ চনৰ, সেইবিলাক খুণ্ডা লাগিলে কি যে হ'ব ভাগৱানে জানে তেনেকুৱা এটা অৱস্থা হৈ আছে। সেইকাৰণে আমি নতুনকৈ এতিয়া পশ্চিম CPR ৰ লগত কথা পাতিছো আৰু পশ্চিম CPR এটা Government of India ৰ organization । গতিকে তেওঁলোকক আমি tender নোহোৱাকৈ কাম দিব পাৰিম। আমি তেওঁলোকৰ লগত কথা পাতিছো আৰু অতি সোনকালে order টো দিম নতুন জাহাজৰ। মাননীয় সদস্য শ্ৰী উৎপল দত্ত ডাঙৰীয়াই জানি সুখী হব যে এই নতুন জাহাজ বিলাক অত্যাধুনিক জাহাজ। তাত সকলো ব্যৱস্থা থাকিব, life jecket ৰ পৰা আদি কৰি অন্যান্য সা-সুবিধা। সকলোৱে norms বিলাক মানিব লাগিব। গতিকে মই এই ক্ষেত্ৰত সদনৰ সকলো সন্মানীয় বিধায়কৰ সহায় -সহযোগিতা বিচাৰিছো যে যিটো reform আমি কৰিবলৈ গৈ আছো ইয়াত আপোনাকে সহযোগ কৰক। লগতে যিখন বিল আহিব,সেইখন পাছ কৰি দিলে আমি ভাৱো যে IWT ৰ জৰিয়তে যিবিলাক যাত্ৰী অহা -যোৱা কৰে সেইবিলাক সকলো যাত্ৰীৰ কাৰণে ভাল হ'ব।

আমাৰ সন্মানীয় বিধায়িকা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানিয়ে কৈছে যে সেই ঘাটতো বৰ দৰকাৰী। তাতো কিন্তু নিজে দেখিছে যে নিজৰ খুচি মতে নাওঁ বিলাক চলাই। কাৰোবাৰ এখন নাওঁ আছে বহু বছৰ পুৰণি, সেইখন লৈ চলি আছে, একো হোৱা নাই কাৰণে থিকে আছে। কিন্তু কিবা এটা হলে আপোনালোককো criticize কৰিব, মোকো criticize কৰিব। মোৰ কথাটো হ'ল যদি আমি জানো যে এইখন পুৰণি জাহাজ, ইয়াৰ engine ৰ condition বেয়া, জাহাজ খনৰ অৱস্থা বেয়া, গতিকে তাত উঠাৰ পিছত কিছুদূৰ যোৱাৰ পিছত যদি দুৰ্ঘটনাত মৃত্যুক সাৱটি ল'ব লাগে, তাতকৈ সেইখন বন্ধ কৰি দিয়া ভাল। গতিকে মোৰ চিন্তা সেইটো। তাৰ কাৰণে লাগিলে ASTC বাছৰ ব্যৱস্থা কৰি দিম।

**শ্ৰীমতী নন্দিতা দাস , বকোঃ** মাননীয় উপাধক্ষ্য মহোদয়, নগৰবেৰা অঞ্চলত বাছ চলাচল কৰিব

পৰা ব্যৱস্থাই নাই। নগৰবেৰা ঘাটত যিবিলাক নাওঁ চলাই আছে সেইবিলাকতো আৰু বহুত risky হৈ আছে। সেই কাৰণে কিবা এটা বিকল্প চৰকাৰী ভাৱে কৰিবই লাগিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ নগৰবেৰা ঘাটতো মই জানো, বহুত busy ঘাট, তাত বহুত ছাত্ৰ-ছাত্ৰী আহে আৰু সেইটো main connection point গতিকে সেইটো কৰিম, সেইটোৰ ক্ষেত্ৰত অলপ চিন্তা চৰ্চা কৰি আছো। এইখিনি কথা মই আপোনালোকক জনালো। আৰু মাননীয় বিধায়ক শ্ৰী উৎপল দত্ত ডাঙৰীয়াক কৈ থও যদি নতুন জাহাজ আছে, মই আপোনাৰ অনুৰোধটো চাই ল'ম।

**শ্ৰী উৎপল দত্ত, লক্ষীমপুৰঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বিভাগৰ কথা কলে, ময়ো শুনিলো। এতিয়া আমাৰ ঘূণাসুতি পঞ্চায়ত, তাত ছয় সাতখন স্কুল আছে, ইয়াৰ পৰা প্ৰায় ৫০/৬০ জন শিক্ষক তালৈ যাব লাগে আৰু তাৰ পৰা প্ৰায় ৪০/৫০ জন শিক্ষক ইয়ালৈ আহিব লাগে। কেইবাটাও sub-centre আছে, নাৰ্চ, ডাক্তৰ ইয়াৰ পৰা ৰাতিপুৱাই যায়গৈ সেই ফেৰিখনতে। তাত দুটা মেচিন থকা এখনো ফেৰি নাই। এতিয়া মন্ত্ৰী ডাঙৰীয়াৰ কথামতে দুটা মেচিন নথকা ফেৰি বন্ধ । এতিয়া লক্ষীমপুৰত মেছেজটো কি যাব যে ছয়, সাত মাহ, দহ মাহৰ পিছত তাত ফেৰি চলিব এতিয়া সধ্যহতে দুয়োটা ফালে বন্ধ। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে লক্ষীমপুৰৰ পৰা এশ জন শিক্ষক ঘূণাসুতি পঞ্চায়তৰ বিভিন্ন হাইস্কুললৈ যায়। ৰাতিপুৱা ডাক্তৰ, নাৰ্চ ফেৰি ঘাটেৰে তালৈ যায়। এতিয়া সেই গোটেই পঞ্চায়ত খনৰ যোগাযোগ বিচ্ছিন্ন হৈ যাব নে তৎকালীন ভাৱে যিহেতু সেই ঘাটটোত ৰাজ্যচৰকাৰক যিজন মানুহে tender পাইছিল সাত লাখ টকা প্ৰত্যেক বছৰে তেওঁলোকে পইচা জমা দিছে আৰু ফেৰি ঘাটটো চলাই আছে। এতিয়া এই অৱস্থাটো নাইকিয়া কৰাৰ কাৰণে কি ব্যৱস্থা লব মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

দ্বিতীয়তে সেইদিনাখন যিখন ফেৰি গৈ তাত লাগিলে, তাত life jacket এটাও নাছিল। তেৰজন চৰকাৰী কৰ্মচাৰী সেই ঘাটটোত আছে আৰু তেৰজনৰ এজনো নাই বুলি কৈছে। মই জিলা উপায়ুক্তৰ লগত ৰাতি ৯ টা বজালৈকে যোগাযোগ কৰিছো কৰ্মচাৰী এজনো নাই। মন্ত্ৰী ডাঙৰীয়াই কথাটো গুৰুত্বসহকাৰে লৈছে মই বুজি পাইছো। কিন্তু নাওঁ নহলে কি কৰিব, বন্ধই হৈ যাব নেকি? তাৰ এটা উত্তৰ দিলে মই সুখী হ'ম আৰু লক্ষীমপুৰৰ ৰাইজে অলপ জানিব বিচাৰিছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ কথা হৈছে, safety টো প্ৰথম। এতিয়া জাহাজত বা নাওঁত double engine লগাবই লাগিব। নিজাববীয়াকৈ যদি নাওঁ চলাই আছে, তেওঁলোকেও double engine লগাবই লাগিব আৰু আমি temporarily double engine থকা জাহাজ আছে নে চাই ল'ম। এতিয়া তাত যদি এশ নাৰ্চ, ডক্তৰ বা শিক্ষক আদি যাব লগা হয়, তাত নাওঁৰ প্ৰয়োজন আছে। তেতিয়া হ'লে double engine থকা জাহাজ বা নাওঁ আমি দিয়াৰ ব্যৱস্থা কৰি দিম। প্ৰতিখন জাহাজ বা নাওঁ ক্ষমতা যিমান আছে, সিমানে life jacket থাকিব লাগিব। এইটো ক্ষেত্ৰত মই IWT বিভাগৰ মানুহক লগ ধৰিম আৰু কথা পাতিম।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ**-মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই ভাৱো ছয় মাহ মানৰ এটা সময় দিয়া হওঁক। ছয়মাহ লৈকে এনেকৈ চলি থাকক, তাৰ পিছত double engine নহলে নহ'ব। সদ্যহতে খুব কষ্ট হৈছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কথাত মই একমত নহয়। ছয় মাহকিয় মই ছয় দিনো নাওঁ বা জাহাজ চলোৱাতপক্ষপাতী মই নহয়। কাৰণ যেতিয়া নাওঁ এখনৰ

দুৰ্ঘটনা হয়, সাধাৰণ মানুহ বিলাক মৰে। সেইটো বৰ দুখজনক ঘটনা হয়। নাওঁত বেছি ভাগ যাত্ৰী এনেকুৱা যে যাৰ পইচা নাই।মটৰ গাড়ী নাই, দুখীয়া বিলাক আৰু তাতে কিবা এটা ঘটনা হ'লে টি ভি চেনেল বিলাকত কমেও সাতদিনলৈকে একেধাৰে সমানে মোৰ ওপৰতে আলোচনা চলি থাকে যেন মইহে সকলো কৰিছো। মোৰ কথা হ'ল double engine নহলে এখন নাওঁ চলিব নোৱাৰে। তাৰোপৰি Life Jacket থাকিব লাগিব। এইটো কথা যে কৈছে, তাত ১২ জন যে কৰ্মচাৰী আছে। গতিকে তাত এজনো নাই, মই আজি enquiry কৰিম। যদি ডি চি য়ে ৰিপোৰ্ট দিয়ে যে ১২ জন আছিল এজনো নাই। যদি দি চি য়ে ৰিপোৰ্ট দিয়ে এজনো নাই। মই ১২ জনকে চাকৰিৰ পৰা suspend কৰি দিম। চাটাই কৰি দিম চাকৰিৰ পৰা সেইটো চিন্তা কৰিব নালাগে। ইহঁতৰ দৰে কৰ্মচাৰীৰ কোনো প্ৰয়োজন নাই। Action লোৱাত মই একেবাৰে 1st আছো, সেই বিলাক চিন্তা কৰিব নালাগে।

**মাননীয় উপাধ্যক্ষ ঃ-** Thank you. এতিয়া Item No-2. এতিয়া মাননীয় সদস্য কমল সিং নাৰ্জাৰী আৰু চৰণ বড়ো। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৫৪ নিয়মৰ অধীনত ২০১৮ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত" বড়োলেণ্ড ছাত্ৰ সন্থাৰ আন্দোলনত তৃতীয় দিনাওঁ অচল বড়োলেণ্ড বিশ্ব বিদ্যালয়" শীৰ্ষক বাতৰিটো শিক্ষামন্ত্ৰী মহোদয়ৰ মনোযোগ আৰ্কষণ কৰিব।

**শ্ৰী কমল সিং ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নিয়মৰ অধীনত ২০১৮ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত " বড়োলেণ্ড ছাত্ৰ সন্থাৰ আন্দোলনত তৃতীয় দিনাওঁ অচল বড়োলেণ্ড বিশ্ব বিদ্যালয়" শীৰ্ষক বাতৰিটো ইতিমধ্যে জনোৱা হৈছে। গতিকে আজি অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত এই বিষয়টো অহাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে, মই আপোনাৰ জৰিয়তে অধ্যক্ষ ডাঙৰীয়া আৰু প্ৰধান সচিব ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো। এতিয়া উপাধ্যক্ষ মহোদয়, আপুনি জানে নাই নাজানো। ২০০৩ চনৰ আগৰ পৰা ১৯৮৭ চনৰ পৰা যি পৃথক বড়োলেণ্ড আন্দোলনৰ সদৌ বড়ো ছাত্ৰ সন্থাৰ তেতিয়াৰ সভাপতি বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াৰ নেতৃত্বত যি আন্দোলন গঢ়ি উঠিছিল, সেই আন্দোলনৰ পৰিপ্ৰেক্ষিতত, যোৱা ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে, ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু BLT ৰ নেতৃত্বৰ মাজত এটা ত্ৰিপাক্ষিক চুক্তি সম্পাদিত হৈছিল, সেই ত্ৰিপাক্ষিক চুক্তিৰ সম্পাদিত হোৱাৰ দফাৰ ভিতৰত BTAD এলেকাত, কোকৰাঝাৰত বড়োলেণ্ড ইউনিভাৰচিটি প্ৰতিষ্ঠা কৰাৰ সেইটো এটা দফা তাত সন্নিবিষ্ট কৰা হৈছে। আৰু এই হিচাবেই বড়োলেণ্ড ইউনিভাৰচিটি আমি কোকৰাঝাৰত পাবলৈ সক্ষম হৈছো। প্ৰথমতে গুৱাহাটী ইউনিভাৰচিটিৰ চৌহদত এইটো চলোৱা হৈছিল, তাৰ পাছত ২০০৯ চনত ই আকৌ পুৰ্ণাংগ বড়োলেণ্ড ইউনিভাৰচিটি হিচাবত পাবলৈ আমি সক্ষম হৈছো। এই বড়োলেণ্ড যিটো বিশ্ববিদ্যালয়, এই বিশ্ববিদ্যালয়খনত আমাৰ আবেগ জড়িত হৈ আছে। সেই আবেগক যদি কোনোবাই আঘাত হানে, তেতিয়া নিশ্বয় সেই আঘাত বহুদিনলৈকে থাকি যায়। সেই আঘাতৰ বিনিময়ত যিখিনি আমাৰ ক্ষয় ক্ষতি হয়, সেইখিনি বহুত সুদুৰ প্ৰসাৰী হৈ যায়। সেই কাৰণে সদনত আপোনাৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে তেখেতক মই জানিবলৈ দিছো। এতিয়া কথাটো হ'ল বড়োলেণ্ড ইউনিভাৰচিটি গঠন হোৱাৰ পিছত যিজন তাতে উপাচাৰ্য্য নিয়োগ কৰা হৈছিল, প্ৰথম শ্যাম ব্ৰহ্ম, তেখেতক দিয়া হৈছিল তেখেতৰ যেতিয়া অৱসৰ হৈছিল, অৱসৰ হোৱাৰ পাছত এজন তাৰে Senior most যিজন Teacher আছিল সেই বিশ্ববিদ্যালয়খনৰ তেখেতক উপাচাৰ্য্যৰ দায়িত্ব দিয়া হৈছিল, কিছু দিনৰ কাৰণে চলাবৰ বাবে, নতুন

উপাচাৰ্য্য নিয়োগ দিয়াৰ আগলৈকে। উপাধ্যক্ষ মহোদয়, তাৰ পাচত ড° হেমন্ত কুমাৰ বৰুৱা উপাচাৰ্য্য হিচাপে ইয়াত নিয়োগ কৰা হৈছিল, সেই নিযুক্তি লাভ কৰাৰ পাচত তেখেতৰ যিটো ৫ বছৰৰ কাৰ্য্যকাল, সেই কাৰ্য্যকালত আমি দেখিবলৈ পাইছো, ইয়াত কেৱল বিভাজনৰ ৰাজনীতি কৰিবলৈ গৈ আছে। শিক্ষকতাৰ মাজত ৰাজনীতি, ছাত্ৰৰ মাজত ৰাজনীতি লিডাৰৰ নিচিনা কাম কৰি থকাটো আমাৰ পৰিলক্ষিত হৈছে । তেখেতে যোৱা ১৭ চেপ্তেম্বৰত তেওঁ অৱসৰ গ্ৰহণ কৰিলে। অৱসৰ হৈ যোৱাৰ পিছত আকৌ তেখেতক আচাৰ্য্য ডাঙৰীয়াই অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতক নতুন উপাচাৰ্য্য নিয়োগ নোহোৱা লৈকে , সেই বিশ্ববিদ্যালয়খন চলাই নিবৰ কাৰণে উপাচাৰ্য্যৰ দায়িত্ব আকৌ তেখেতৰ হাতত অৰ্পন কৰি দিছে। ইয়াত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে বিটিচি অঞ্চলত বস-বাস কৰি থকা যি সকল আমাৰ বিভিন্ন সামাজিক, ভাষিক বিভিন্ন organization য়ে ইয়াত বহুত বাধা দিছে। কাৰণ তেখেতে ইয়াত উপাচাৰ্য্যৰ নিচিনা এটা দায়িত্ব থকা সন্মানীয় এই আসনখনক লৈ যি বিভাজনৰ ৰাজনীতি কৰি আছে লীডাৰৰ নিচিনাকৈ, তাত আমাৰ বহুতৰ আপত্তি আছে। আজি হয়তো আমাৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কব বড়োলেণ্ড বিশ্ববিদ্যালয়খনত যিটো আইন আছে, Act আছে, সেই Act ৰ এটা দফাত উল্লেখ আছে, যে VC য়ে retirement হোৱাৰ পাছত নতুন VC নিয়োগ নকৰালৈকে তেখেতক চলাই নিব পৰা যায়, এই কথাটো ইয়াত উল্লেখ আছে। উপাচাৰ্য্য ডাঙৰীয়া, একে দফাতে উল্লেখ কৰা আছে যে তাতে যি সকল Senior most teacher আছে, সেই Teacher ৰৰ পৰা নতুন এজনক আচাৰ্য্যই কাৰ্য্যভাৰ চলাই লৈ যাবৰ কাৰণে ইয়াত নিয়োগ কৰিব পাৰে, একেটা দফাতেই আছে। মন্ত্ৰী ডাঙৰীয়াই যদি ভালাকৈ অধ্যয়ণ কৰা নাই, মই তেনেহলে অধ্যয়ণ কৰিবলৈ অনুৰোধ কৰিছো। কাৰণ তেখেত সকলৰ লগত মই যেতিয়া আলোচনা কৰিছিলো, তেখেতে কৈছে যে আমি আইনৰ গণ্ডীৰ বাধা ইয়াত কৰা হৈছে, বন্দী হৈ আছো। উপাধ্যক্ষ ডাঙৰীয়া, আইনত আছে এজন Senior most Teacher ৰক ইয়াত নিয়োগ কৰাৰ কথাটো ইয়াত সন্নিবিষ্ট হৈ আছে। গতিকে সেই আইনখন ভালকৈ অধ্যয়ণ কৰি লওঁক। উপাধ্যক্ষ ডাঙৰীয়া, Vice Cencelor হিচাপে ইয়াত যদি তেখেতক Senior most হিচাপে দিব নোৱাৰে, তাৰ পিছত আমাৰ এটা আপত্তি ড০ হেমন্ত কুমাৰ বৰুৱাই যিহেতু ইয়াত ৰাজনীতি কৰি আছে। গতিকে আমাৰ গুৱাহাটী ইউনিভাৰচিটিৰ Vice Cencelor আছে, কটন বিশ্ববিদ্যালয়ৰ Vice Cencelor আছে, বৰ্তমান আমাৰ Higher Education ৰ Secretary কৃষ্ণ গোঁহাই তেওঁক মই ভালকৈ জানো, অসম কৃষি বিশ্ববিদ্যলয়ৰ তেখেতে এটা সময়ত Register হিচাপে আছিল। এজন Register হিচাপে থকা তেওঁ IAS officer তেখেতে নিশ্চয় ইয়াত উপাচাৰ্য্যৰ দায়িত্ব লব পাৰে। এই যোগ্যতা তেখেতৰ আছে। তেখেতকো নিয়োগ কৰিব পাৰে, আচাৰ্য্যই যদি ভাল পায়। গুৱাহাটী ইউনিভাৰচিটি আছে, কটন ইউনিভাৰচিটি আছে, শিলচৰ ইউনিভাৰচিটি আছে, কোনোবাক ইয়াত নিয়োগ কৰক। এজন, যিজন মানুহ নিকা নহয়, যি মানুহে ৰাজনীতি কৰে তেনে উপাচাৰ্য্যক আমাৰ ইয়াত উপাচাৰ্য্য হিচাবে কিয় নিয়োগ কৰিছে? আচাৰ্য্য গভৰ্নৰ নিশ্চয় এই ঘটনাৰ অৱগত নহয়। গৰ্ভনৰ এজন গণতন্ত্ৰৰ ৰক্ষাকাৰী, ভাৰতৰ সংবিধান ৰক্ষা কৰিবৰ কাৰণে তেখেতক ইয়াত নিয়োগ কৰা হৈছে। গতিকে ইয়াত এজন গৰ্ভনৰে এনে ৰাজনীতিৰ উৰ্দ্ধত নহয়। তেওঁ ৰাজনীতি কিয় কৰিবলৈ বিছাৰিছে? এই বিভাজন ৰাজনীতি এই উপাচাৰ্য্য হেমন্ত কুমাৰ বৰুৱাৰ জৰিয়তে এই গভৰ্নৰে কিয় কি কাৰণত বড়োলেণ্ড বিশ্ববিদ্যালয়ত গৈ বিটিচি অঞ্চলত কিয়, কি কাৰণত ৰাজনীতি খেলিবলৈ আৰম্ভ কৰিছে? ইয়াক আমি ধিক্কাৰ দিছো। আজি এই সদনৰ জৰিয়তে আমি তেওঁক ধিক্কাৰ দিছো। তেখেত ধিক্কাৰ পাবলৈ যোগ্য ।

গতিকে উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে নে নাজানে মই নাজানো আমাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ যি আচাৰ্য্য তেখেতে যোৱা ৫ চেপ্তেম্বৰ তাৰিখে বড়োলেণ্ড বিশ্ববিদ্যালয়ত গৈছিল। এইটো কথা জানিবলৈ পোৱাৰ পিছত আমাৰ বিটিচি ৰ হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ নেতৃত্বত মই নিজে, বাইদেউ, আমাৰ ৰবিৰাম নাৰ্জাৰী, বিধায়ক ডাঙৰীয়া আমি ৪ জনে তেখেতক দেখা কৰিবৰ কাৰণে গৈছিলা। আমি এই কাৰণে গৈছিলো যে, তেখেতে বড়ো বিশ্ববিদ্যালয়ত প্ৰথম বাৰৰ কাৰণে আহিছে। তেখেতক আমি সম্বৰ্ধনা জনোৱাৰ লগতে আদৰণি জনাম এই ভাৱত আমি গৈ তেখেত গৈ পোৱাৰ আধাঘণ্টা আগতে তাৰে যিজন ৰেজিষ্টাৰ, তেখেতৰ কোঠাত আমি বহি আছিলো। সেই সময়ত উপাচাৰ্য্য ড° হেমন্ত কুমাৰ বৰুৱা তেখেত উপস্থিত নাছিল। তেখেতে নথকাৰ কাৰণে সম্বৰ্ধনা দিব পৰা নাছিলো। সেই কাৰণে ৰেজিষ্টাৰৰ কোঠাত বহি আছিলো। কিন্তু দুৰ্ভাগ্যজনক ঘটনা উপাধ্যক্ষ ডাঙৰীয়া, মই আজি এই সদনত জনাবলৈ পাই সুখী হৈছো আৰু দুখো লাগিছে যে, যেতিয়া আমি ইমান সময় বহি থকাৰ পাছত তেতিয়া ১২ টা বজাৰ লগে লগে মাননীয় ৰাজ্যপাল মহোদয় উপস্থিত হ'ল। আমাক উপাচাৰ্য্যই অহাৰ পাছতো তেখেত আমাক দেখাতো দুৰৰ কথা, আমি যে উপাচাৰ্য্যৰ লগত কিছু কথা কবৰ কাৰণে ভি চি ডাঙৰীয়াক জনোৱাৰ পাছতো তেখেতে আমাৰ সেইখিনি ব্যৱস্থা কৰি নিদিলে। এজন বি টি চি চিফ গৈছে। তেখেতৰ নেতৃত্বত বি টি চি ফাণ্ডৰ জৰিয়তে Boys Hostel, girls Hostel বনাই দিয়া হৈছে। উপাচাৰ্য্য থকাৰ কাৰণে কোঠা বনাই দিয়া হৈছে, Administrative Building বি টি চি ফাণ্ডৰ পৰা বনাই দিয়াৰ পাছতো সেই বি টি চি চিফজনক এজন উপাচাৰ্য্য ডাঙৰীয়াই যদি সন্মান দিব নাজানে, তেন্তে উপাচাৰ্য্যক আমাক কি কাৰণে লাগে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, সদনত মই জনাব বিচাৰিছো যে আমি বহি থকাৰ পাছত তেখেতে Conferance Hall ত প্ৰৱেশ কৰিলে বিষয়া সকলৰ লগত কথা পাতিবৰ কাৰণে যেতিয়া আমাক ৰেজিষ্টাৰজনে ক'লে যে, ৰাজ্যপাল আহি conferance Hall ত বহিছে। আপোনালোকে তাতে দেখা কৰিব নেকি? সেই কথাটো কোৱাৰ লগে লগে আমি একেলগে গৈ দেখা কৰিব গৈছো, দেখা কৰাৰ লগে লগে দুৱাৰ মুখত যেতিয়া আহি ভৰি দিয়াৰ লগে লগে তাত বহি থকা বিষয়া সকল উঠি দিলে। Administrative Sir ক সন্মান জনায় উঠি দিছো। উঠি দিয়াৰ লগে লগে ৰাজ্যপাল গৰাকীয়ে নিজে অবাক হৈ গ'ল কি হ'ল তাত? এগৰাকী বিষয়াই ক'লে বি টি চি চিফ মহোদয় আহিছে। তেওঁ এখন আসনত বহিছে, বহাৰ পাছত বি টি চিৰ চিফ গৰাকীক যেন কোনো দিন দেখাই নাই, চিনি পোৱাই নাই। এই ব্যৱহাৰ কৰি তেখেতক ক'লে, আপুনি বিষয়া নেকি? you are officer ইয়াত কিয় বহিছে? এনেকৈ ককৰ্থনা কৰিলে। এইটো লজ্জাজনক। তাৰ পাছত মই ক'লো being a MLA.আমি আপোনাক ইয়াতে আদৰণি জনাব আহিছো কাৰণ আপুনি বড়োলেণ্ড বিশ্ববিদ্যালয়লৈ প্ৰথম বাৰৰ কাৰণে আহিছে। আমি আপোনাক সম্বৰ্ধনা জনোৱাৰ লগতে আদৰণি জনাব আহিছো। যিহেতু সময় নিদিলে। তেতিয়া তেওঁ ক'লে আপুনি এজন চিনিয়ৰ মেম্বাৰ হৈ আপোনালোকে কিয় ইয়াত আহিছে। মই কৈছো যে, আপোনাক সম্বৰ্ধনা জনাব আৰু আদৰণি জনাবলৈকে আহিছো। তেওঁ ক'লে যে, ইয়াত নহয়। এ ডি চি চিকিউৰিটিক লৈ তেওঁক দুৰ্ভাগ্যজনকভাৱে বি টি চি চিফ মহোদয়ক উলিয়াই দিলে। লগে লগে আমি তেখেতৰ পিচত আহিব লৈ বাধ্য হৈছো। এয়াই এজন উপাচাৰ্য্যৰ আচৰণ। এনেধৰণৰ উপাচাৰ্য্যক অসম চৰকাৰৰ ফালৰ পৰা তেখেতক acting vice chancellor হিচাপে নিয়োগ কৰি দিছে। ইয়াৰ কাৰণে আমাৰ লাজ লাগে। দুৰ্ভাগ্যজনক । আজি মই মন্ত্ৰী ডাঙৰীয়াক কৈছো যে, আপোনালোকে ইয়াত কোনোবা বেলেগ এজনক দিয়ক। আমাৰ আপত্তি নাই। আপোনলোকে কোনোবা বেলেগ এজনক

নিয়োগ কৰি দিলে আমাৰ আপত্তি নাই। এই অসম চৰকাৰে ইয়াৰ দায়িত্ব নাই নেকি? উপাধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো আপুনি ইয়াৰ কাৰণে আমাক সু-মীমাংসা কৰি দিব লাগে। আচাৰ্য্যক অসম চৰকাৰে এই সদনৰ জৰিয়তে এটা মেছেজ যাব লাগে। বৰ্তমান যিজন উপাচাৰ্য্য আছে ড০ হেমন্ত কুমাৰ বৰুৱা, তেখেতক আতৰাই এজন নতুনকৈ নিগাজিকৈ নিয়মীয়াকৰণ কৰি উপাচাৰ্য্য দিবৰ কাৰণে আকৌ ৰাজনীতি কৰি আছে, এইটো কিহৰ কাৰণে। আমাক বিভাজন কৰিবৰ কাৰণে নেকি? সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, অসমৰ পৰা জৱহৰলাল নেহৰু যেতিয়া প্ৰধান মন্ত্ৰী আছিলে, তেখেতৰ ভুলৰ কাৰণে যে, অৰুণাচল, Frontier Agency আছিলে সেয়া গুচি গৈছে, মেঘালয়, নাগালেণ্ড, মনিপুৰ, ত্ৰিপুৰা গুচি গ'ল আৰু আমাকো উলিয়াই দিবৰ কাৰণে এই পথ দেখুৱাই দিব বিচাৰিছে নেকি। মই সদনত শুধিব বিচাৰিছো আৰু মন্ত্ৰী ডাঙৰীয়াক শুধিব বিচাৰিছো যে আমাক সেই পথলৈ যাবৰ কাৰণে উচটনি দিছে নেকি? মই ইয়াৰ এটা উচিত মীমাংসা কৰি দিবৰ কাৰণে এটা ভাল মেছেজ পাবৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো ঃ** মাননীয় উপাধ্যক্ষ মহোদায়, মোৰো সেই একেই বক্তব্য। আমি চৰকাৰৰ তৰফৰ পৰা হস্তক্ষেপ বিচাৰিছো, যি ঘটনা হৈ গ'ল বড়োলেণ্ড বিশ্ববিদ্যালয়ত। প্ৰায় ৫ দিন ধৰি অচলাৱস্তা হৈছে। নতুন উপাচাৰ্য্য বিচাৰি বড়োলেণ্ড ছাত্ৰসন্থাৰ তৰফৰ পৰা যি ধৰণৰ আন্দোলন আজিও চলি আছে, সেইটো এটা বৰ দুৰ্ভাগ্যৰ বিষয়। আজি বহুতো ছাত্ৰ-ছাত্ৰীসকলে উচ্চশিক্ষা বিচাৰি গৈছে, কিন্তু আজি এইবিলাক অনিয়ম চলি থকা কাৰণে ছাত্ৰ-ছাত্ৰী সকলেও আন্দালনত ভাগ লবলগীয়া হৈছে। তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আৰু চৰকাৰক অনুৰোধ জনাইছো। চৰকাৰে হস্তক্ষেপ কৰিব লাগে। হস্তক্ষেপ কৰি যিহেতু যি ধৰণে বিচাৰিছে, এই ধৰণে যাতে আমি কিবা এটা ৰিজাল্ট পাওঁ, তাৰ কাৰণে মই আজি সদনত অনুৰোধ জনাইছো আৰু যিহেতু এই বড়োলেণ্ড বিশ্ব বিদ্যালয়ত আমাৰ এটা আন্দোলনৰ লগত জড়িত থকা বিশ্ববিদ্যালয় হয়, ইয়াত আমি ভাল হোৱাটো বিচাৰো। বৰ্তমান বিশ্ববিদ্যালয়খন আজিৰ পৰা ২০০৯ চনৰ পৰাই হৈছে। যিধৰণে fullfledged হ'ব লাগিছিল। বহুতো দিশত আমি আগবাঢ়িব পৰা নাই। এতিয়াও আমাৰ 12th satus পাবলৈ সক্ষম হোৱা নাই। বি টি চি অঞ্চলত থকা কলেজসমূহ লৈছিলো যদিও লৈছিলো যদিও আকৌ এৰি দিবলগীয়া হৈছে। ইয়াত প্ৰফেচাৰ নিযুক্তি দিব পৰা নাই। এই বিশ্ববিদ্যালয় খনতে যিজন উপাচাৰ্য্য, তেখেতে ইয়াত প্ৰায় ৫-৬ বছৰ ধৰি তেখেতে Vice Chancellor হিচাপে কাম কৰি আছিল। তেখেতে নিজৰ ব্যৰ্থতা স্বীকাৰ নকৰি আজি তেখেতে ইয়াৰ ৰাজনীতি কৰিব ওলাইছে। তাৰ কাৰণে এইখিনি যাতে চৰকাৰৰ তৰফৰ পৰা তৎক্ষণাত হস্তপেক্ষ কৰি এইবিলাক কাৰ্য্য যাতে বন্ধ কৰে, আৰু আমাৰ কোনো আপত্তি নাই। যিকোনো এজন ভাল ইয়াত Vice Chancellor দি যাতে বড়োলেণ্ড বিশ্ববিদ্যালয়খন আমাৰ বিটি চি অঞ্চলত এটা এগ্ৰিমেণ্টৰ যোগেদি ভালকে চলি যায়, এইটো আমি বিচাৰো। তাৰ কাৰণে ইয়াৰ ক্ষেত্ৰত আমাৰ অসম চৰকাৰৰ শিক্ষা বিভাগৰ পৰা হস্তক্ষেপ কৰি যাতে এটা তৎক্ষণাত চলিউশ্যন দিয়ে, এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী পল্লৱলোচন দাস, মাননীয় মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী কমল সিং নাৰ্জাৰী আৰু শ্ৰী চৰণ বড়ো ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী

৫৪ নং নিয়ম অনুসৰি বড়োলেণ্ড ছাত্ৰসন্থাৰ আন্দোলনত তৃতীয়দিনাও ‘অচল বড়োলেণ্ড বিশ্ববিদ্যালয সংবাদ’টোৰ সন্দৰ্ভত তেখেতসকলৰ বক্তব্য দাঙি ধৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে এই কথা উপলব্ধি কৰো বা এইটো মানো যে, বড়োলেণ্ড বিশ্ববিদ্যালয় যিখন তাত স্থাপন কৰা হৈছে, সেইখন নিশ্চয় তাত যি সংগ্ৰাম আৰু তাৰ ৰাইজৰ যি আশা-আকাংশা আৰু বৌদ্ধিক চিন্তা চেতনাৰ বিকাশৰ বাবে সেই বড়োলেণ্ড বিশ্ব বিদ্যালয়খন স্থাপন কৰা হৈছে। আমিও বিচাৰো যে, বড়োলেণ্ড বিশ্ব বিদ্যালয়ৰ মাধ্যমেৰে সমগ্ৰ নামনি অসমৰ তথা বডোলেণ্ডৰ অঞ্চলটি যাতে বৌদ্ধিকভাৱে আগবাঢ়ি যাওঁক, সেইটো আমি কামনা কৰো আৰু তাৰ বাবেই ২০০৯ চনতেই এই বড়োলেণ্ড বিশ্ববিদ্যালয় আইনৰ জৰিয়তে fullfledged এখন বিশ্ববিদ্যালয় স্থাপন কৰা হ’ল। আমাৰ এই বিধান সভাই সেই আইনখন পাচ কৰি তাত কিছুমান নিয়মাৱলী বান্ধি দিছে আৰু যি নিয়মাৱলী আমাৰ বিধান সবাৰ সকলো সদস্যই মিলি যি নিয়ম বনাও, সেই নিয়মৰ আধাৰতে বিশ্ববিদ্যালয় পৰিচালনা হয়। এই বিশ্ববিদ্যালয়ৰ আচাৰ্য্য হিচাপে মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ দায়িত্বত আছে। তেখেতৰ গোটেই বিষয়খিনি দৃষ্টিগোচৰ হৈছে। এতিয়া যিটো বিষয়ক লৈ বিতৰ্ক হৈছে বা যিটো বিষয় আজি উত্থাপিত হৈছে সেইটো আমি চাবলৈ যাওঁ যে ইয়াৰ যিখন আইনে তাত কৈছে যে, যেতিয়া নতুন এগৰাকী উপাচাৰ্য্য নিযুক্তি দিয়া যায়, তেতিয়াহ’লে সেইজনৰ নিযুক্তি প্ৰক্ৰিয়াটো এটা ব্যৱস্থাৰ মাধ্যমেৰে হয়। সেই নিযুক্তি প্ৰক্ৰিয়াৰ যিটো ব্যৱস্থা ইয়াত দিয়া হৈছে আইনৰ মতে তাৰ কাৰণে এখন কমিটি বনোৱা থাকে, যিখন Advisory Board বুলি কৈছে ইয়াত। সেই Advisory Board ক charge committee বুলিও কোৱা যায়। এই Advisory Board য়ে নিৰ্বাচিত কৰে। সেই Advisory Board ত আমাৰ নমিনি থাকে, তাত Chancellor ৰো nominee থাকে, ৰাজ্য চৰকাৰৰো nominee থাকে আৰু Excutive Council ৰো nominee থাকে। সেই তিনি গৰাকী nominee ক লৈ ইতিমধ্যে Advisory Board গঠন কৰা হৈছে। Advisory Board য়ে ইতিমধ্যে দুখন সভা তেখেতসকলে আয়োজিত কৰিছে। তেওঁলোকে ইতিমধে ১৫ অক্টোবৰত সিদ্ধান্ত কৰিছে যে, এই তাৰিখতে শেষ সময়সীমা বান্ধি দিছে। যিয়ে যদি উপাচাৰ্য্য হ’ব বিচাৰে তেওঁলোকে আবেদন কৰিব পাৰে, তাৰ যিটো পদ্ধতি। ইতিমধ্যে সকলোখিনি কাম কৰা হৈছে। কিন্তু তাৰ আইনৰ নিয়মৰ মতে যেতিয়ালৈকে নতুন এগৰাকী আমি উপাচাৰ্য্য দিব নোৱাৰো, তেতিয়া আচাৰ্য্যই যি গৰাকী উপাচাৰ্য্য হিচাপে দায়িত্বত আছে, তেখেতকে extent কৰি ৰাখে, যাতে নতুন গৰাকীক তাত নিযুক্তি দিব পাৰে। এতিয়া যিটো বিষয়ৰ কথা কৈছে যে কিয় আচাৰ্য্যই তেখেতক দিছে, বেলেগ এজনক আমি কিয় দিব নোৱাৰো। সেই বিষয়টোকে লৈ শ্ৰী কমল সিং নাৰ্জাৰী ডাঙৰীয়াই গোটেই বিষয়খিনি উত্থাপন কৰিছে।

**শ্ৰীপল্লৱলোচন দাস, মন্ত্ৰী, শিক্ষা, ইত্যাদি ঃ** গোটেই বিষয়টো কমল সিং নাজাৰ্ৰী ডাঙৰীয়াই উত্থাপন কৰিছিল । তেখেতৰ যিখিনি বক্তব্য আমি নিশ্চয় আচাৰ্য্যৰ ওচৰত দৃষ্টিগোচৰ কৰিম এই গোটেই বিষয়খিনি । আমি চেষ্টা কৰিম কেনেকৈ বিষয়টো মীমাংসা কৰিব পৰা যায়। কিন্তু আমাৰ এটাই লক্ষ্য থাকিব যে BodoLand University ত যিটো বৌদ্ধিক বাতাৱৰণ এইটো যাতে বিনষ্ট নহয় আৰু ভৱিষ্যত দিনত সুদক্ষ উপাচাৰ্য্য এগৰাকী আমি যাতে নিযুক্তি দিব পাৰো। লগতে বড়োলেণ্ডৰ ৰাইজৰ ,ছাত্ৰ-ছাত্ৰীসকলৰ আবেগ-অনুভুতি খিনি আমি গুৰুত্ব দিছো যাতে বিশ্ববিদ্যালয়খন বৌদ্ধিক বিকাশৰ এক কেন্দ্ৰস্থলত পৰিণত হয় । তাৰ কাৰণে আমি চেষ্টা কৰিম। আপোনালোকৰ পৰামৰ্শ , অনুভুতিখিনি আন্তৰিকতাৰে আমি গ্ৰহণ কৰিছো। আমি চেষ্টা কৰিম , কম দিনৰ ভিতৰতে যাতে সমস্যাখিনি মীমাংসা কৰিব পৰা যায়। ইয়াত যিহেতু আইনৰ বিষয় জড়িত হৈ আছে ,

গতিকে কাইলৈৰ ভিতৰতে কাৰোবাক আমি দায়িত্ব দিম। গতিকে কমল সিং নাজাৰ্বী ডাঙৰীয়াই যিটো বিষয় উপস্থাপন কৰিছে আমি গুৰুত্বসহকাৰে লৈ যিমান সোনকালে পৰা যায় বিষয়টো মীমাংসা কৰাৰ বাবে চেষ্টা কৰিম । আমি লগতে চেষ্টা কৰিম বি টি এ ডিৰ যিমান সন্মানীয় বিধায়ক আছে তেখেতসকলৰ লগতো আমি ভাৱ বিনিময় কৰি ইয়াৰ মাজৰ এটা ৰাস্তা উলিয়াই এটা মীমাংসা কৰিব পৰা যায় আমি বিভাগত আলোচনা কৰিম।

(উপাধ্যক্ষ মহোদয় সদনত অধ্যক্ষতা কৰে)

**শ্ৰীকমল সিং নাজাৰ্বী ঃ** মাননীয় উপাধ্যক্ষ মহোদয় , মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিছে যে বিবেচনা কৰিব। বিবেচনা কৰোতে ডেৰ-দুইমাহ উকলি যাব পাৰে। ৫ দিন বা ৭ দিনৰ ভিতৰত এটা নিৰ্দ্দিষ্ট সময় বান্ধি দিয়ক। নতুন উপাচাৰ্য্য এগৰাকী নিয়োগ নোহোৱালৈকে বেলেগ এগৰাকীক ৫ পৰা ৭ দিনৰ ভিতৰত আলোচনা কৰি নিয়োগ কৰিম বুলি মন্ত্ৰী মহোদয়ে কওক। যাতে আমি ক'ব পাৰো যে আজিৰ সদনে, মন্ত্ৰী ডাঙৰীয়াই এটা ভাল ষ্টেপ লৈছে। আৰু এটা কথা মন্ত্ৰী ডাঙৰীয়াৰ জ্ঞাতাৰ্থে জনাওঁ যে, BodoLand University য়ে UGCৰ 12(b) affiliation টো পোৱা নাই , নোপোৱাৰ ফলত তাত professor ৰ নিযুক্তি দিব নোৱাৰাৰ কাৰণে বিভাগীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আমি ১২ টা প্ৰফেচৰ প'ষ্ট পাবলৈ সক্ষম হৈছিলো। কিন্তু দূৰ্ভাগ্যৰ বিষয় আজি ডেৰ বছৰ হৈ গ'ল কিন্তু এইসময়ত এজনো প্ৰফেছৰ নিয়োগ কৰিব নোৱাৰিলে। আমি যদি এজন দক্ষ administrator পালোহেতেন তেনেহ'লে নিশ্চয় ডেৰ বছৰ ধৰি প'ষ্টখিনি পৰি নাথাকিলেহেঁতেন। এইখিনি কথা মন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰাটো ভাল । গতিকে এইটো উপাধ্যক্ষ মহোদয়ক জনালো।

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মই কৈছো যে, আমি আপোনালোকৰ লগত বিষয়টো আলোচনা কৰাত একো আপত্তি নাই। আমি এতিয়াও বা কাইলৈ আপোনালোকৰ লগত বহি বিষয়টো কেনেকৈ মীমাংসা কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিম। ইতিমধ্যে Gover nor ৰ মহোদয়ে ৩ জনীয়া কমিটি এখন গঠন কৰিছে। তাত গোটেই বিষয়টোৰ যিখিনি anomalies আছে সেইখিনি কমিটিয়ে তদন্ত কৰিব। NEHUৰ ডঃ টি বি চুব্বা, আমাৰ Higher Education ৰ , Secretary গোঁহাই বাইদেউ আৰু আনগৰাকী আৰ ৰয়চৌধুৰী ৩ গৰাকীক দি এখন কমিটি বনাইছে। এই কমিটি কাইলৈ Bodoland University যাব। তেওলোকে anomalies খিনি চাই চৰকাৰক Report দিব। আচাৰ্য্যক সেইটো আমি অৱগত কৰিম। আইনৰ যিখিনি ধাৰা আছে আচাৰ্য্য সেইখিনি চাই আছে । সেই কাৰনে আমি গোটেই বিষয়টো আলোচনা কৰি মীমাংসা কৰাটো বিচাৰিছো। এই গোটেই বিষয়টো মই যিহেতু আলোচনা কৰা নাই গতিকে আলোচনা নকৰাকৈ যদি সদনত কিবা এটা কৈ দিও এই কথাটো গ্ৰহণ যোগ্য নহ'ব সেই কাৰণে আমি আলোচনা কৰি সমস্যাটো কেনেকৈ সমাধান কৰিব পৰা যায় আমি চেষ্টা কৰিম। তেখেতসকলক মই ব্যাক্তিগতভাবে জনাম যে মই কেনেধৰনৰ পদক্ষেপ লৈছো। এই কথাটো তেখেতসকলক ভবিষ্যতে জনাম।

**শ্ৰীকমল সিং নাৰ্জাৰী ঃ** উপাধ্যক্ষ মহোদয়, কাইলৈ এনকোৱাৰী কমিটি যাব। কিন্তু এতিয়া তাত এনেকুৱা অচলাৱস্থা হৈছে যে তাত গেইটত বহি আন্দোলন, ধৰ্ণা কাৰ্য্যসূচী চলাই আছে। এই মুহুৰ্ত্তত তাত Enquiry committe গ'লে যদি untoward situation হয় , যদি সুৰক্ষা বাহিনীয়ে ছাত্ৰ-ছাত্ৰীসকলক মাৰপিট, লাঠি চাৰ্জ কৰে তাৰ দায়িত্ব কোনে ল'ব? সদনে ল'বনে মন্ত্ৰী ডাঙৰীয়াই ল'ব, গতিকে মোৰ অনুৰোধ acting V Cক আঁতৰাই দিয়ক , তাৰ পিচত নতুন V

Cক নিয়োগ কৰক। তাৰ পিচত এনকোৱাৰী কমিটি যাওক , neutral Enquiry কৰক । আমাৰ সেইটোৱে আবেদন।

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ** আমি ইতিমধ্যে বিধায়ক ডাঙৰীয়াক জনাইছো মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো যিহেতু আপোনালোকেও বিচাৰিছে গতিকে আমিও আইনৰ গণ্ডীত থাকি বিষয়টো মীমাংসা কৰিব লাগিব। মই নিজ ইচ্ছামতে VC ক নিয়োগ বা আঁতৰাব নোৱাৰো । সিমানখিনি এক্তিয়াৰ মোৰ হাতত নাই। গতিকে আপোনালোকক কৈছো যে আইনৰ গণ্ডীত থাকি বিষয়টো কেনেকৈ সু-মীমাংসা কৰিব পৰা যায় আপোনালোকৰ সৈতে আলোচনা কৰিম যদি প্ৰয়োজন হয় আমি আচাৰ্য্যৰ লগতো আলোচনা কৰি বিষয়টো মীমাংসা কৰাৰ যত্ন কৰিম।

**শ্ৰীকমলসিং নাজাৰী ঃ** বিষয়টো প্ৰযোজন হৈছেই। আপুনি initiative লৈ আচাৰ্য্যৰ লগত দিন তাৰিখ লৈ আলোচনা কৰক। মন্ত্ৰীসকলো আজি সদনত আছে, বিধায়কসকলো উপস্থিত আছে। আমি আলোচনা কৰিবলৈ সন্মত আছো।

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ** নিশ্চিতভাবে। আমি কৈছোয়ে যে বিষয়খিনি আপোনালোকৰ লগত আলোচনা কৰি আমি কেনেকৈ মীমাংসা কৰিব পাৰি আমি কৰিম। আপুনি যি ধৰণে কৈছে- আইনখনতো আপোনালোকে বনাইছিল । সেইসময়তে আইনখন সলনি কৰি ল'ব লাগিছিল । আইনৰ কোনটো ঠাইত আছে আপুনি আমাক দেখুৱাই দিয়ক । যে এইটো মতে দিব পৰা যায়-- আপুনিও সন্মানীয় বিধায়ক। আপুনি আইন বনোৱা মানুহ। আপুনি যি ধৰণে কৈছে প্ৰয়োজন হ'লে আজিও আমি আপোনালোকৰ লগত বহি মীমাংসাৰ মাজেৰে এটা গ্ৰহণযোগ্য ৰাস্তা উলিয়াবলৈ চেষ্টা কৰিম। আচাৰ্য্যৰ লগতো আলোচনা কৰি, Bodo Land University ৰ যিখিনি সমস্যা আছে সেইখিনি আমি সমাধান কৰিবলৈ চেষ্টা কৰিম।

(মাননীয় অধ্যক্ষ মহোদয় অধ্যক্ষৰ আসনত উপবিষ্ট)

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয় , এতিয়াৰ যিটো নিয়ম, নিয়মানুযায়ী ধৰক permanent V C গৰাকী দিব । সেইটো নিয়ম অনুযায়ীয়ে হ'ব লাগিব। এতিয়া যিহেতু এগৰাকীক Acting VC ৰ চাৰ্জত দিয়া আছে । সেই ক্ষেত্ৰত কিবা নিয়ম আছে নেকি যে তেখেতকে V C চাৰ্জত দি থব লাগে। যিহেতু এতিয়া পৰিস্থিতি বেয়াৰ ফালে গৈছে গতিকে Governorৰ লগত এটা আলোচনা কৰি সোনকালে চৰকাৰে এটা ব্যৱস্থা ল'ব নোৱাৰে নেকি যিহেতু চাৰ্জ দিয়া হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা , মন্ত্ৰী ঃ** এই কথাখিনি মোৰ এক্তিয়াৰৰ ভিতৰত নপৰে তথাপিও এটা কথা ক'ব বিচাৰিছো। বড়োলেণ্ড ইউনিৰ্ভাচিটি বিলখন এনেকৈ বনোৱা হৈছিলে যে Governor ৰ গৰাকী - Bodo Land University ৰ Chancellor ৰ । temporary , permanent সৰ্বোচ্চ অধিকাৰ তেখেতক দিয়া আছে। ইয়াত আমি একো কৰিব নোৱাৰো । আমি হাউচৰ পৰা কেৱল এটাই কৰিব পাৰো যে ৰাজ্যপালৰ ঠাইত চেঞ্চেলৰ গৰাকী মুখ্যমন্ত্ৰীক কৰিব পাৰো । as long as he is Chancellor , He is everything. আমাৰ হাতত কোনো পাৱাৰ নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো নাই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো নাই। কোনো বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতে আমাৰ পাৱাৰ নাই। কিন্তু বিষয়টো লৈ মাননীয় মুখ্যমন্ত্ৰীয়ে মাননীয় ৰাজ্যপালৰ লগত ইতিমধ্যে কথা পাতিছে। সেইদিনা যিটো ঘটনা হৈছে- সেই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে নিজে Governor ৰ ডাঙৰীয়াক সাক্ষাৎ কৰি সমিলমিলেৰে কেনেকৈ সমস্যা সমাধান কৰিব পাৰি সেই বিষয়ে তেখেতে কথা পাতিছে। কিন্তু আইনে সিদ্ধান্ত লোৱাৰ সম্পূৰ্ণ। কতৃত্ব ৰাজ্যপালকে দিছে। যদি

সন্মানীয় বিধায়কসকলে বিচাৰে আইনখন সলনি কৰি মাননীয় মুখ্যমন্ত্ৰী বা শিক্ষামন্ত্ৰীক চেঞ্চেলৰ কৰিব লাগিব। কিন্তু সেইটো নোহোৱালৈকে ৰাজ্যপালেই সৰ্বেসৰ্বা।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । ইয়াৰ পিছত ৩০১ । এইটো গুৰুত্বপূৰ্ণ বিষয় কাৰণে কালি মই কৈছিলো আজি এইটো দিম ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মহামান্য ৰাজ্যপালক মুখ্যমন্ত্ৰী মহোদয়ে নিজে সাক্ষাত কৰি বিষয়বিলাক সমিলমিলকৈ হ'ব লাগে সেই বিষয়ে তেখেতেও কথা পাতিছে। কিন্তু আইনে সিদ্ধান্ত লোৱাৰ সম্পূৰ্ণ কৰ্তৃত্ব ৰাজ্যপালকহে দিছে। তাত যদি সদস্য সকলে বিচাৰে আইনখন বদলাই আকৌ মুখ্যমন্ত্ৰীক Chancellor বা শিক্ষামন্ত্ৰীক Chancellor, এনেকুৱা কৰিব লাগিব। কিন্তু সেইটো নোহোৱালৈকে ৰাজ্যপালেই সৰ্বেসৰ্ব্বা।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব। ইয়াৰ পিছত next 301ত।

**শ্ৰীকমল সিং নাৰ্জাৰী ঃ** চাৰ, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** মই শুনি আছো, আপুনি অলপ বহক। যিহেতু এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, সেইবাবে মই যোৱাকালি কৈছো আজি এইটো দিম আৰু ৫৪ ত আপুনি পঢ়িব we can not put any more question. কিন্তু বিষয়টো গুৰুত্বপূৰ্ণ কাৰণে আপোনালোকে যথেষ্টখিনি কথা পাতিছে। মই মন্ত্ৰী ডাঙৰীয়াক এটাই Issue, মই ভাবিছো সেইটো ঠিকে আছে। আজি পাৰিলে তেখেত সকলক আপুনি নিমন্ত্ৰণ কৰি দিয়ক, আলোচনা কৰক আৰু কি বাট উলিয়াব পাৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াও যিহেতু কথা পাতিছে, বাটটো উলিয়াৰ কাৰণে ব্যৱস্থা কৰক। কাৰণ আমি কৈ থাকিলে নহ'ব, আমি বাটটো উলিয়াব লাগিব। আজিৰ আলোচনাটোৱে বাট উলিয়াৰ কাৰণে এটা সুবিধা দিছে। তেখেত সকলেও কৈছে যে আমি কথা পাতিবলৈ আছো, আপুনি ক'লে হ'ল। মই ভাবিছো আজিয়ে আবেলি আপুনি মাতি দিয়ক then you discuss and if any some difficul-ties come again. ইয়াৰ পিছত আমাৰ ৩০১ত শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস ঃ** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়ামৱলী 301 নম্বৰ নিয়ম অনুসৰি, ১৩ ছেপ্তেম্বৰ তাৰিখে প্ৰতিদিন কাকতত এটা বাতৰি প্ৰকাশিত হৈছিল সেইটো হৈছে - 'ৰাজ্যত বন্ধ হ'ব সুলভ মূল্যৰ নীলা কেৰাচিন' আৰু এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত আপুনি সদনৰ মজিয়াত মোক বক্তব্য দাঙি ধৰিবলৈ সুবিধা দিয়াৰ বাবে মই আপোনাক বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত এতিয়াও প্ৰায় ৫৭ লাখ ৰেচন কাৰ্ড হ'লদাৰ পৰিয়াল আছে আৰু এইলোক সকলে আজি বছৰ বছৰ দিন ধৰি সুলভ মূল্যৰ কেৰাচিন তেওঁলোকে লাভ কৰি আহিছিল। হঠাৎ যেতিয়া এই বাতৰিটো প্ৰকাশ পালে বাতৰিটো পঢ়ি এইলোক সকল তেওঁলোকে স্তম্ভিত হৈছে আৰু তেওঁলোকে এটা বিপদৰ সন্মুখীন যে হ'ব কেৰাচিন তেল বন্ধ এনেকুৱা এটা তেওঁলোকে অনুধাবন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো ক'ব বিচাৰিছো যে বৰ্তমান যিটো পৰিস্থিতি, আমাৰ এতিয়াও প্ৰায় ২৪ লাখ আমাৰপৰিয়ালৰ এতিয়াও বিদ্যুৎ সংযোগ হোৱা নাই। ইয়াতে প্ৰায় হয়তো ১২ লাখ পৰিয়াল গাওঁ অঞ্চলত আৰু প্ৰায় ৯ লাখমান পৰিয়াল চহৰ অঞ্চলত, এতিয়াও তেওঁলোকে কাৰেন্টৰ সুবিধা পোৱা নাই। হঠাৎ যিটো সিদ্ধান্ত চৰকাৰে ল'ব বিচাৰিছে যে কেৰাচিন তেল বন্ধ কৰি দিয়া হ'ব আৰু এই সিদ্ধান্তটো আমি বাতৰিত পোৱা ধৰণে আমি যিটো পাইছো যে যিহেতু এতিয়া দীনদয়াল Electrification ৰ কাম চলি আছে আৰু উজ্জ্বলা আঁচনিৰ কাম চলি আছে। এই দুটা কথাৰ অছিলা লৈ চৰকাৰে যিটো সিদ্ধান্ত ল'ব ওলাইছে মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো এই সিদ্ধান্তই আমাৰ যিবিলাক

দুখীয়া নিচলা দৰিদ্ৰ সীমাৰেখাৰ তলৰ জনসাধৰণ আছে, তেওঁলোকক যথেষ্ট ক্ষতি সাধন কৰিব। মাননীয় অধ্যক্ষ মহোদয়, এই কাৰণে কৈছো যে উজ্জ্বলা যিটো আঁচনি, এই উজ্জ্বলা আঁচনিটো এতিয়াও বহু লোকে এই সুবিধা পাবলৈ সক্ষম হোৱা নাই। কাৰণ উজ্জ্বলা আঁচনিটোৰ যিটো গাইড লাইন প্ৰস্তুত কৰা হৈছে, যে ২০১১ চনৰ এইটো Socio caste economic census এই Census মতে তেওঁলোকে এই সুবিধাটো পাবলৈ সক্ষম হয়। কিন্তু এইটো আপুনিও জানে আৰু বিভিন্ন সময়ত এইকথাটো প্ৰকাশ পাইছে, সদনৰ মজিয়াতো এইটো আলোচনা হৈছে। গতিকে Socio caste economic census টো কৰাৰ সময়ত বহুত লোকৰ নাম ইয়াৰ পৰা বাদ পৰি গৈছে। আপুনি জানে যে পঞ্চায়তৰ ক্ষেত্ৰত যেতিয়া IAY ঘৰ দিয়াৰ কাৰণে এই ২০১১ চনৰ Census টোৰ ওপৰত ভিত্তি কৰি যেতিয়া দিয়াৰ কাৰণে কথা ওলাইছিলে তেতিয়া বিভিন্ন গাঁৱত মানুহৰ এই ID নম্বৰ বোৰ নাথাকিল, নাছিল আৰু সাংঘাটিক এটা হুলস্থুলৰ পৰিবেশ হৈছিল। পুনৰ যেতিয়া উজ্জ্বলাৰ এই যিটো গেছ চিলিণ্ডাৰৰ কথা আহিল, অহাৰ লগে লগে যেতিয়া চৰকাৰে যিটো অচিলা লব বিচাৰিছিল, উজ্জ্বলাৰ গেছ আমি দি আছো, ৰন্ধন গেছৰ সুবিধা দুখীয়া ৰাইজে পাই আছে সেই কথা কবলৈ যাওঁতে পুনৰ সেই ২০১১ চনৰ Censusৰ কথাটোয়ে মনত আমি পেলাব লাগিব। নিশ্চিত ভাৱে এইটো সত্য যে বহুত মানুহৰ এতিয়াও উজ্জ্বলা আঁচনিৰ ভিতৰত তেওঁলোকে পাবলৈ সক্ষম হোৱা নাই। আমি জানিব পৰা মতে উজ্জ্বলা আঁচনিৰ যিটো টাৰ্গেত লোৱা হৈছে সেইটো হৈছে ২০২০ চন। ২০২০ চনলৈ উজ্জ্বলা আঁচনিৰ টাৰ্গেত লোৱা হৈছে, যে ২০২০ চনলৈ উজ্জ্বলা আঁচনিৰ আণ্ডাৰত মানুহে গেছ চিলিণ্ডাৰ পাবলৈ সক্ষম হ'ব। যিহেতু ২০২০ চন এতিয়াও বহুত দূৰত আৰু সেই টাৰ্গেত সম্পূৰ্ণ নোহোৱাকে হঠাৎ যদি চৰকাৰে এই সুলভ মূল্যৰ কেৰাচিন বন্ধ কৰি দিয়ে তেতিয়াহলে নিশ্চিতভাৱে গাঁৱত যিসকল দৰিদ্ৰ লোক আছে, যি সকলৰ দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা একমাত্ৰ সামগ্ৰী কেৰাচিন তেল আৰু আপুনিও জানে যে বহু অঞ্চলত য'ত Electrification হোৱা নাই, সেই অঞ্চল বিলাকত সন্ধিয়া হোৱাৰ লগে লগে ৰাইজে কেৰাচিন তেলৰ চাকিৰে বহুত ল'ৰা-ছোৱালীয়ে পঢ়া শুনা কৰে। সেই ক্ষেত্ৰত মই ভাৱো যে চৰকাৰৰ এই সিদ্ধান্তটো ৰাইজৰ ওপৰত এটা মাধমাৰ শোধাব, চৰকাৰে নিশ্চিত ভাৱে ৰাইজক বিপদত পেলোৱাৰ বা ক্ষতি হোৱা এনেকুৱা সিদ্ধান্ত নিশ্চয়কে ল'ব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা আমি যিটো বাতৰি কাকতত জানিব পাৰিছো যে গুৱাহাটী মহানগৰত এটি পাইলট প্ৰজেক্ট আৰম্ভ হ'ব অক্টোৰৰ মাহত আৰু সেই পাইলট প্ৰজেক্টত যিটো চোৱা হ'ব যে গুৱাহাটী মহানগৰত যদি আমি কেৰাচিন তেল বন্ধ কৰি দিও তেতিয়াহলে কি সমস্যা এটা হ'ব। এইটো যদি পাইলট প্ৰজেক্ট ল'বলৈ ইচ্ছা কৰিছে বা ল'ব, এইটোও যথেষ্ট ক্ষতি সাধন কৰিব। কাৰণ গুৱাহাটী মহানগৰতো বহুত লোক আমি সকলোৱে জানো যে পাহাৰত অস্থায়ী ভাৱে বসবাস কৰি আছে আৰু গুৱাহাটী মহানগৰত বহু মানুহ আজি বিভিন্ন জিলাৰ পৰা তেওঁলোকে বেপাৰ বানিজ্য কৰিবৰ কাৰণে হয়তো ৰিক্সা চলাবৰ কাৰণে, ঠেলা চলাবৰ কাৰণে, অটো চলাবৰ কাৰণে বা হাজিৰা কৰিবৰ কাৰণে গুৱাহাটী মহানগৰত তেওঁলোক থাকে। এই সকল লোকৰ তেওঁলোকৰ কোনো স্থায়ী বাসস্থান নাই। তেওঁলোকে হয়তো ভাড়া ঘৰত থাকে বা অস্থায়ী ভাৱে তেওঁলোকে কিছু সুবিধা কৰি থাকে। এই যিসকল লোক আছে, এই লোক সকলে এটা গেছ চিলিণ্ডাৰ connection লবৰ কাৰণে তেওঁলোকৰ বাবে কথাটো সহজ নহয়। এই ক্ষেত্ৰত মই ভাৱো যে গুৱাহাটী মহানগৰ যিহেতু আমাৰ এখন চিটি, এই চিটিত বহু বাহিৰৰ পৰা লোক আহে। হঠাৎ যেতিয়া আমি এই কেৰাচিন তেল বন্ধ কৰি দিম যিহেতু তেওঁলোকে কেৰাচিন বা ষ্ট'ভৰে ভাত ৰন্ধাবঢ়া কৰে।

**মাননীয় অধ্যক্ষ ঃ** Kindly conclude.

**শ্ৰীমতী নন্দিতা দাস ঃ** এওঁলোকৰো যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। তাৰ লগে লগে গুৱাহাটী মহানগৰত আপুনি দেখিছে যে বিভিন্ন ঠাইত সৰু সৰু বজাৰ ঘাট চোপা আছে, সেইবোৰো বেছি ভাগ দেখা যায় মাছ, মাংস, পাচলিকে আদি কৰি, সেইবোৰতো কেৰাচিন চাকিৰে সেই বেপাৰ বাণিজ্যবোৰ চলাই থাকে। এই ক্ষেত্ৰত All Assam Kerosene Dealer Federationয়েও এইটো বিচাৰিছে যে যিটো পাইলট প্ৰজেক্ট চৰকাৰে আনিব বিচাৰিছে সেইটো বন্ধ হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে আমি এইটো চৰকাৰক অনুৰোধ কৰিছো যে এনেকুৱা এটা সিদ্ধান্ত যিটোৱে ৰাইজৰ ক্ষতি সাধন কৰিব, সাধৰণ জনসাধৰণে এটা বিপদৰ সন্মুখীন হব, এইটো নিশ্চয়কে লোৱা উচিত নহয়। মাননীয় অধ্যক্ষ মহোদয়, এইটো কেৱল গুৱাহাটীৰ কথায়ে নহয়, গুৱাহাটীৰ পৰা যদি গাওঁ অঞ্চলত এই কথাটো লবলৈ বিচাৰে আজি।

**মাননীয় অধ্যক্ষ ঃ** I think please conclude. You have raised your point nicely.

**শ্ৰীমতী নন্দিতা দাস ঃ** অধ্যক্ষ মহোদয়, আমাৰ লোডচেডিং চলি থাকে, লোডচেডিঙৰ ক্ষেত্ৰত যেতিয়া ১০-১৫ দিনলৈ কাৰেণ্ট নাথাকে তেতিয়া একমাত্ৰ উপায় আমাৰ কেৰাচিল তেল। এইটো গাওঁ অঞ্চলত প্ৰায়ে দেখা যায় যে অভাৰ লোডিং হোৱাৰ কাৰণেও বহুত Transformer জ্বলি যায়। তেতিয়াও একমাত্ৰ উপায় হ'ল কেৰাচিন। বিভিন্ন কথা ইয়াত জড়িত হৈ আছে, মই সেইকাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে কেৰাচিন তেল আজিৰ তাৰিখতো আমাৰ কাৰণে অতি এটা জৰুৰী সামগ্ৰী। যিটো আমি আমাৰ জীৱনৰ পৰা বাদ দিব নোৱাৰো। সেই কাৰণে নিশ্চয় এই ক্ষেত্ৰত চৰকাৰে কিছু চিন্তা কৰিব লাগে আৰু এই যিটো সিদ্ধান্ত এই সিদ্ধান্তটো যাতে ফলপ্ৰসু নহয়, এই ক্ষেত্ৰত মই আজি আপোনাৰ আগত বাতৰিটোৰ জৰিয়তে চৰকাৰৰ বা মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ হ'ব বুলি আশা কৰি মোৰ এই কথাখিনি সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী শ্ৰীফণীভূষণ চৌধুৰী। আজি বিল আছে দুখন আলোচনা কৰিবলৈ পাৰিলে চাব, সময় কম।

**শ্ৰী ফণীভূষণ চৌধুৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়টো সম্পৰ্কত এটা Statement লিখি আনিছো, সেইটো মই পাঠ কৰি দিছো। যোৱা ২০১৮ চনৰ ১৩ চেপ্টেম্বৰ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত ৰাজ্যত বন্ধ হব সুলভ মূল্যৰ নীলা কেৰাচিন তেল শীৰ্ষক বাতৰিটো খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ দৃষ্টিগোচৰ হৈছে। নিটি আয়োগ (NITI Ayog) ৰ পৰামৰ্শৱলীৰ ওপৰত যোৱা ১০ জুলাই ২০১৭ তাৰিখে দেশৰ মুখ্য সচিবসকলৰ মাজত অনুষ্ঠিত বৈঠকৰ সিদ্ধান্ত সমূহ কাৰ্য্যকৰীকৰণৰ ওপৰত অসম চৰকাৰৰ মুখ্য সচিবৰ অধ্যক্ষতাত ১৬ অক্টোবৰ, ২০১৭ তাৰিখে এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগক পঞ্জাৱ আৰু কৰ্ণাটক আৰু ৰাজ্যৰ "কেৰাচিন মুক্ত ৰাজ্যৰ আৰ্হি অধ্যয়ন কৰি অসমতো এই ব্যৱস্থা প্ৰয়োগ কৰি অসমত "কেৰাচিন মুক্ত" কৰাৰ বাবে কৰ্মসূচী গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। সেই মৰ্মে খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ সঞ্চালক বিভাগৰ তৰফৰ পৰা এই কৰ্মসূচী পৰীক্ষামূলকভাৱে ৰূপায়ণৰ বাবে পদক্ষেপ গ্ৰহণৰ ব্যৱস্থা লবলৈ অনুৰোধ কৰা হয়। পৰৱৰ্তী পৰ্য্যায়ত সঞ্চালকে কামৰূপ মহানগৰ জিলাৰ পৌৰ নিগম এলেকাত ৰাজ্যৰ আন অঞ্চলতকৈ যথেষ্ট বেছি পৰিমাণে

বিদ্যুত আৰু ৰন্ধন গেছৰ সংযোগ থকাৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট এলেকাটো পৰীক্ষামূলকভাবে "কেৰাচিন মুক্ত" কৰাৰ প্ৰস্তাৱ অনুমোদনৰ বাবে চৰকাৰলৈ প্ৰেৰণ কৰে। সঞ্চালকে লগতে এই কৰ্মসূচী ৰূপায়নৰ পূৰ্বে নিম্নলিখিত বিষয়সমূহ সন্দৰ্ভত বিবেচনা কৰাৰ বাবেও পৰামৰ্শ আগবঢ়াইছে। সঞ্চালকৰ প্ৰস্তাৱত বিভাগে No.FSB56/2018/100 Dated 4th Sept 2018 পত্ৰ যোগে কামৰূপ মহানগৰ জিলাৰ পৌৰনিগম এলেকাত এই কৰ্মসূচী পৰীক্ষামূলক ভাবে ৰূপায়নৰ বাবে অনুমোদন দিয়ে। উক্ত কাৰ্য্যসূচী ৰূপায়নৰ উদ্দেশ্যে ইতিমধ্যে সঞ্চালকৰ তৰফৰ পৰা সংশ্লিষ্ট তথ্যসমূহ বিচাৰি কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তলৈ ০১-০৯-২০১৮ তাৰিখে পত্ৰ প্ৰেৰণ কৰা হৈছে আৰু বিভাগৰ তৰফৰ পৰাও এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ পূৰ্বে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তলৈ এই তথ্যসমূহ খৰতকীয়াকৈ দিবলৈ পত্ৰ (D.O.No. FSB56/2018/121 dated : 20/09/2018) প্ৰেৰণ কৰা হৈছে। উল্লেখিত তথ্য সমূহ হৈছে ঃ

১) সংশ্লিষ্ট এলেকাত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ ৰেচন কাৰ্ডৰ জৰিয়তে কেৰাচিন তেল লাভ কৰা লোকৰ সংখ্যা ঃ

২) সংশ্লিষ্ট এলেকাত বিতৰণ কৰা কেৰাচিন তেলৰ পৰিমাণ ঃ

৩) সংশ্লিষ্ট এলেকাত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড প্ৰাপ্ত বিদ্যুত সংযোগ থকা পৰিয়ালৰ সংখ্যাঃ

৪) সংশ্লিষ্ট এলেকাত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ আইনৰ অধীনত ৰেচন কাৰ্ড প্ৰাপ্ত ৰন্ধন গেছৰ সংযোগ থকা পৰিয়ালৰ সংখ্যা ঃ

৫) সংশ্লিষ্ট এলেকাত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড প্ৰাপ্ত কিন্তু এতিয়াও ৰন্ধন গেছ সংযোগ আৰু বিদ্যুত সংযোগ নথকা পৰিয়ালৰ সংখ্যা।

কামৰূপ জিলাৰ উপায়ুক্তৰ পৰা এই তথ্য সমূহ লাভ কৰাৰ পিছত বিভাগে নিম্নলিখিত বিহিত ব্যৱস্থা গ্ৰহণ কৰি অঞ্চলটো সম্পূৰ্ণভাৱে কেৰাচিন মুক্ত কৰিব পাৰি নে নোৱাৰি সেই সন্দৰ্ভত বিবেচনা কৰি আছে।

১) এই প্ৰক্ৰিয়াত যি সকল হিতাধিকাৰীৰ বিদ্যুত আৰু ৰন্ধন গেছ দুয়োটাৰে সংযোগ আছে, তেওঁলোকলৈ কেৰাচিন তেলৰ আবণ্টন বন্ধ কৰাৰ চিন্তা চৰ্চা কৰি থকা হৈছে।

২) দ্বিতীয়তে, যি সকল হিতাধিকাৰীৰ বিদ্যুত সংযোগ আছে কিন্তু ৰন্ধন গেছৰ সংযোগ নাই তেওঁলোকৰ বাবে পৰ্য্যায়ত ৰন্ধন গেছৰ সংযোগ দিয়াৰ বাবে ইণ্ডিয়ান অইল কৰ্পৰেশ্যন তথ্য আন আন তৈল বিপনন সংস্থা সমূহৰ লগত যোগাযোগ কৰাৰ চিন্তা চৰ্চা কৰি থকা হৈছে।

৩) তৃতীয়তে, যি সকল হিতাধিকাৰীৰ ৰন্ধন গেছৰ সংযোগ আছে, কিন্তু বিদ্যুত সংযোগ নাই তেওঁলোকলৈ বিদ্যুত সংযোগ দিয়াৰ বাবে বিভাগে বিদ্যুত বিভাগৰ লগত যোগাযোগ কৰাৰ চিন্তা চৰ্চা কৰি থকা হৈছে।

৪) চতুৰ্থতে যি সকলৰ বিদ্যুত সংযোগ বা ৰন্ধন গেছৰ সংযোগ কোনো এটাও নাই, সেই সকল হিতাধিকাৰীৰ ক্ষেত্ৰত (১), (২) আৰু (৩) অনুসৰি পৰ্য্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণৰ চিন্তা চৰ্চা কৰি থকা হৈছে।

এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে অসম চৰকাৰে বৰ্ত্তমানলৈকে ৰাজহুৱা ব্যৱস্থাৰ অধীনত কেৰাচিন তেলৰ বিতৰণ বন্ধ কৰাৰ বাবে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি দেশৰ আন কেইবাখনো ৰাজ্যৰ দৰে কেৰাচিন মুক্ত ৰাজ্যৰ আৰ্হি লবৰ বাবে পৰীক্ষামূলক প্ৰকল্প ৰূপায়নৰ বিবেচনা কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Thank You. ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং অনুসৰি চাহ-শ্ৰমিক কল্যাণ পৰিষদৰ এটা বিষয় মই দৃষ্টি গোচৰ কৰিব বিচাৰিছো। আমি জানো অসমৰ প্ৰায় ১০লক্ষাধিক চাহ-শ্ৰমিক সকলৰ কল্যাণৰ বাবে গঠন হোৱা অসম চাহ-শ্ৰমিক কল্যাণ পৰিষদ Assam Tea Welfare Board জন্ম লগ্নৰ পৰাই চাহ-শ্ৰমিক সকলৰ আৰু চাহ-শ্ৰমিক সকলৰ লৰা-ছোৱালীৰ কল্যাণৰ কাৰণে কাম কৰি আছে। কিন্তু দুখৰ কথা এই পৰিষদত আজি যি পৰিস্থিতিৰ সৃষ্টি হৈছে, ই অতি দুখ জনক আৰু আজি মই এই বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। আমি যদি ইয়াৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ নকৰো, তেতিয়া হলে নিশ্চয় আমাৰ কাৰণে এটা দুখজনক কথা হৈ থাকিব। Assam Tea Welfare Board ৰ অধীনত প্ৰায় ১৮ টা Hostel২০টাৰো অধীক Community centre আৰু ITI ইয়াত আছে, এই অনুষ্ঠান বিলাকৰ জৰিয়তে আমি প্ৰায় ৩৫০ ছাত্ৰ-ছাত্ৰী ৰাখিব পাৰো Hostel ত আৰু সেই Community centre ত যেতিয়া প্ৰধান মন্ত্ৰীৰ Skill Development খুৱ গুৰুত্ব দিছে, মই ভৰো আজিৰ পৰা প্ৰায় ৫৫ বছৰ আগতে এই বোৰ্ডে এই Skill Development ৰ ওপৰত চিন্তা কৰি বিভিন্ন Trade ৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছিল। আজি দুৰ্ভাগ্যজনক ভাৱে গম পাইছো যে এই Board ৰ বিষয়া-কৰ্মচাৰী, আয়ুক্তকে ধৰি প্ৰায় ৩ মাহ ধৰি তেওঁলোকৰ বেতন বন্ধ কৰি দিয়া হৈছে। Community centre ত যি সকল Faculty, Instructor বা কৰ্মচাৰী আছে, তেওঁলোকৰো প্ৰায় ৯মাহ ধৰি বেতন বন্ধ হৈ আছে। যাৰ কাৰণে সেই সকল বিষয়া-কৰ্মচাৰীৰ মাজত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। আমি Hostel বিলাকত ৰান্ধনী নিযুক্তি দিছো, তেওঁলোক স্থায়ী নহয়, বহুত ঠাইত Contractual আছে। নূন্যতম মজুৰিত আমি তেওঁলোকক ৰাখিছো, এই ৰান্ধনি সকলকো এতিয়া দৰমহা বন্ধ কৰি দিয়াৰ কাৰণে তেওঁলোকে নিজৰ ঘৰত এতিয়া আহাৰ দিব পৰা নাই। ইয়াৰ পিছত মই এটা বিষয় আৰু উত্থাপন কৰিব বিচাৰিছো, যে আমাৰ দিছপুৰৰ গাতে লাগি থকা গণেশগুৰিত এটা Hostel আছে, যি Hostel ৰ পৰা আমাৰ এই Assam Tea Welfare Board ৰ সভাপতি তথা মন্ত্ৰী তেওঁ নিজেও তেনেকুৱা Hostel ৰ পৰা অধ্যায়ন কৰি উচ্চশিক্ষা গ্ৰহণ কৰি তেখেত আজি এই পৰ্য্যায়লৈ আহিছে। এই Hostel ৰ মই পৰহী গৈ যেতিয়া খবৰ ললো আৰু দুদিন পিছত বা তিনিদিন পিছত পইচাৰ অভাৱত তাত পানী যোগান সম্পূৰ্ণভাৱে বন্ধ হৈ যাব এইটো অতি দুখ জনক কথা। যি সকল Students আছে, তেওঁলোকে সদায় ৰাতিপুৱা এটা অপেক্ষাত থাকে আজি আমি পানীটো পাম নে নাপাম। গুৱাহাটীৰ নিচিনা এখন মহানগৰীত এই অৱস্থা হয়, তেতিয়া হলে আমাৰ কাৰণে নিশ্চয় দুখজনক কথা। ধনৰ অভাৱত Assam Tea Welfare Board ৰ কাম-কাজ অচল হৈ পৰিছে। তেখেত সকলৰ কাগজ এখিলা কিনিবলৈ পইচা নোহোৱা হৈছে, Assam Tea Welfare Board টো আমাৰ শ্ৰম বিভাগে পোনপটীয়া ভাৱে চাই। মোৰ কথা হল ১৯৫৯ চনৰ পৰাই ইয়াৰ কাম-কাজ চলি আছে, বিগত দিনৰ চৰকাৰৰ ইয়াৰ যথেষ্ট খেলি-মেলি থকাৰ কাৰণে আজি আমি এই Board টো ধ্বংসৰ চুড়ান্ত অৱস্থাত অৱতৰণ কৰিছো বুলি আমি অনুমান কৰিছো। মই অনুৰোধ কৰিম মাননীয় মন্ত্ৰী ডাঙৰীয়াক যে এই সকলক আমি দৰমহাটো সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি আমি তাৰ পৰা ৫০০ মিটাৰ দুৰত আছো আমি ২৪ ঘণ্টা পানী পাওঁ, ২৪ ঘণ্টা লাইন পাও আৰু বহুত সুবিধা পাওঁ। আমাৰ এই চাহ-বাগিচাৰ অঞ্চলৰ পৰা আহি ল'ৰা-ছোলালী বিলাকৰ যাৰ ঘৰত অকমান

খাবলৈ খুদ নাই যাৰ গুৱাহাটী আহিবলৈ অসুবিধা হয়, সেই ল'ৰা-ছোৱালী বিলাকে ইয়াত আহি পেলায় উচ্চশিক্ষা গ্ৰহণ কৰিব বিচাৰে সেই ল'ৰা-ছোলালী বিলাকে প্ৰতিটো ৰাতিপুৱাই এটা শংকা লৈ আহে এইটো মই ভাৱো অতি সোনকালে সমাধান কৰিব লাগে।

এগৰাকী কমিচনাৰ ছয়মাহৰ কাৰণে নিযুক্তি হৈছে আৰু ছয়মাহ পিছত কোনো কমিচনাৰ নাহিব, সেই কমিউনিটিৰ পৰা কোনো নাহিব। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি ব'ৰ্ডৰ বিষয়টো যাতে গুৰুত্ব সহকাৰে লৈ অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপল্লৱ লোচন দাস (মন্ত্ৰী, ৰাজ্যিক স্বতন্ত্ৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মৰ ৩০১ ৰ অধিনত মাননীয় সদস্য শ্ৰীতেৰছ গোৱালা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ এই বিষয়টো সম্পৰ্কে আমাৰ বিধান সভাৰ বহু ব্যক্তিয়ে অৱগত নহয়। মাননীয় অধ্যক্ষ মহোদয়, ১৯৫৯ আৰু ১৯৬০ চনতে এখন এক্টৰ আধাৰত চাহশ্ৰমিক কল্যাণ পৰিষদ গঠন কৰা হৈছিল। ইয়াৰ নিয়ম আছিল শ্ৰমিকৰ পৰা দুই টকা, মালিক পক্ষৰ পৰা চাৰি টকা আৰু চৰকাৰৰ তৰফৰ পৰা চাৰি টকা দি মুঠ দহ টকা কন্ট্ৰিবিচন লৈ - কন্ট্ৰিবিউটৰি ফাণ্ড বনোৱা। উদ্দেশ্য আছিল এই কন্ট্ৰিবিউটৰি ফাণ্ডেৰে যিমান ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস আছে সেইবিলাকৰ নিৰ্মাণ কৰা। সেইসময়ত কমিউনিটি চেন্টাৰ বনোৱা গ'ল চাহবাগিছাত কিছুমান মানুহক চাকৰিৰ কাৰণে ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিবৰ বাবে। সেইসময়তে অঙ্গনবাদী কেন্দ্ৰৰ দৰে কেন্দ্ৰ নিৰ্মাণ কৰা হৈছিল আৰু কেন্দ্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক ভোজনৰ ব্যৱস্থা কৰিব পৰা যায় - এইটো ভাল কনচেপ্ট আছিল। সেইসময়ত কমিউনিটি চেন্টাৰ বিলাক শ্ৰম বিভাগৰ অধীনত আছিল। ১৯৮১ চনত কমিউনিটি চেন্টাৰখিনি চাহ শ্ৰমিক কল্যাণ পৰিষদলৈ অনাগ'ল। আজি যিটো তেৰছ গোৱালা ডাঙৰীয়াই কৈছে ব'ৰ্ডৰ মানুহখিনিয়ে কিয় দৰমহা পোৱা নাই বা কমিউনিটি চেন্টাৰৰ মানুহে কিয় দৰমহা পোৱা নাই বা আজি ছাত্ৰবাস আৰু ছাত্ৰীনিবাসৰ অৱস্থা বিলাক কিয় এনেকুৱা। এই কথাটোৰ উত্তৰ বিচাৰিলে আমি ইয়াৰ ইতিহাসলৈ যাব লাগিব। আচৰিত কথা অধ্যক্ষ মহোদয় ব'ৰ্ডে কি কৰিলে - প্ৰথমে শ্ৰম বিভাগৰ কিছুমান কৰ্মচাৰীক ব'ৰ্ডে টেকঅ'ভাৰ কৰিলে তাৰ পিছত শ্ৰম বিভাগ আৰু অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ মাজত এখন বুজাবুজিৰ চুক্তি হৈছিল আৰু সেই চুক্তি অনুসৰি ব'ৰ্ডক বিভাগে যিখিনি অনুদান দিব সেই অনুদানেৰে ব'ৰ্ডে এই ব্যৱস্থা সমূহ কৰিব। সেই অনুসৰি ৯৮ লাখ টকাৰ যিটো কথা আহিছে সেইটো দিয়া যায় আৰু প্ৰতি বছৰে দিয়া হয়। কিন্তু চাৰ আপুনি আচৰিত হ'ব এই ব'ৰ্ডখনে কোনোদিন কোনো নিয়ম পালন নকৰিলে। শ্ৰম বিভাগৰ মানুহখিনি যেতিয়া অৱসৰ গ্ৰহণ কৰিলে তেতিয়া ব'ৰ্ডখনে নতুনকৈ নিযুক্তি দিলে কিন্তু মূল বিভাগটোক একো এটা নজনালে বা কোনো অনুমোদন নললে। তেওঁলোকে দৰমহা লৈছে কিন্তু আজিলৈকে অনুমোদন লোৱা নাই, তেওঁলোকৰ সেৱাবিধি আজিলৈকে চৰকাৰৰ পৰা অনুমোদন লোৱা নাই। আজিলৈকে পে-স্কেল কাৰো পৰা অনুমোদন লোৱা নাই। নিজৰ ইচ্ছা অনুসৰি ব'ৰ্ডে তেনেকৈ চলি আহিছে। প্ৰতিগৰাকী শ্ৰমমন্ত্ৰী এই ব'ৰ্ডৰ সভাপতিৰ দায়িত্ব আছিল। আগৰ কোনো শ্ৰম মন্ত্ৰীৰ দৃষ্টিত এই কথাটো নাহিল যে তাত চাৰ্ভিচ ৰুলটো কেনেকৈ চলি আছে, কেনেকৈ খৰছ হৈ আছে তাতকৈ ডাঙৰ কথা হৈছে যিটো শ্ৰমিক, মালিকপক্ষ আৰু চৰকাৰৰ কনট্ৰিবিউচনৰ টকা সেই টকাৰে ইয়াত থকা কৰ্মচাৰী সকলৰ দৰমহাতে খৰছ কৰি আছো ইমান বছৰে- কোনো ধৰণৰ উন্নয়নমূলক আঁচনি বিগত বহু বছৰ ধৰি নাই। তাত দুটা ব্যৱস্থা আছিলে -

কমিউনিটি চেন্টাৰ আৰু ব'ৰ্ড - দুয়োটাৰে কৰ্মচাৰীসকলে একে ধৰণে কাম কৰে - উয়েলফেয়াৰ কমিচনাৰে তেওঁলোকক এপইমেন্ট দিলে- দুয়োজৰ দৰমহা বেলেগ বেলেগ - এজনক দিয়ে সপ্তম দৰমহা আয়োগৰ মতে আনজনক দিয়ে ষষ্ঠ দৰমহা আয়োগৰ মতে - নিজে নিজে কৰি লৈছে - তাত কোনো ধৰণৰ ব্যৱস্থা নাই। যেতিয়া এই কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে তেতিয়া আমি এটা চিষ্টেম কৰিলো যে পে-ষ্ট্ৰাকচাৰ এটাই হ'ব লাগিব। ষষ্ঠ দৰমহা আয়োগেই হওক বা সপ্তম দৰমহা আয়োগেই হওক এটা হ'ব লাগে। চাৰ্ভিচৰুল, ৰোষ্টাৰ আদি এই গোটেই ব্যৱস্থাখিনি আমি ঠিক কৰিল'ব বিচাৰিছো। এতিয়া আমি কনট্ৰিবিউটৰিৰ টকা পাঁচ টকালৈ বৃদ্ধি কৰিছো আৰু এইবাৰ নব্বৈ লাখ টকা আমাৰ আহিব। এই নব্বৈ লাখ টকা কোনো ব'ৰ্ডে চুব নোৱাৰে, কোনো দৰমহাৰ নামত খৰছ নকৰো কেৱল হোষ্টেল উন্নয়ন আৰু যিমান উন্নয়নমূলক আঁচনি আছে তাৰ বাবে ৰিজাৰ্ভ কৰি দিছো। দৰমহাৰ বাবে যিখিনি টকা লাগে সেইখিনি চাহজনগোষ্ঠী উন্নয়ন বিভাগে বাজেটত টকা ধৰি টকা দি আছে আৰু শ্ৰম বিভাগেও টকা দি আছে। আমি দুয়ো বিভাগৰ টকা যদি হিচাপ কৰি চাও তেতিয়া দেখো যে আমি তেওঁলোকক দৰমহাও দিব পাৰিম আৰু উন্নয়নমূলক আঁচনিৰ কামো কৰিব পাৰিম। কিন্তু এই গোটেইখিনি কাম কৰিবলৈ আমি যিখিনি নতুন নিয়ম বনাইছো - কেনেকৈ ফাইল আহিব - কেনেকৈ পইচা খৰছ হ'ব - এইখিনি কৰাৰ বাবে কিছু সময়ৰ প্ৰয়োজন আছে। তেৰছ গোৱালা ডাঙৰীয়া নিজে ব'ৰ্ডৰ সদস্য গতিকে তেখেতে জানে। এই কামখিনি কৰোতে যিহেতু অলপ সময় ল'ব আমি তাৰ বাবে এমাহৰ দৰমহা মোকলাই দিবলৈও বিচাৰিছো। তাৰ পিছত গোটেই কামখিনি ষ্ট্ৰিমলাইন কৰিম আৰু হোষ্টেলৰ সমস্যা সমূহ সমাধান কৰিম। বৰ্তমান হোষ্টেল বিলাক ভালদৰে চলা নাই আমি ভালকৈ কন্ট্ৰিবিউচনৰ টকাৰে চলাম। পানীৰ অসুবিধাৰ কথা যিটো কৈছে - ইতিমধ্যে চাহজনগোষ্ঠী কল্যান বিভাগৰ পৰা কাম কৰিবলৈ দিছো কিন্তু গনেশগুৰিৰ গোটেই অঞ্চলটো পানী পোৱা নাজায় সেইকাৰণে আমি পানী কিনাৰ ব্যৱস্থা কৰিছো আৰু নতুনকৈ ডিপটিউৱেল বহোৱাৰ কাৰণে আমি ব্যৱস্থা কৰিছো, সেইকামটো আৰম্ভ হ'ব তেতিয়া পানীৰ সমস্যাটো সমাধান হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ আমাৰ ৪ নং কাৰ্য্যসূচী। The Assam Electricity Duty (Amendment) Bill, 2018 খন বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ ৰাজ ভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ১২ চেপ্টেম্বৰ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো - "Under the provision of Article 207 sub-clause 3 of the Constitution of India, I, Professor Jagadish Mukhi, Governor of Assam, recommend that 'The Assam Electricity Duty (Amendment) Bill, 2018' be taken into consideration by the Assam Legislative Assembly." মই মাননীয় বিত্ত মন্ত্ৰীক বিলখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, 'The Assam Electricity Duty (Amendment) Bill, 2018' বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিব বিছাৰিছো- 'The Assam Electricity Duty (Amendment) Bill, 2018'' be taken into consideration. যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে। বিধেয়ক দুই নং দফাত মাননীয় সদস্য শ্ৰীৰকিবুল হুছেইন, শ্ৰীমতী অজন্তা নেওগ, শ্ৰীওয়াজেদ আলি চৌধুৰী, শ্ৰীশ্বেৰমান আলী আহমেদ, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, শ্ৰীজাকিৰ হুছেইন সিকদাৰ, শ্ৰীনুৰুল হুদা, শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰীমতী নন্দীতা দাস, ডাঃ মতিউৰ ৰহমান মণ্ডল আৰু শ্ৰীমতী ৰ'জলীনা তিৰ্কীৰ নামত দুটা সংশোধনী আছে। মই সন্মানীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াক সংশোধনী দুটা উত্থাপন কৰি বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনালো।

**শ্ৰীশ্বেৰমান আলী আহমেদ,বিধায়ক ঃ** that the words at the 5 percentile of the aggregate value of energic charges and fixed charges occuring in 2nd, 3rd and 4th plan shall be substituted by @ (at the rate of ) 10 piece per unit of energy in **Sub-section - I**.

**Sub-section - II,** I move that the word 10% percentile of the aggregate value of energic charges and fixed charges occuring in 2nd, 3rd and 4th plan shall be substituted by @ (at the rate of ) 15 piece per unit of energy.

অধ্যক্ষ মহোদয়, আমাৰ এই সংশোধনী প্ৰস্তাৱৰ সপক্ষে মই দুটামান কথা কব বিচাৰিছো। আমাৰ ইতিমধ্যে যিটো ইলেকট্ৰিচিটি চাৰ্জ, সেই চাৰ্জটো যথেষ্ট বেছি। একো একোজন গ্ৰাহকে প্ৰতিটো মাহতে যথেষ্ট বিদ্যুত মাচুল ভৰিবলগীয়া হয়। ইলেকট্ৰিচিটি ডিউটি যদি আকৌad-Valorem বঢ়োৱা হয় তেতিয়াহ'লে এই টকাটো আৰু যথেষ্ট বাঢ়ি যাব আৰু সাধাৰণ গ্ৰাহকৰ ওপৰত ই এটা ডাঙৰ মাধমাৰ হ'ব। এই সংশোধনী দুটা এই কাৰণেই অনা হৈছে যে আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে তেখেতৰ বাজেট ভাষণত এ এছ ই বিৰ 'পেঞ্চন ফাণ্ড ইনভেষ্টমেন্ট ট্ৰাষ্ট' টনকীয়াল কৰাৰ ক্ষেত্ৰত এই প্ৰস্তাৱটো ৰাখিছিল। মাননীয় অধ্যক্ষ মহোদয়, যদি ইলেকট্ৰিচিটি ডিউটি আৰু ad-Valorem লোৱা হয়, তেনেহ'লে সাধাৰণ গ্ৰাহকৰ কাৰণে যথেষ্ট কষ্টকৰ হ'ব। ইতিমধ্যে আমি দেখিছো অন্যান্য ৰাজ্যবোৰত ইলেকট্ৰিচিটি ডিউটি বেছি ভাগতেই পাৰ-ইউনিট হিচাপেহে লোৱা হয় আৰু আমাতকৈ যথেষ্ট কম হয়। আমাৰ ইয়াত পাৰ-ইউনিট ২০ পইচা লোৱা হয়। আজিৰ দিনটোত পাৰ-ইউনিট হিচাপে অন্ধ্ৰপ্ৰদেশত আছে ৬ পইছা, চট্টিশগড়ত ৮ পইচা, গোৱাত ১৮ পইচা, মধ্যপ্ৰদেশত ৮ পইচা, তেলেংগনাত ৬ পইচা আছে। যিহেতু অসমে ইতিমধ্যে অন্যান্য উন্নত ৰাজ্যবোৰতকৈ বেছি মাচুল দি আছো, গতিকে আৰু বঢ়াব নালাগে। কাৰণ ইলেকট্ৰিচিটি ডিউটি ad-Valorem কৰাৰ লগে লগে আগতকৈ মাচুলটো যথেষ্ট বাঢ়ি যাব। আমাৰ কেইবাটাও কেটেগ'ৰি আছে - জীৱনধাৰা, ড'মেছটিক 'এ' কেটেগ'ৰি, (৫ মেগাৱট) ড'মেছটিক 'বি' কেটেগ'ৰি আছে (৫ মেগাৱটৰ ওপৰত) ক'মাৰচিয়েল কেটেগ'ৰি আছে। এইবোৰ বাদ দি যদি আমি এটা মিডিল কেটেগ'ৰিৰ,২০০ ইউনিট কনজুম কৰা ড'মেছটিক 'এ' কেটেগ'ৰিৰ লও আৰু যদি এনেকুৱাকৈ ধৰি লও যে এটা ফেমিলিয়ে ২০০ ইউনিট কনজুম কৰিব উইদিন ল'ড চেনশ্যনত ৪ কিলোৱাট। তেতিয়াহ'লে দেখা যায় যে ইলেকট্ৰিচিটি ডিউটি তেওঁ দিব লাগিব ৪০ টকা। কিন্তু যদি ad-Valorem লোৱা হয়, তেতিয়াহ'লে তেওঁ দিবলাগিব(মিনিমামটো ললে) ৬৭.৫০ টকা হয়। অৰ্থাৎ প্ৰায় ৫০ শতাংশতকৈও বেছি বাঢ়ি যায়। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, এগজিষ্টিং যিটো ৰেট আছে সেইটোৱে থাকক, ইয়াতকৈ আৰু বঢ়াব নালাগে। যিহেতু এ এছ ই বিৰ 'পেঞ্চনফাণ্ড

ইনভেষ্টমেন্ট ট্ৰাষ্ট' টনকীয়াল কৰাৰ মূল উদ্দেশ্য লৈ এই বিলখন অনা হৈছে, আমি বিচাৰিম যে যিহেতু আমাৰ এইখন কল্যাণকামী ৰাজ্য, গতিকে চৰকাৰে আমাৰ বিভিন্ন ক'ৰপোৰেশ্যন বোৰ্ডক গ্ৰান্ট-ইন-এইড খিনি যিদৰে দিয়ে, সেইদৰে 'ট্ৰাষ্ট'টো টনকীয়াল কৰিবলৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা সময়ে সময়ে তেওঁলোকক গ্ৰান্ট-ইন-এইড হিচাপে কিছু টকা দিয়া হওঁক যাতে পেঞ্চন ফাণ্ডটো টনকীয়াল থাকে। এই বৰ্ধিত বিদ্যুত মাচুলটো আমাৰ ৩ কোটি ২৯ লাখ জনসাধাৰণৰ ওপৰত যাতে জাপি দিয়া নহয় এই উদ্দেশ্য লৈয়ে আমি এই সংশোধনী প্ৰস্তাৱটো আনিছো। মাননীয় মন্ত্ৰী মহোদয়ে বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই সংশোধনীটো কৰিব বুলি আশা ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** দুয়োটা সংশোধনী একেলগে কৈছেনে ?

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** হয়, কোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা,মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো আমাৰ ইলেকট্ৰিচিটি বিলখনৰ সংশোধন আনিব খুজিছো আৰু ৫ শতাংশ আমি যি এনাৰ্জি চাৰ্জ আৰু ফিক্সড চাৰ্জৰ ওপৰত ad-Valorem ৫ শতাংশ আমি লব খুজিছো, ইয়াৰ পৰা আমাৰ চৰকাৰৰ ৰাজকোষৰ কাৰণে ধন বিচৰা নাই, কিন্তু অসমত এটা ডাঙৰ সমস্যা হৈছে যে অসম ইলেকট্ৰিচিটি বোৰ্ডৰ যিসকল কৰ্মচাৰী, তেওঁলোকক পেঞ্চন দিয়াৰ বাবে আমি চৰকাৰে এটা সিদ্ধান্ত লৈছিলো যে, তেওঁলোকে অৱসৰ পোৱাৰ পিছত সাধাৰণতে বোৰ্ড বা ক'পোৰেশ্যনত চি পি এফ পায় বা তেওঁলোকে পেঞ্চনৰ সুবিধা নাপায়। ইলেকট্ৰিচিটি বোৰ্ডত এটা স্পেচিয়েল প্ৰভিজন কৰা হৈছিল যে আমি তেওঁলোকক পেঞ্চন দিম। তেওঁলোকক পেঞ্চন দিবৰ কাৰণে যেতিয়া পেঞ্চনৰ আঁচনিখন কৰা হৈছিল, তাত কোৱা হৈছিল যে পেঞ্চন ট্ৰাষ্ট এটা হ'ব আৰু সেই পেঞ্চন ট্ৰাষ্টত চৰকাৰে ইলেকট্ৰিচিটি ডিউটিজৰ পৰা যি টকা আহিব আৰু গ্ৰান্ট -ইন-এইডৰ জৰিয়তে এই ট্ৰাষ্টটো মেইনটেইন কৰিব লাগে। সেই সময়ত হিচাপ কৰা হৈছিল যে যদি বছৰৰ পইচা বছৰত গৈ থাকে তেতিয়াহ'লে বিশেষ কোনো সমস্যা নহয়, ধুনীয়াকৈ চলি যাব। আমি যেতিয়া এইটোৰ দায়িত্ব ললো, তেতিয়া দেখা পালো যে চৰকাৰে গ্ৰান্ট -ইন-এইড সময়ত নিদিয়াৰ কাৰণে আজিৰ দিনটোত চৰকাৰৰ ধাৰ লাগি গ'ল এই ট্ৰাষ্টটোলৈকে ৪,৫০০ কোটি টকা। অৰ্থাৎ অসম চৰকাৰৰ পৰা ৪,৫০০ কোটি টকা ইলেকট্ৰিচিটি পেঞ্চন ফাণ্ডত দিবলগা আছে আৰু এই টকাটো কেনেকৈ দিবলগীয়া হ'ল ,যে যোৱা ১৫-২০ বছৰ ধৰি আমাৰ যিটো দায়িত্ব আছিল প্ৰত্যেক বছৰত নিয়মীয়াকৈ দি যোৱাৰ,সেইটো নিয়মীয়াকৈ নিদিলো। নিয়মীয়াকৈ নিদিয়াৰ কাৰণে বৰ্তমান এইটো এটা ঠিক এট'ম বোমত পৰিণত হ'ল। কিয়নো ৪,৫০০ কোটি টকা গ্ৰান্ট -ইন-এইড দিব পৰা চৰকাৰৰ সামৰ্থ নাই। যদি সেইটো দিবলাগে গোটেই উন্নয়নমূলক কামবিলাক বন্ধ কৰি দিব লাগিব। চৰকাৰে এইটো দায়িত্ব লৈ থৈছে যে ইলেকট্ৰিচিটি বোৰ্ডৰ পেঞ্চনাৰ সকলক এইটো ট্ৰাষ্ট ফাণ্ডৰ পৰা এনেকুৱা ধৰণে পেঞ্চন দিয়া হ'ব। সেই কাৰণে আমি যোৱা বছৰ গ্ৰান্ট -ইন-এইড ৩০০ কোটি দিছো। এইবাৰ আমি গ্ৰান্ট -ইন-এইড ত প্ৰায় ১০০০ কোটি টকা ৰাখিছো। আমাৰ সন্মানীয় বিধায়কজনে কৈছে যে গ্ৰান্ট -ইন-এইডখিনি দিব লাগে। উই হেভ মেড এডুকুৰেট প্ৰভিজন যে আমি যোৱা বছৰ প্ৰায় ৩০০ কোটি টকা দিছো (তাতকৈ অলপ বেছিহে দিছো, সঠিক এমাউন্টটো মনত নাই)। এইবাৰ আমি বাজেটত ১০০০ কোটি টকা গ্ৰান্ট -ইন-এইড ৰাখিছো। এই গ্ৰান্ট -ইন-এইড খিনি অহা দুবছৰত১০০০,১০০০ বা ৮০০কৈ দি দি আমি ৪,৫০০ কোটি টকা পূৰণ কৰিব লাগিব। তাৰ লগত আকৌ এনুৱেল দিবলাগিব ৫০০কোটি টকা । এটা হৈছে এৰিয়াৰ আৰু আনটো হৈছে যিটো ৫০০ কোটি আমি বছৰত দিবলাগিব।

এতিয়া অন্ধ্রপ্রদেশ, তামিলনাডুৰ যি তালিকাখন কলো সেই চৰকাৰ বিলাকে গোটেই ফাণ্ডটো তেনেকুৰা অৱস্থালৈকে নিয়া নাছিল। তেওঁলোকে ধুনীয়া ফিজস্কেল মেনেজমেণ্ট কৰিছে। বছৰত যি টকাৰ প্ৰয়োজন সেইটো বছৰত দিছে, ফলত এইধৰণৰ ঘটনা হোৱা নাই। মই কোনো চৰকাৰক দোষাৰোপ কৰিব নাযাও, কিন্তু সেই সময়ত টকা নোহোৱাৰ কাৰণে বা মাহৰ পইচা, বছৰৰ পইচা নিদিয়া কাৰণে গোটেইটো এৰিয়াৰ হৈ গ'ল। এতিয়া এৰিয়াৰখিনি চৰকাৰে দিয়াৰ পিছতো ফাণ্ডটো চলিব লাগিব। ৫০০ কোটি টকা আহৰণ কৰা সম্ভৱ নহয়। সেইকাৰণে আমি এইটো কৰিব বিচাৰিছো। এই টকাৰ এটকাও চৰকাৰৰ ঘৰলৈ নাহে, গোটেই টকাটো পেঞ্চন ফাণ্ডত যাব আৰু এইখিনি ইলেকট্ৰিচিটি বোৰ্ডৰ কৰ্মচাৰীখিনিৰ প্ৰাপ্য ধন। সেইকাৰণে আমি ৫ শতাংশ ad-Valorem কৰিব খুজিছো। বিদ্যুত পৰিষদৰ ৫ পইচা, ২০ পইচা,এনেকৈ বাৰে বাৰে ইউনিট চাৰ্জ বাঢ়ি যায়, তেতিয়া আমাৰ ইয়াত ফিক্স পইচা থকাৰ কাৰণে আকৌ বাৰে বাৰে হাউচত এমেণ্ডমেণ্ড কৰি আহিব লাগে। এইটো যদি পাৰ্চেন্টেজ হৈ যায়, ad-Valorem ত কি হয়, কালি যদি ইলেকট্ৰিচিটি ৰেগুলাৰাইজড বোৰ্ডে ইউনিট চাৰ্জ যদি কমাই দিয়ে, আমাৰটোও কমি যাব। এনে নহয় যে আমাৰ বৃদ্ধি হৈ গৈ থাকিব। কেতিয়াবা তেওঁলোকে ইউনিট চাৰ্জ বঢ়ালে, আমাৰটোও বাঢ়িব আৰু যদি তেওঁলোকে ইউনিট চাৰ্জ কমাই দিয়ে,তেতিয়া আমাৰটোও কমি যাব। It will be now percentage instead of fixed amount. সেইকাৰণে মই ভাৱো যে ইয়াৰ আৰু বিকল্পও নাই। কাৰণ ৪,৫০০ কোটি টকা চৰকাৰে দিয়াৰ সামৰ্থ নাই আৰু এইটো দিয়াৰ চেষ্টা কৰিব লাগিলে গোটেই কাম-কাজ বন্ধ কৰি দিব লাগিব। মই ভাৱো যে ইয়াৰ পৰা খুব বেছি টকাও নাহে। যদি আহে মেক্সিমাম ২০ কৌটি টকা আহিব। কিন্তু এৰিয়াৰখিনি চৰকাৰে দিয়াৰ পিছত ফাণ্ডটো যাতে নিজৰ ওপৰত ঠিয় হব পাৰে তাৰ বাবে আমি বিভিন্ন উৎস তেওঁলোকৰ কাৰণে তৈয়াৰ কৰিছো। আমি মিটিং এখন কৰি কৈছিলো যে ইলেকট্ৰিচিটি বোৰ্ডৰ পৰা তোমালোকে এইখিনি পাবা, বছৰি গ্ৰান্ট -ইন-এইড এইখিনি পাবা, তোমালোকৰ হাতত যিখিনি টকা আছে সেইখিনি ভাল ফাণ্ডত ইউটিলাইজ কৰিলে তাৰ পৰা ইমান সুত পাবা। এনেকৈ আমি এটা ৰিভাইভেল পেকেজ বনাইছো, যিটো পেকেজৰ অংশ হিচাপে আমি এই আইনখন আনিছো।. তোমালোকৰ হাতত যিখিনি টকা আছে সেইখিনি তোমালোকে কোনোবা ভাল ফাণ্ডত utilise কৰা তাৰ পৰা ইমানখিনি ইণ্টাৰেষ্ট পাবা তেনেকে আমি এটা ৰিভাইভেল পেকেজ বনাইছো যিটো পেকেজৰ অংশ হিচাবে আমি এই আইনখন আনিছো। গতিকে এই আইনখন আমি যদি ইয়াতে পাচ নকৰো তাৰ অৰ্থটো এইটো হ'ব যে বিদ্যুৎ পৰিষদৰ পেঞ্চণ ফাণ্ডত টকা নাযাব আৰু ৰাইজে পেঞ্চণ নাপাব। যদি চৰকাৰৰ হাতত বিকল্প থাকিল হেতেন যে চাৰে চাৰি হাজাৰ কোটি টকা মই আজি দিব পৰা অৱস্থাত থাকিলো হেতেন। ডেফিনেটলি দিলো হেতেন কিন্তু এইটো উপায় নাই এক হাজাৰ কোটি লৈকে যাব পাৰিছো। য'ত আগত এশ, ডেৰশ কোটি টকা দি আছে। য'ত আমি এশ, ডেৰশৰ ঠাইত এক হাজাৰলৈকে গৈছো। তাৰ ওপৰত যাবৰ সামৰ্থ নাই। অৰ্থাৎ ক'ৰবাত নহয় কৰবাত এই ব্যৱস্থাটো লব লগীয়া আছিল কাৰণে এই আইনখন অনা হৈছে। সেইকাৰণে মই সদনত এই আইনখন অনুমোদন দিয়াৰ কাৰণে অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী দুটা প্ৰত্যাহাৰ কৰাৰ কাৰণে সন্মত হৈছেনে ?

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, আমি আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে এই গোটেই বোজাটো সাধাৰণ মানুহৰ ওপৰত পৰিব আৰু সাধাৰণ মানুহে বৰ্তমান বিভিন্ন মূল্যবৃদ্ধিত জুৰুলা হৈ আছে। পেট্ৰল, ডিজেলৰ দাম, গেছৰ চিলিণ্ডাৰৰ দাম আকৌ যদি

আমাৰ বিদ্যুৎ মাচুল বৃদ্ধি হয় এই সময়খিনিত অন্ততঃ চৰকাৰে বিবেচনা কৰিব পাৰে নেকি যে এই সময়খিনিত অকনমান নবঢ়াই আমি ইমানদিন যেতিয়া অপেক্ষা কৰিলো আৰু কিছুদিন অপেক্ষা কৰিলে আৰু আমাৰ লগতো আলোচনা কৰক আমি সকলোৰে বিশ্বাসত লৈ এটা আলোচনা কৰি পিছত যদি বিলখন আনে আমি তেতিয়া এটা আলোচনা কৰিব পাৰো। ২০০৪ চনৰ নিউ পেঞ্চণ ফাণ্ড যিটো আহিছে তাতো আমাৰ এনেধৰণৰ এটা কৰ্মচাৰী সকলৰ এটা আমাৰ কোম্পানীৰ পৰা লৈ আৰু এইটো আমাৰ কামটো ইনটাৰেষ্ট বা আমাৰ মিউচুৱেল ফাণ্ডত ইউজ কৰি এতিয়া নতুন এটা পেঞ্চণ ফাণ্ড ২০০৪ ত হৈছে। এতিয়া যিহেতু ক'লে যে আমাৰ চাৰে চাৰি হাজাৰ কোটি টকা আছে, এতিয়া মাত্ৰ ২০ কোটি টকাহে আমাৰ এইটোৰ পৰা আহিব। বৰ্তমান অৱস্থালৈ চাই কিছুদিনৰ কাৰণে এইটো অপেক্ষা কৰি আমাৰ লগত আলোচনা কৰি মাজৰ ৰাস্তা উলিয়াব পাৰি নেকি ? ইয়াৰ লগত প্ৰত্যক্ষ ভাৱে বিদ্যুৎ মাচুলটো আহি যায়। ইয়াৰ লগত যদি আমাৰ সাধাৰণ মানুহ জড়িত হৈ যায় তেওঁলোকে দিব পাৰিব নে নোৱাৰে এই কথাখিনি চিন্তা কৰি চৰকাৰক পুনৰ বাৰ এইটো বিবেচনা কৰিবৰ কাৰণে আমি অনুৰোধ কৰিছো।

**ডº হিমন্ত বিশ্ব শৰ্মা, শক্তিমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই কথাটো হ'ল এনেকুৱা যে আমি এটা নতুন ফাণ্ড ক্ৰিয়েট কৰা নাই। আগৰ চৰকাৰৰ সময়তো পাঁচ পইচা আছিল, দহ পইচা লৈকে বঢ়াইছিলে। এইধৰণৰ মাজে মাজে আমাৰ ৰেভিনিউ আহৰণ কৰাৰ কাৰণে ব্যৱস্থা লৈ থকা হয়। এতিয়া প্ৰশ্নটো হ'ল যে মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়া নিজেই শক্তি মন্ত্ৰী আছিল আৰু তেখেতে নিজেও বুজি পাই যে আমি যিটো পেঞ্চণ ফাণ্ডৰ কথা কৈছো এইটো ৰাজ্য চৰকাৰৰ পেঞ্চণ ফাণ্ডৰ কথা কোৱা নাই। যিটো ২০০৪ ত ক্ৰিয়েট হৈছিল পেঞ্চণ ফাণ্ড ফ'ৰ ষ্টেট গৰ্ভমেণ্ট এম্পলয়ী। এইযো পেঞ্চণ ফাণ্ড হৈছে স্পেচিফিকেলী ফ'ৰ ইলেক্ট্ৰিটিচিটি বোৰ্ড। তাৰ লগত ৰাজ্য চৰকাৰৰ কোনো সম্পৰ্ক নাই। এই ফাণ্ডটো মেনেজও কৰে ইলেক্ট্ৰিটিচিটি বোৰ্ডে। এই ফাণ্ডটো তেওঁলোকে আগৰ পৰাই মিউচিয়েল ফাণ্ডত ইউজ কৰে। এই ফাণ্ডটো তেওঁলোকে চলাই আছে আমাৰ ইয়াত একো নাই। খালী তাত লিখা আছে যে ফাণ্ডৰ পৰা ইনটাৰেষ্ট পোৱাৰ পিছত যিটো গেপ থাকি যাব সেইটো ষ্টেটে দিব লাগিব আৰু সেই গেপৰ পৰিমাণটো ৪৫০০ আৰু সেইটো যদি আমি আজি এডৰেচ নকৰো তেতিয়াহ'লে তেওঁলোকৰ পেঞ্চনৰ ক্ষেত্ৰত যি নতু নতুন এম্পলয়ী ৰিটায়াৰ্ড হৈ আছে তেওঁলোকে পেঞ্চণ পোৱাত অসুবিধা হ'ব আৰু ইলেক্ট্ৰিটিচিটি বোৰ্ডে আমালৈ এচ ও এচ পঠাইছে যে আমাৰ হাতত কোনো উপায় নাই আৰু আমিও চেষ্টা কৰিছো যে এক হাজাৰ কোটি টকা বাজেট প্ৰভিজন কৰা হৈছে। ইতিমধ্যে ডেৰশ কোটি টকা এই বছৰ আমি দিছো। ইয়াৰ পাছত দিয়াৰ আমাৰ হাতত কোনো উপায় নাই আৰু এই ad valorem হোৱাৰ পিছত যিটো ৰাইজৰ ওপৰত বাঢ়িব বুলি কৈছে খুব কম হ'ব কাৰণ ২০ পইচা আমি দিয়ে আছো। ২০ পইচাটোৰে ৫ পইচা হ'ব। দামত খুব বেছি তাৰতম্য নহয় কিন্তু ভৱিষ্যতে এইটো শক্তিশালী হ'ব দাম বাঢ়িলে ৫ শতাংশ বাঢ়িব আৰু দাম কমিলে ৫ শতাংশটো কমিব। সেইকাৰণে এইটো এটা ব্যৱস্থাহে। ইয়াৰ ফলত খুব বেছি আজিৰ দিনত গ্ৰাহকক বহুত বেছি interest হ'ব মই তেনেকৈ ভৱা নাই। কাৰণ যোৱাবাৰে হাউচে এইখন ২০ পইচালৈকে অল ৰেডী এক্সিচটিং প্ৰভিজনটো আম চাওঁ যে আমি ২০ পইচা আগতে কৰি থোৱা ইয়াত আছেই। গতিকে ইয়াত ৫ শতাংশলৈকে কনভাৰ্ট কৰোতে বহুত বেছি কিবা মাধমাৰ পৰিব বা ইলেক্ট্ৰিচিটি বাঢ়িব সেইটো নহয়। খালী ই এটা ব্যৱস্থা কৰিব। এটা এধ'কিজিমৰ পৰা এটা পাৰমানেণ্ট ৰেভিনিউ হ'ব। আগতে কি হয় প্ৰত্যেক বাৰেই বোৰ্ড যায় , ৰেগুলেটৰী বোৰ্ডে ইউনিট চাৰ্জ বঢ়াই দিয়ে, ইউনিট চাৰ্জটো বাঢ়ে কিন্তু ইলেক্ট্ৰিচিটি

বিলটো নাবাঢ়ে। কাৰণ ২০ পইচা ফিক্স হৈ থাকে। এতিয়া আমি কৈছো যে যদি তেওঁলোকৰ ব্যৱস্থাটোত যদি তেওঁলোকে কেতিয়াবা ৰেভিনিউ পাৰ ইউনিট ক'স্ট বঢ়াই আমাৰটো বাঢ়িব আৰু কজটো কমালে আমাৰটো কমাব। কিন্তু এটা ব্যৱস্থাৰ মাজেদি হ'ব। তেতিয়া এধ'ব হৈ নাথাকে। সেইকাৰণে আমি ভাৱো যে যিহেতু ২০ পইচা আমি দি আছো পৰিৱৰ্তন হোৱাৰ ফলত বহুত বেছি একো নাবাঢ়ে কিন্তু ব্যৱস্থা এটা হ'ব আৰু পেঞ্চণ ৰেগুলেটৰী ফাণ্ডটোত এটা স্থায়িত্ব পাব। আজি আমি, মই আগতেই কৈছো যে এনুৱেল ৰিকুৱাৰমেণ্ট ইজ ফাইভ হানড্ৰেদ ক'ৰচ্। সেইকাৰণে মই ভাৱো যে হাউচে ইলেক্ট্ৰিচিটি বোৰ্ডৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এইটোত অনুমোদন দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, মোৰ কথাটো যিহেতু নামধৰি উল্লেখ কৰিছে মাননীয় মন্ত্ৰী মহোদয়ে। মই যিটো ২০০৪ চনৰ পেঞ্চনৰ কথা কৈছো সেইটো ইলেক্ট্ৰিচিটিৰ পেঞ্চণৰ কথায়ে মই কৈছো। ইলেক্ট্ৰিচিটিৰ পেঞ্চনত মই খৱৰ লোৱা মতে ধৰি লওঁক এজনে ৭৫ হাজাৰ টকা দৰমহা পায়। তেওঁৰ পৰা ১৩ হাজাৰ টকা পেঞ্চনৰ কাৰণে কাটে আৰু ১৩ হাজাৰ টকা কোম্পানীৰ পৰা লয়। গতিকে মই এইটোত জেনেৰেল আমাৰ যিটো পেঞ্চন আছে সেইটোৰ কথা কোৱা নাই আৰু এটা কথা হ'ল যে তেওঁলোকে টকাখিনি থৈ নিদিয়ে। এইখিনি টকা তেওঁলোকে মিউচুৱেল ফাণ্ড বা অন্যান্যত ইনভেষ্ট কৰে। গতিকে আপোনালোকে যিটো ব্যৱস্থা কৰিছে মই নুই কৰা নাই। কিন্তু সাময়িক ভাৱে যিহেতু মানুহৰ ওপৰত হেচাঁ পৰিছে আৰু এটা বেয়া মেচেজও যাব। আমি চৰকাৰক অনুৰোধ জনাইছো যে এই ক্ষেত্ৰত চিমপেথিকেলী কনচিদাৰ কৰিবৰ কাৰণে আমি বিনম্ৰভাৱে অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকেটো কৰিব পৰা অৱস্থাত নাই বুলি কৈছে আৰু আপোনালোকে বোধকৰো উইড্ৰ নকৰিব। গতিকে উপায় নাই মই ভোটত যাম।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ ভিতৰত যিহেতু অসমত হাইয়েষ্ট আকৌ ইয়াৰ ওপৰত ৫ শতাংশ বঢ়াব বিচাৰিছে। সৌ সিদিনাখন আমি মূল্যবৃদ্ধিৰ প্ৰতিবাদ কৰিছিলো। গতিকে আজি যদি মন্ত্ৰী মহোদয়ে কনচিদাৰ নকৰে তেনেহ'লে আমি সদন ত্যাগ কৰাৰ সিদ্ধান্ত ললো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। উপায় ও টো নাই।

মই এতিয়া সংশোধনী কেইটা সদনত দাঙি ধৰিলো।

1. In Sub-Clause (i) of Clause 2 of the proposed Bill the words 'at five percentum of the aggregate value of energy charges and fixed charges' occuring in line 2nd, 3rd and 4th shall be substituted by the words 'at the rate of ten paise per unit of energy'.

2. In Sub-Clause (ii) of Clause 2 of the proposed Bill the words 'ten percentum of the aggregate value of energy charges and fixed charges' occuring in line 2nd, 3rd and 4th shall be substituted by the words 'fifteen paise per unit of energy'.

যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে
তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',
মই ভাৰো 'নহয়'ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে,
সংশোধনী প্ৰস্তাৱ দুটা নাকচ হ'ল।
দফা নং দুই বিধেয়ক খনৰ অংশ হ'ব।
. যিসকল মাননীয় সদস্য-সদস্যা দুই নং দফাটোৰ সপক্ষে আছে
তেখেত সকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',
মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,
২ নং দফাতো বিধেয়ক খনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ.** আজি বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰম্ভণত সদনত দাঙি ধৰিলো। প্ৰশ্নটো হৈছে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণ সদনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৰো হয়ৰ সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হৈছে।

এতিয়া মাননীয় বিত্ত মন্ত্ৰীক বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উৎথাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Electricity Duty(Amendment) Bill, 2018 পাৰিত কৰাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।
প্ৰস্তাৱটো হ'ল-

The Assam Electricity Duty (Amendment) Bill, 2018 pass.

যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক হয়। যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে। গতিকে বিধেক খন পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিলো। এতিয়া পৰৱৰ্ত্তী বিলখন ল'বলৈ গৈছো। এতিয়া মাননীয় ৰাজ্যিক স্বততন্ত্ৰ শ্ৰম ও নিয়োগ মন্ত্ৰী The Assam Tea Plantations Employees' welfare Fund (Amendment) Bill, 2018 বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী, (ৰাজ্যিক স্বতন্ত্ৰ) শ্ৰম ও নিয়োগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Tea Plantations Employees' welfare Fund (Amendment) Bill, 2018 দফাই দফাই বিবেচনাৰ কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিলো। Assam Tea Plantations Employees' welfare Fund (Amendment) Bill, 2018 বিবেচনাৰ বাবে লোৱা হ'ল। যিসকল সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হৈছে। এতিয়া ইয়াৰ পিছৰ কাৰ্য্যসূচীলৈ গৈছো। এতিয়া বিধেয়কৰ ২ নং দফাত মাননীয় সদস্য হাফিজ বচিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম, শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, শ্ৰী অনন্ত কুমাৰ

মোলো, শ্ৰী নজৰুল হক, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী চাহাবুদ্দিন আহমেদ, শ্ৰী আবুল কালাম আজাদ, শ্ৰী আব্দুৰ ৰহিম আজমল, শ্ৰী সুজাম উদ্দিন লস্কৰ, শ্ৰী নিজাম উদ্দিন চৌধুৰী, শ্ৰী আজিজ খান চৌধুৰী আৰু শ্ৰী আনোয়াৰ হুছেইন লস্কৰৰ নামত আৰু শ্ৰী ৰাজদীপ গোৱালা, শ্ৰী ৰকিবুল হুছেইন, শ্ৰীমতী অজন্তা নেওঁগ, শ্ৰী ৰাজেদ আলী চৌধুৰী, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী নুৰুল হুদা, শ্ৰী ৰূপ জ্যোতি কুৰ্মী, শ্ৰীমতী নন্দিতা দাস, ডাঃ মতিউৰ ৰহমান মণ্ডল, শ্ৰীমতী ৰ'জলীনা তিৰ্কীৰ নামত মুঠ দুটা সংশোধনী আছে। প্ৰথম সংশোধনীটো হাফিজ বচিৰ আহমেদ ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

I beg to move that In clause 2 of the proposed Bill in between the words 'Gazette,' and 'in' occuring in line 4 the words 'time to time' shall be inserted and the word 'Board' occuring in last line shall be substituted by the word 'stakeholders'.

**মাননীয় অধ্যক্ষ ঃ** একেটা clause তে আৰু এটা অলপ বেলেগ আছে, মই একেলগে উত্থাপন কৰিব বিচাৰিছো।এতিয়া ৰাজদীপ গোৱালা ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰাজদীপ গোৱালা, বিধায়ক (লক্ষীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move on behalf of all the members, In clause 2 of the proposed Bill the words 'and the State Government shall ensure that the amount shall never be less than Rs.1600 per month' shall be inserted after the word 'Board' and before the punctuation mark occurring in last line and the remaining words shall be deleted.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই প্ৰস্তাৱটো এই কাৰণে আনিব বিচাৰিছো যে ইয়াত আগত যিটো Provision আছিল তাত আমি চালো যে in the defination of employee, who will be consider as employee? যিসকলৰ মাহিলি দৰমহা ১৬০০ টকাৰ ওপৰত নহয় তেওঁলোকক employee হিচাপে বিবেচনা কৰা হ'ব। সেইটো এতিয়া সংশোধনী কৰিব বিচৰা হৈছে যে এই ১৬০০ টকাটো ফিক্স নাৰাখি Government আৰু 'Board' ৰ মাজত যি আলোচনা হ'ব সেই সিদ্ধান্ত মৰ্ম্মে ১৬০০ টকাত ঠাইত সেইটো applicable হ'ব। মই এটা কথা ভাৰিছো যে এই এক্ট খন ১৯৫৯ ৰ আছিল আৰু তেতিয়া ১৬০০ টকা অন্তৰ্ভুক্ত কৰা হৈছিল। এতিয়া ৫৯বছৰ পিছত আমি সেই বিলখন সংশোধনী কৰিব গৈ আছো। ৫৯বছৰ আগত পাছ কৰা বিলত আছিল যে ১৬০০ টকাৰ ওপৰত যিখিনি দৰমহা তেওঁলোকক employee হিচাপে বিবেচনা কৰা নহ'ব, তাৰ তলৰখিনিক employee হিচাপে বিবেচনা কৰা হ'ব। সেইকাৰণে আমি মাজতে word 'time to time' অন্তৰ্ভুক্ত কৰিব বিচাৰিছো কাৰণ Government আৰু 'Board' ৰ মাজত আলোচনা কৰি যিটো দৰমহা ফিক্স কৰিব সেইটো যাতে আকৌ ৫৯বছৰলৈকে ৰ'বলগীয়া নহয়, মাজে মাজে re-consider হয়। সেইকাৰণে 'Time to time' শব্দটো লগাই দিছো যিহেতু ২-৪ বছৰৰ পিছে পিছে Rate বাঢ়ে, টকাৰ মূল্যবানটো কম-বেছি হয়। একেবাৰে শেষত যিটো কথা কোৱা হৈছে যে Government আৰু 'Board' ৰ মাজত আলোচনা কৰি যিটো দৰমহা ফিক্স কৰিব তাৰ ওপৰত দৰমহা পোৱা সকল

কৰ্মচাৰী বিবেচিত নহ'ব তাৰ তলৰখিনি কৰ্মচাৰী বুলি বিবেচিত হ'ব। ইয়াত আমি কেৱল 'Board' ৰ লগত আলোচনা কৰাৰ এই কথাটোত আমি 'Board' টো আঁতৰাই তাৰ ঠাইত Stakeholders বুলি দিছো। কাৰণ 'Board' ৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই এটা কথা কৈছে যে 'Board' য়ে নিজে অস্তিত্বহীন হ'বলৈ ওলাইছে। য'ত নিজে অক্সিজেন ল'বলগীয়া অৱস্থা হৈছে আৰু এটা কথা যে 'Board' য়ে কেতিয়াবা কিছুমান সিদ্ধান্ত চৰকাৰৰ লগত আলোচনা কৰি লয় য'ত চাহ জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা যিবিলাক সংগঠন, Stakeholders আছে তেওঁলোক সন্তুষ্ট নহয়। তেওঁলোকৰ মতামতক গুৰুত্ব দিয়া নহয়। সেয়েহে চৰকাৰে সিদ্ধান্ত লোৱাৰ সময়ত কেৱল 'Board' কে নহয় লগতে চাহ জনগোষ্ঠীৰ যিবিলাক সংগঠন আৰু Stakeholders আছে, তেওঁলোককো অন্তৰ্ভুক্ত কৰে। সেয়েহে আমি ভাবিছো 'Board' শব্দটো গুচাই Stakeholders টো অন্তৰ্ভুক্ত কৰিব লাগে। যাতে সিদ্ধান্ত লোৱাৰ সময় আছে, চাহ জনগোষ্ঠীৰ যিবিলাক সংগঠন আৰু Stakeholders আছে, তেওঁলোককো সন্তুষ্ট কৰি লোৱা হয়। ভৱিষ্যতে তেওঁলোকে 'Board' ৰ ওপৰত দোষাৰোপ কৰি আন্দোলন কৰিবলগীয়া নহয় আৰু 'Board' ক অভিযোগ কৰিব নোৱাৰে যে তেওঁলোকে আম্‌াৰ আৱেগ-অনুভূতিক গুৰুত্ব নিদি চৰকাৰৰ লগত বুজাবুজিত আহিলে। এনেকুৱা ধৰণৰ পৰিৱেশৰ সৃষ্টি নহয়। সেয়েহে Stakeholder ৰ নামটো অন্তৰ্ভুক্ত কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজদীপ গোৱালা,। ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰাজদীপ গোৱালা, বিধায়ক (লক্ষীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় এই অ্যাক্টে যে সংশোধনী আনা হয়েছে এ বিষয়ে Rs 1600 per month wages এর যে bench mart টা set করা হয়েছিল তা আমাদের যে প্রস্তাব টি কে bench mart থেকে কম যাতে না হয় from time to time increase করার কথা বলা হয়েছে। আমাদের কথা হল কি এই amount এর বেশী হলে কোনও আপত্তি নেই কিন্তু কম যাতে না হয় । যেহেতু সরকার একটা প্রস্তাব এনেছে। State Government may prescribed the notification in the official gazette in consultation with the board and from time to time এই amount কে বাড়ানো হবে। কিন্তু এর থেকে কম যাতে না হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী, (ৰাজ্যিক স্বততন্ত্ৰ) শ্ৰম ও নিয়োগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি সংশোধনী প্ৰস্তাৱ আহিছে তাত তেওঁলোকে 'Board' টো আঁতৰাই তাৰ ঠাইত Stakeholder কৰিব বিচাৰিছে। কিন্তু প্ৰথমে আমি 'Board' মানে কি সেইটো জানি ল 'ব লাগিব। তাৰ পিছত Stakeholder আহিব। 'Board' is a contributory Fund. ইয়াত Contribution চাহ বাগিছাৰ কৰ্মচাৰী, মালিক আৰু ৰাজ্য চৰকাৰে দিয়ে আৰু ইয়াত 'Board' বুলি ক'লে কোন কোন থাকিব স্পষ্টভাৱে কোৱা হৈছে। Employers Representative, Worker Union's Representative,State Government's Labour Department's Representative আৰু অসম বিধান সভাৰ মাননীয় সদস্য এই 'Board' ত থাকে। যিসকল Stakeholder তেওঁলোকো এই 'Board' ত থাকে। তেওঁলোকৰ ভিউ নোলোৱাকৈ কোনো সিদ্ধান্ত লোৱা নহয়। আমি যি টকা বঢ়াব বিচাৰিছো সেইটো Stakeholder ৰ Concine নোলোৱাকৈ সেইটো বঢ়াব নোৱাৰে। কাৰণ প্ৰথমবাৰ এই আইনখন সম্পৰ্কত ১৯৫৯ চন আৰু ১৯৬০ চনত ৰুল আনিছিল। তাৰ পিছত এই আইনখনৰ কথা চিন্তা কৰা নাই। ১৬০০ টকাৰ ওপৰৰ

মানুহবোৰক ইয়াত অন্তৰ্ভুক্ত কৰা নহয়। কিমানদিন আগতে ১৬০০ পাৰ হৈ বাগিছাৰ কৰ্মচাৰী বাঢ়ি গ'ল। চাহ মজদুৰ সংঘ আছিল, বৰাক চাহ শ্ৰমিক সংঘৰ আছিল আৰু তেওঁলোকৰ মন্ত্ৰীও ইয়াত আছিল। তেওঁলোকেও মজুৰি বঢ়াইছিল। কিন্তু আইনত কি আছে কোনেও চোৱা নাছিল। কোনো সংশোধনী অনা হোৱা নাছিল। আইন নোহোৱাকৈ অন্যায় ভাৱে Contribution লৈ চলি আছে। সেই কাৰণে আমি কৈছো, তিনি বছৰৰ মুৰে মুৰে wage টো সলনি হৈ থাকে। আজি যদি wage ১৬৭ হৈ আছে, কালি যদি আকৌ বঢ়োৱা যায় তেন্তে ই আকৌ বাঢ়ি যাব। সেয়েহে আমি কৈছো যে, Board ৰ লগত আলোচনা কৰাৰ পিছত চৰকাৰে যি notify কৰিব সেইটোকে ইয়াত ধৰিব লাগে। Board ৰ লগত আলোচনাৰ পিছত আমি যি Gazette ত notification উলিয়াম সেইটোৱে ধৰিব লাগিব নহ'লে wage change হৈ থাকিলে আমি every time Assembly লৈ আহি থাকিব লাগিব। সেয়েহে, আমি সেই ব্যৱস্থাটো কৰিছো। Stake Holder বুলি তেওঁলোকে যি কথা কৈছে, Board আৰু Stake Holder একেই। Stake Holder বুলি ক'বলৈ গ'লে যিখিনি মানুহে contribution দিয়ে তেওঁলোকক কোৱা হয় আৰু Board ৰ সকলো খিনি মানুহ ইয়াত থাকে। Government, employers, workers য়ে contribution দিয়ে । গতিকে তেওঁলোক Stake Holder আৰু তেওঁলোকৰ nominee, representative হিচাপে তিনিগৰাকীকৈ থাকে আৰু State ৰ ফালৰ পৰা বিধান সভাৰ সদস্য সকল থাকে । সেইকাৰণে Board য়ে তাত বহিলে Stake Holder Board ক represent কৰে। মই সন্মানীয় সদস্য সকলক অনুৰোধ জনাইছো যিহেতু আপোনালোকৰ দুয়োটা বিষয়ে আমি লৈছো, সেই কাৰণে আপোনালোকে যাতে সংশোধনী প্ৰস্তাৱটো উঠাই লয়।

**শ্ৰী ৰাজদ্বীপ গোৱালা, (লক্ষীপুৰ) ঃ** After hearing our Hon'ble Minister, we would like to withdraw.

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** অধ্যক্ষ মহোদয়, আমি চাহ-বাগিচাৰ শ্ৰমিক সকলৰ কল্যাণ বিচাৰিছো লগতে মই আমাৰ চাহ বাগিচা অঞ্চলক প্ৰতিনিধিত্ব কৰা সদস্য সকলক সুধিব বিচাৰিছো যে, Board এ সিদ্ধান্ত লোৱাৰ পিছত বাকী Stake Holder সকল satisfy হয় নে নহয়? যদি হয়, তেন্তে Board হ'লে আমাৰ আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** Board ত যিহেতু বিধায়ক সকলো থাকে তেওঁলোকে যাতে এই ক্ষেত্ৰত চকু ৰাখে।

**শ্ৰী পল্লৱ লোচন দাস, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, চাহ জনজাতি কল্যাণ, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, Board ত যে অকল শাসকীয় বিধায়ক থাকে তেনে নহয়, তাত আমি বিৰোধী বিধায়ককো ৰাখো। আপোনালোকে চালে দেখিব যে, ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানী, তেৰছ গোৱালা ডাঙৰীয়া, এই সদস্য সকলো Board ৰ Member হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংশোধনী দুটা প্ৰত্যাহাৰ কৰা হৈছে।

এতিয়া দফা নং ২ বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ

নাই। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিছো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল।

**কাৰ্য্যসূচী নং ৫ (গ)**

মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) শ্ৰম ও নিয়োগ মন্ত্ৰীক বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী পল্লৱ লোচন দাস, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, চাহ জনজাতি কল্যাণ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tea Plantations Employees' Welfare Fund (Amendment) Bill, 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই সদনত প্ৰস্তাৱটো অনুমোদনৰ বাবে উত্থাপন কৰাৰ আগতে এটা কথা ক'ব বিছাৰিছো যে, আমি যদি বিধেয়ক সমূহ ভালদৰে আলোচনা নকৰো, তেন্তে বিধেয়ক খনত কি আছে বহু সদস্যই গম নোপোৱাকৈয়ে যায় । এই সংশোধনীবোৰ অহাটো আৰু উত্তৰ দিয়াটো উচিত কিয়নো বিধি বনাবলৈ এইখন বিধান সভাত আমি বোৰেই বিধায়ক। এই ক্ষেত্ৰত সকলোৱে গুৰুত্ব দিলে ভাল পাওঁ।

এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো -

প্ৰস্তাৱটো হ'ল- "The Assam Tea Plantations Employees' Welfare Fund (Amendment) Bill, 2018" be passed.

যি সকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়ক খনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিছো।

**মই এতিয়া সদন অহাকালি পুৱা ০৯-৩০ বজালৈ স্থগিত ৰাখিছো।**